www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

অভাৱ, দৰিদ্ৰ আৰু বৈষম্যৰ মাজত কোনো গণতন্ত্ৰ সৰহকাল তিষ্ঠি থাকিব নোৱাৰে। — জৱাহৰলাল নেহৰু

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

❒ প্ৰথম বছৰ ❒ সংখ্যা- ২১৪ ❒ শুকুৰবাৰ ❒ ১২ জুন, ২০২৬ চন ❒ Volume/Year- I ❒ Issue- 214 ❒ Friday ❒ 12th June, 2026 ❒ Asom Barta, Majuli ❒ PRGI Reg. No.- ASASS/25/A2361 ❒ Price- Rs. 10 ❒ Total Page- 8

❒ আজিৰে পৰা তিনিখন দেশত আৰম্ভ ফিফা বিশ্বকাপ ২০২৬ ❒

# আৰম্ভ হ'ল ফুটবলৰ মহাৰণ

## ৪৮-টা দলৰ অংশগ্ৰহণ; উদ্বোধনী খেলত মেক্সিকো-দক্ষিণ আফ্ৰিকা মুখামুখি



**নিউজ ডেস্ক, অসম বাৰ্তা, ১১ জুন ঃ** অপেক্ষাৰ অন্ত পৰিল। আজিৰে পৰা আৰম্ভ হ'ল ফিফা বিশ্বকাপ ২০২৬। এই বিশ্বকাপ প্ৰতিযোগিতা অহা ১৯ জুলাইলৈকে আমেৰিকা যুক্তৰাষ্ট্ৰ, কানাডা আৰু মেক্সিক'ৰ ১৬টা স্থানত অনুষ্ঠিত হ'ব। ভাৰতৰ স্থানীয় সময় অনুসৰি শুকুৰবাৰে মাজনিশা (১২ জুন)ৰ পৰাই প্ৰথম খেলৰ আৰম্ভণি ঘটিব। বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ ইতিহাসত এইবাৰ এক অভিলেখ পৰিবৰ্তন দেখা গৈছে। পূৰ্বৰ ৩২খন দেশৰ পৰিৱৰ্তে এইবাৰ ৪৮খন দেশে অংশগ্ৰহণ কৰিব। অংশগ্ৰহণকাৰী এই দলসমূহক ১২টা গ্ৰুপত ভাগ কৰা হৈছে, য'ত প্ৰতিটো গ্ৰুপত থাকিব চাৰিটাকৈ দল। প্ৰতিটো গ্ৰুপৰ শীৰ্ষৰ দুটাকৈ দলে পোনপটীয়াকৈ নক-আউট পৰ্যায়ত প্ৰৱেশ কৰিব। ইয়াৰ উপৰি তৃতীয় স্থানত থকা কিছুমান ❒ ৬ পৃষ্ঠাত

## মোদীৰ ১২ বছৰীয়া কাৰ্যকালত দেশত প্ৰগতিয়েই প্ৰগতি ঃ কেন্দ্ৰীয় মন্ত্ৰী চি আৰ পাটিল

### মোদীৰ অভিলেখপূৰ্ণ কাৰ্যকাল উপলক্ষে বিজেপিৰ 'প্ৰগতিৰ পথ যাত্ৰা'



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১১ জুন ঃ** ভাৰতৰ আটাইতকৈ দীৰ্ঘকাল কাৰ্যনিৰ্বাহ কৰা নিৰ্বাচিত প্ৰধানমন্ত্ৰী হিচাপে বুধবাৰে নৰেন্দ্ৰ মোদীয়ে অভিলেখ ৰচনা কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ১২ বছৰীয়া কাৰ্যকাল সম্পূৰ্ণ হোৱা উপলক্ষে বৃহস্পতিবাৰে বিজেপি গুৱাহাটী জিলাৰ উদ্যোগত 'প্ৰগতিৰ পথ যাত্ৰা' শীৰ্ষক এখন সমদল উলিওৱা হয়। গুৱাহাটীৰ ফাঁচীবজাৰ অঞ্চলৰ কুমাৰ ভাস্কৰ বৰ্মা সেতুৰ পৰা এই ❒ ৬ পৃষ্ঠাত

### অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ ঘোষণা

## '২৭ৰ উচ্চতৰ মাধ্যমিকৰ পৰীক্ষাৰ সময়সূচী প্ৰকাশ




**নিউজ ডেস্ক, অসম বাৰ্তা, ১১ জুন ঃ** অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে উচ্চতৰ মাধ্যমিকৰ প্ৰথম আৰু দ্বিতীয় বৰ্ষৰ বাবে বছৰজোৰা ❒ ৬ পৃষ্ঠাত

## বেলতলাত যুৱতীৰ ৰহস্যজনক মৃত্যু; হত্যাৰ অভিযোগ

### পৰিয়ালৰ দাবী- শেষ নিশা প্ৰেমিক আকাশ প্ৰসাদ সৈতে আছিল যুৱতী গৰাকী

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১১ জুন ঃ** গুৱাহাটী মহানগৰীত পুনৰ এখন চাঞ্চল্যকৰ ঘটনা সংঘটিত হৈছে। বেলতলা অঞ্চলৰ এটা ভাড়াঘৰত সুস্মিতা বসুমতাৰী নামৰ এগৰাকী যুৱতীৰ ৰহস্যজনকভাৱে মৃত্যু হৈছে। বুধবাৰে পুৱা তেওঁৰ মৃতদেহ ভাড়াঘৰটোৰ ❒ ৬ পৃষ্ঠাত

### প্ৰধানমন্ত্ৰী মোদীৰ অধ্যক্ষতা; যোগী আদিত্যনাথ, হিমন্ত বিশ্ব শৰ্মাকে ধৰি কেইবাগৰাকীও মুখ্যমন্ত্ৰীৰ উপস্থিতি

## নীতি আয়োগৰ একাদশ গভাৰ্নিং কাউন্সিল বৈঠক সম্পন্ন

### শিক্ষা, দক্ষতা, সুশাসন আৰু ডিজিটেল পাব্লিক ইনফ্ৰাষ্ট্ৰাকচৰ ওপৰত আলোচনা

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১১ জুন ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বৃহস্পতিবাৰে নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱন সাংস্কৃতিক কেন্দ্ৰত অনুষ্ঠিত নীতি আয়োগৰ একাদশ গভাৰ্নিং কাউন্সিল বৈঠকৰ অধ্যক্ষতা কৰে। এই উচ্চপৰ্যায়ৰ




বৈঠকত বিভিন্ন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ মুখ্যমন্ত্ৰী, লেফটেনেণ্ট গভৰ্ণৰ, কেন্দ্ৰীয় মন্ত্ৰী আৰু নীতি আয়োগৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে। বৈঠকত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ ❒ ৬

### ❒ "অসমক বানমুক্ত কৰিবলৈ চেষ্টা চলাই থকা হৈছে" ❒

## আগন্তুক পাঁচ বছৰত বৃহৎ নিযুক্তি দিয়া হ'ব শিক্ষা বিভাগত

### গোলাঘাটৰ জিলাৰ বান পৰিস্থিতি প্ৰস্তুতিৰ পৰ্যালোচনা সভাত অভিভাৱক মন্ত্ৰী ডাঃ ৰণোজ পেগু

**অসম বাৰ্তা ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ১১ জুনঃ** ৰাজ্যত সম্ভাব্য বানপানীৰ সৈতে মোকাবিলা কৰিবলৈ ক্ষতিগ্ৰস্ত জিলাসমূহত বান পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিবলৈ কেনেদৰে প্ৰস্তুতি চলাইছে তাৰ বুজ ল'বলৈ অভিভাৱক মন্ত্ৰীসকলক দায়িত্ব প্ৰদান কৰাৰ পাছতে আজি গোলাঘাটত উপস্থিত হয়হি জিলাখনৰ অভিভাৱক মন্ত্ৰী হিচাপে দায়িত্ব লাভ কৰা শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু। মন্ত্ৰী গৰাকীয়ে গোলাঘাট জিলা আয়ুক্ত কাৰ্যালয়ত বান পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিবলৈ কেনেদৰে প্ৰস্তুতি চলাইছে ❒ ৬ পৃষ্ঠাত



### প্ৰতিষ্ঠাপক অভিজিৎ দীপকক সংগ দিলে সমাজকৰ্মী সোনম ৱাংচুকে

## কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগৰ দাবীৰে পুনেত প্ৰতিবাদ CJPৰ



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১১ জুন ঃ** দেশৰ শিক্ষা খণ্ডত একেৰাহে পৰীক্ষাৰ বিতৰ্ক আৰু প্ৰশ্নকাকত ফাদিল হোৱাৰ অভিযোগই সমগ্ৰ দেশতে ❒ ৬ পৃষ্ঠাত

### 'খাৰ্গ দ্বীপ দখল কৰি তেল বজাৰৰ সম্পূৰ্ণ নিয়ন্ত্ৰণ ল'ম'

## ইৰাণত ভয়ংকৰ আক্ৰমণৰ সকীয়নি

**ইণ্টাৰনেছনেল ডেস্ক, অসম বাৰ্তা, ১১ জুন ঃ** ইৰাণৰ লগত শান্তি চুক্তি চূড়ান্ত কৰাৰ বাবে কূটনৈতিক প্ৰচেষ্টা চলি থকাৰ মাজতে আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে তেহৰাণলৈ এক গুৰুতৰ সকীয়নি ❒ ৬ পৃষ্ঠাত

## সুৰা নিষিদ্ধ মাজুলীত বিনষ্ট ১৫ লাখ টকাৰ অবৈধ বিলাতী সুৰা

### দৰবাৰ চাপৰিত জব্দ-কৃত সুৰাৰ ওপৰত চলিল জেচিবি, ৰোলাৰ; ধ্বংস ১৪৭৫.৭২৫ লিটাৰ সুৰা



**অসম বাৰ্তা, উজনী মাজুলী, ১১ জুন ঃ** পবিত্ৰ বৈষ্ণৱী ভূমি মাজুলীক নিচামুক্ত কৰি ৰখাৰ লক্ষ্যৰে আৰক্ষী আৰু আৱকাৰী বিভাগে চলাই অহা ধাৰাবাহিক অভিযানৰ অংশ হিচাপে বৃহস্পতিবাৰে জব্দকৃত বৃহৎ পৰিমাণৰ অবৈধ বিলাতী সুৰা ধ্বংস কৰা হয়। আদালতৰ নিৰ্দেশমৰ্মে মাজুলীৰ দৰবাৰ চাপৰিত মুঠ ১৪৭৫.৭২৫ লিটাৰ অবৈধ বিলাতী সুৰা আৰক্ষী তথা আৱকাৰী বিভাগে নষ্ট কৰে। ধ্বংস কৰা সুৰাখিনিৰ আনুমানিক বজাৰ মূল্য প্ৰায় ১৫ লাখ টকা বুলি জানিব পৰা গৈছে। জানিব পৰা মতে, বিগত সময়ছোৱাত ❒ ৬ পৃষ্ঠাত

### ৩ ভাৰতীয় নাবিকৰ মৃত্যু

## 'এমটি জলৱীৰ'ত আমেৰিকাৰ আক্ৰমণ

### পুনৰ হৰমুজ প্ৰণালী বন্ধ ইৰানৰ

**ইণ্টাৰনেছনেল ডেস্ক, অসম বাৰ্তা, ১১ জুন ঃ** আমেৰিকা আৰু ইৰাণৰ মাজত পুনৰ যুদ্ধ আৰম্ভ হৈছে। দুই দেশৰ মাজত ধাৰাবাহিকভাৱে ইজনে সিজনৰ সামৰিক ঘাটিসমূহৰ ওপৰত আক্ৰমণ চলি থকাৰ ফলত হৰমুজ প্ৰণালীৰ পৰিস্থিতি ❒ ৬ পৃষ্ঠাত

### দেশৰ ১০৮ গৰাকী শিল্পীলৈ সংগীত নাটক একাডেমী বঁটা


## অসমৰ ৮ গৰাকী শিল্পীলৈ সংগীত নাটক একাডেমী বঁটা, উস্তাদ বিছমিল্লাহ খান যুৱ পুৰস্কাৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা ১১ জুন ঃ** অসমৰ সমৃদ্ধ সাংস্কৃতিক ঐতিহ্যই ৰাষ্ট্ৰীয় পৰ্যায়ত পুনৰ এক বিশেষ স্বীকৃতি লাভ কৰিছে। ২০২৪ আৰু ২০২৫ বৰ্ষৰ বাবে সংগীত নাটক একাডেমীয়ে ঘোষণা কৰা 'সংগীত নাটক একাডেমী বঁটা' আৰু 'উস্তাদ বিছমিল্লাহ খান যুৱ পুৰস্কাৰ'ৰ বাবে অসমৰ আঠগৰাকী শিল্পীক নিৰ্বাচিত কৰা হৈছে। সত্ৰীয়া নৃত্য, লোকসংগীত, থিয়েটাৰ, অভিনয় আৰু ❒ ৬ পৃষ্ঠাত

## কেৱল অনলাইনযোগেহে বুকিং হ'ব কামাখ্যা দৰ্শনৰ টিকট

### নতুন প'ৰ্টেল মুকলি; ভক্তসকলক চৰকাৰী ৱেবছাইট ব্যৱহাৰ কৰিবলৈ অনুৰোধ



**নিউজ ডেস্ক, অসম বাৰ্তা, ১১ জুন ঃ** শক্তিপীঠ কামাখ্যা মন্দিৰ দৰ্শনৰ বাবে এতিয়াৰ পৰা অফলাইন টিকট বুকিং সম্পূৰ্ণৰূপে বন্ধ হৈছে। মন্দিৰ কৰ্তৃপক্ষই জানিবলৈ দিয়া মতে, কেৱল অনলাইনযোগেহে ভক্তসকলে বিশেষ দৰ্শনৰ টিকট বুকিং কৰিব পাৰিব। নতুনকৈ ❒ ৬ পৃষ্ঠাত

## বৰপেটাত পূৰ্বৰ লাটমণ্ডল সুৰজিৎ ডেকাৰ ঘৰত মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষৰ অভিযান

### ৰাজহ চক্ৰ বিষয়াপঁপুৰ বৰাৰ সৈতে সম্পৰ্ক গঢ়ি মাটি সম্পত্তি গঢ়াৰ অভিযোগ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১১ জুন ঃ** বৰপেটাত মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষে এক গুৰুত্বপূৰ্ণ অভিযান আৰম্ভ কৰিছে। এই অভিযানৰ লক্ষ্য হৈছে পূৰ্বৰ বাঘবৰ ৰাজহ চক্ৰ



বিষয়াৰ কাৰ্যালয়ৰ লাটমণ্ডল সুৰজিৎ ডেকা। তদাৰকী কোষৰ ছজনীয়া এটা দলে বৰপেটাৰ দঙৰকুছি অঞ্চলত অৱস্থিত সুৰজিৎ ডেকাৰ ঘৰত অভিযান চলাইছে। উল্লেখযোগ্য যে সুৰজিৎ ডেকা পূৰ্বে বৰপেটা ❒ ৬ পৃষ্ঠাত

## কান্ধৰ অস্ত্ৰোপচাৰ সফল; অনুৰাগীক আবেগিক বাৰ্তা ৰিয়ান পৰাগৰ

### শ্ৰীলংকাত ত্ৰি-দেশীয় শৃংখলাৰ পৰা আহত হৈ বাহিৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১১ জুন ঃ** ভাৰতীয় ক্ৰিকেটাৰ তথা ৰাজস্থান ৰয়েলছৰ অধিনায়ক ৰিয়ান পৰাগৰ সোঁ কান্ধৰ এক গুৰুত্বপূৰ্ণ অস্ত্ৰোপচাৰ সফলতাৰে সম্পন্ন হৈছে। এই অস্ত্ৰোপচাৰৰ পিছত অসম সন্তান ক্ৰিকেটাৰগৰাকীয়ে এতিয়া দীঘলীয়া পুনৰ্বাসন প্ৰক্ৰিয়াৰ মাজেৰে পাৰ হ'ব লাগিব। তেওঁ কেতিয়ালৈ খেলপথাৰলৈ প্ৰত্যাৱৰ্তন কৰিব পাৰিব সেই সন্দৰ্ভত এতিয়ালৈকে কোনো নিশ্চিত সময়সীমা জানিব পৰা হোৱা নাই। অস্ত্ৰোপচাৰ সম্পন্ন হোৱাৰ পিছত সোঁহতীয়া তাৰকা বেটছমেনগৰাকীয়ে ছ'চিয়েল মিডিয়া প্লেটফৰ্ম ইনষ্টাগ্ৰামৰ জৰিয়তে অনুৰাগীসকলক নিজৰ স্বাস্থ্যজনিত আপডেট দিয়ে। এক আবেগিক পোষ্ট শ্বেয়াৰ কৰি ৰিয়ানে লিখে, "অৱশেষত কান্ধৰে জয় হ'ল। যিসকলে সুধি আছিল, তেওঁলোকক জনাও যে অস্ত্ৰোপচাৰ সুকলমে সম্পন্ন হৈছে। বিগত দুটা বছৰে মোক এনে কিছুমান উপায়েৰে ❒ ৬ পৃষ্ঠাত





# মঙলদৈ প্ৰেছ ক্লাবৰ ৩২সংখ্যক প্ৰতিষ্ঠা দিৱস পালন

## মই জানি বুজি ভুল নকৰোঁ ঃ মন্ত্ৰী নীলিমা দেৱী



**অসম বাৰ্তা, মঙলদৈ, ১১ জুন ঃ** ‘মই জানি বুজি কোনো ভুল নকৰোঁ। জানি যদি কিবা ভুল কৰো সাংবাদিকসকলে মোক শুধৰণি কৰি দিব। ৰাইজে বেয়া পোৱা কামে মোৰ ক্ষতি নহয় এয়া বিজেপি দলৰ ক্ষতি, মই যিহেতুকে বিজেপি দলৰ এগৰাকী কাৰ্যকৰ্তা গতিকে বিজেপি দলৰ ক্ষতি হ'ব পৰা কোনো কাম মই নকৰোঁ। মোৰ নিৰ্বাচনী বিজয়ত সাংবাদিকসকলৰ যথেষ্ট ভূমিকা আছে। আগন্তুক পাঁচ বছৰতো সাংবাদিকসকলৰ পৰা সহযোগিতা বিছাৰিছো।’ এইদৰে কয় পশুপালন আৰু মীন বিভাগৰ মন্ত্ৰী নীলিমা দেৱীয়ে। মঙলদৈ প্ৰেছ ক্লাবৰ ৩২ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ মুকলি সভাত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি তেওঁ কয় যে মঙলদৈৰ উন্নয়ন, দৰং জিলাৰ উন্নয়ন তথা ৰাজ্যখনৰ উন্নয়নত সংবাদ মাধ্যমৰ ভূমিকা আছে আৰু মই আপোনালোকৰ সহায় সহযোগিতা বিচাৰিছো। কিয়নো আপোনালোক হৈছে বিভিন্ন ক্ষেত্ৰত চুকে কোনে ঘূৰি ঘূৰি ফুৰা লোক। তেওঁক মন্ত্ৰী হিচাপে দায়িত্ব দিয়াৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জ্ঞাপন কৰি কয় যে মুখ্যমন্ত্ৰীয়ে তেওঁক গ্ৰাম্য অঞ্চলৰ সৈতে জড়িত দুটা বিভাগ দিছে যিয়ে গাঁৱৰ উন্নয়নৰ ক্ষেত্ৰত যথেষ্ট অৰিহণা যোগাব পৰা যাব। মঙলদৈ প্ৰেছ ক্লাবৰ সভাপতি হোমেন কাকতিৰ সভাপতিত্বত আৰু উপ-সভাপতি মুকুট ৰাজ শৰ্মা আৰু সম্পাদক লক্ষ্মী নন্দন কলিতাই আঁত ধৰা মুকলি সভাৰ উদ্বোধন কৰে মঙলদৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমলাকান্ত বৰাই। বৰাই উদ্বোধনী ভাষণত কয় যে সাংবাদিকতা হৈছে এটা বাজহুৱা সেৱা। সেইফালৰ পৰা প্ৰেছ ক্লাবো এটা ৰাজহুৱা অনুষ্ঠান। দেশৰ উন্নয়ন আৰু প্ৰগতিত সংবাদ মাধ্যমে সামাজিক বৰঙণি আগবঢ়াইছে। সাংবাদিকতা এটা ৰোমাঞ্চকৰ বৃত্তি বুলি কৈ কণ্টেণ্ট ক্ৰিয়েটৰ, ইউটিউবাৰ আৰু ফেচবুকত খবৰ প্ৰকাশ কৰিলেও মূল সুতিৰ সাংবাদিকে দিয়া বাতৰিহে ৰাইজে বিশ্বাস কৰে। তেওঁ কয় সাংবাদিকসকলে বিভিন্ন বিষয়ত দিয়াৰ অধিকাৰ আছে যদিও সত্যক বিকৃত কৰাৰ অধিকাৰ নাই বুলি কয়। মুকলি সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে অসম বাৰ্তাজীৱী সংঘৰ সাধাৰণ সম্পাদক তথা অসমীয়া প্ৰতিদিন কাকতৰ সহযোগী সম্পাদক অঞ্জন কুমাৰ শৰ্মাই। শৰ্মাই তেওঁৰ ভাষণত কয় যে সত্যনিষ্ঠ বাতৰি প্ৰচাৰ কৰাই সাংবাদিকৰ ধৰ্ম আৰু সেই ধৰ্ম পালন কৰা সাংবাদিকসকল নিৰ্ভীক আৰু সাহসী হোৱাৰ লগতে নিকা ভাবমূৰ্তিৰ হ'লেহে সাধাৰণ জনতাৰ উপকাৰ সাধন কৰা হ'ব। তেওঁ বভিন্ন বিষয়ত মন্তব্য কয় অৰুণোদয় যুগৰে পৰা বৰ্তমানলৈকে সংবাদ পত্ৰ আৰু সাংবাদিক এক বৰ্ণিল যাত্ৰাত বহু উত্থান-পতন হ'ল যদিও সুস্থ গণতন্ত্ৰ ৰক্ষাত সাংবাদিক আৰু সংবাদ পত্ৰৰ ভূমিকা সদায় গুৰুত্বপূৰ্ণ। সাংবাদিকসকলে নিজৰ জীৱনক তুচ্ছ জ্ঞান কৰি জনসাধাৰণৰ উন্নয়নৰ হকে অহোপুৰুষাৰ্থ কৰে। সেয়েহে সাংবাদিকসকলৰ বাবে সমাজৰো দায়িত্ব আছে বুলিও কয়। মুকলি সভাত দলগাঁও সমষ্টিৰ বিধায়ক মুজিবুৰ ৰহমানে বক্তব্য আগবঢ়ায় কয় যে সাংবাদিক সকল হৈছে সমাজৰ অবিচ্ছেদ্য অংগ। প্ৰশাসন চৰকাৰ তথা বিধায়ক সকলে কৰা ভুল বোৰ বাতৰি যোগে আঙুলিয়াই দিয়াৰ অধিকাৰ সাংবাদিক সকলৰ আছে বুলি কয়। তেওঁ কয় সমাজত হোৱা বেয়া কামবোৰৰ উপৰিও ভাল কামবোৰ প্ৰকাশ কৰাতো আপোনালোকৰ দায়িত্ব হোৱা উচিত। সভাত আছুৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক পৰাগ কুমাৰ চহৰীয়া, দৰং জিলা তথ্য আৰু জনসংযোগ বিষয়া চুম্পি চুতীয়া, দৰং জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি ৰাজেন্দ্ৰ নাথ হাজৰিকাই বক্তব্য আগবঢ়ায়। উক্ত মুকলি সভাত দৰং জিলা পৰিষদৰ সভানেত্ৰী শেৱালি গোস্বামী কলিতা, মঙলদৈ পৌৰসভাৰ পৌৰনেত্ৰী নিৰ্মালী দেবী শৰ্মা, দৰং জিলা সাহিত্য সভাৰ সম্পাদক মৃনাল বাজবংশী, জ্যেষ্ঠ অধিবক্তা শৈলেন শৰ্মা বৰুৱা, এছ আৰ ডি গ্ৰুপৰ ৰাজীৱ কুমাৰ ডেকা, দৰং জিলা পৰিষদৰ সদস্যা অনিতা ৰাজবংশী, দৰং বিজেপিৰ সভাপতি মুকুণ্ড ডেকা, অগপৰ সভাপতি কমলেশ্বৰ বৰুৱা আদিয়ে বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে। গাম্ভীৰ্যপূৰ্ণ সভাখনত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা সাংবাদিকৰ সু-সন্তান ক্ৰমে প্ৰজ্ঞান কলিতা, কল্লোল কাশ্যপ, ভাৰ্গবী চহৰীয়া, তন্বী ৰাজ শৰ্মা, নেইনা বৰুৱা আৰু চিমৰণ আহমেদক গামোচা, স্মাৰক আৰু সম্বৰ্ধনা পত্ৰৰে সম্বৰ্ধনা জনোৱা হয়। ইয়াৰ পূৰ্বে পুৱা ক্লাবৰ পতাকা উত্তোলন কৰে সভাপতি হোমেন কাকতি আৰু স্মৃতি তৰ্পণ মুকলি কৰে অসম বাৰ্তাজীবি সংঘৰ উপদেষ্টা মুকুট ৰাজ শৰ্মাই। আনহাতে সন্ধিয়া বন্তি প্ৰজ্বলন অনুষ্ঠিত হয়। বন্তি প্ৰজ্বলন কৰে মঙলদৈ ৰাজহ চক্ৰ বিষয়া পাৰ্থ প্ৰতিম বৰা, পূব মঙলদৈ ৰাজহ চক্ৰ বিষয়া তন্ময় বৰা, ওদালগুৰি প্ৰেছ ক্লাবৰ সম্পাদক অখিল কলিতা, মঙলদৈ প্ৰেছক্লাবৰ উপদেষ্টা ক্ৰমে কন্দৰ্প চহৰীয়া, আব্দুল খালেক, মদন বৰুৱা আৰু উপ-সভাপতি আছাদ আলি আৰু লোকেশ্বৰ বৰুৱাই।

# খাদ্য আন্দোলনৰ দুই শ্বহীদৰ জন্মস্থান ভূৰবন্ধাত আছুৰ ৫২ সংখ্যক ছাত্ৰ সংহতি দিৱস উদ্‌যাপন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ১১ জুন ঃ** মৰিগাওঁ জিলাৰ ভূৰবন্ধাত সদৌ মৰিগাঁও জিলা ছাত্ৰ সন্থাৰ উদ্যোগত আজি খাদ্য আন্দোলনৰ দুই শ্বহীদৰ স্মৃতিত ছাত্ৰ সংহতি দিৱস উদযাপন কৰা হয়। অসমৰ ঐতিহাসিক খাদ্য আন্দোলনৰ দুই শ্বহীদ ক্ৰমে গজেন ইংতি আৰু পুতুল শইকীয়াৰ জন্মস্থান ভূৰবন্ধাৰ ঐতিহ্যমণ্ডিত ঔগুৰি মাধ্যমিক বিদ্যালয় প্ৰাংগণত এক গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত ৫২ সংখ্যক ছাত্ৰ সংহতি দিৱসটি বিস্তৃত কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। ভূৰবন্ধা আঞ্চলিক ছাত্ৰ সন্থাৰ সহযোগত আয়োজন কৰা এই কাৰ্যসূচীত অঞ্চলটো বহু সংখ্যক ছাত্ৰ-ছাত্ৰী আৰু যুৱকৰ লগতে স্থানীয় লোকসকলে অংশগ্ৰহণ কৰে। ছাত্ৰ সংহতি দিৱসৰ কাৰ্যসূচীৰ আৰম্ভণিতে ১৯৭৪ চনৰ খাদ্য আন্দোলনৰ শ্বহীদ দুগৰাকী ক্ৰমে গজেন ইংতি আৰু পুতুল শইকীয়াৰ শ্বহীদ বেদীত মাল্যাৰ্পণ কৰি শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে মৌন প্ৰাৰ্থনা কৰা হয়। ইয়াৰ পিছতে আছুৰ পতাকা উত্তোলন আৰু ঔগুৰি মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত সদৌ মৰিগাঁও জিলা ছাত্ৰ সন্থাৰ সভাপতি দিব্যজ্যোতি চৌধুৰীৰ সভাপতিত্ব এখন স্মৃতিচাৰণ সভা অনুষ্ঠিত কৰা হয়। সাধাৰণ সম্পাদক শিৱ দাসে আঁতধৰা এই অনুষ্ঠানটোত অংশগ্ৰহণ কৰা বক্তাসকলে ছাত্ৰ সংহতি দিৱসৰ ইতিহাস, তাৎপৰ্য আৰু শ্বহীদদ্বয়ক স্মৰণ কৰি বক্তব্য ৰাখে ক্ৰমে ভূৰবন্ধা ছিনিয়ৰ চেকেণ্ডেৰী বিদ্যালয় অধ্যক্ষ প্ৰদীপ শৰ্মা, প্ৰাক্তন ছাত্ৰ নেতা যুগল কিশোৰ চৌধুৰী, হিমাংশু মহন্ত, নৰ কুমাৰ নাথ, কুঞ্জ বৰা, ভূৰবন্ধা শতদল শাখা সাহিত্য সভাৰ সভাপতি মনি ডেকা প্ৰমুখ্যে কেবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে। এই সভাতে শ্বহীদদ্বয়ৰ পৰিয়ালবৰ্গক সম্বৰ্ধনা জনোৱা হয়। সন্ধিয়া ভূৰবন্ধা আঞ্চলিক ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি পল্লৱ ডেকা আৰু সাধাৰণ সম্পাদক লক্ষ্মী হুকাইৰ নেতৃত্বত শ্বহীদদ্বয়ৰ সমাধি স্থানত বন্তি প্ৰজ্বলন কৰি দিনযোৱা কাৰ্যসূচীৰ সামৰণি পেলোৱা হয়। উল্লেখ্য যে ১৯৭৪ চনত অসমত উদ্ভৱ হোৱা খাদ্য সংকতৰ পৰা পৰিত্ৰাণ পাবলৈ সদৌ অসম ছাত্ৰ সন্থাৰ উদ্যোগত সমগ্ৰ অসমতে এক খাদ্য আন্দোলন গঢ়ি উঠিছিল। মৰিগাঁও জিলাৰ ভূৰবন্ধাটো এই আন্দোলনে তীব্ৰ ৰূপ ধাৰণ কৰিছিল। ইয়াৰ মাজতে ১৯৭৪ চনৰ ১০ জুনৰ দিনটোত ভূৰবন্ধাৰ ঔগুৰি মাধ্যমিক বিদ্যালয়ৰ আন আন ছাত্ৰ-ছাত্ৰী সকলৰ লগতে বিদ্যালয়খনৰ দুই ফুল কুমলীয়া ছাত্ৰ গজেন ইংতি আৰু পুতুল শইকীয়াও আন্দোলনত জঁপিয়াই পৰিছিল। শৃংখলাবদ্ধ আৰু দায়িত্ববোধেৰে আগবাঢ়ি যোৱা আন্দোলনকাৰী সকলক বাধা দিবলৈ গৈ আৰক্ষী বাহিনীয়ে এটা সময়ত নিৰ্বিচাৰে গুলি চালনা কৰে। ইয়াৰ ফলস্বৰূপে ফুল কুমলীয়া ছাত্ৰদ্বয়ে আৰক্ষীৰ গুলীত আকাল মৃত্যুক সাৱটি ল'ব লগা হয়।

## অসম আৰক্ষীত নিযুক্তি লাভ কৰা পাঁচগৰাকী যুৱক-যুৱতীক উষ্ম সম্বৰ্ধনা

# গৰঙা চাহ বাগিচাত বিশেষ সম্বৰ্ধনা অনুষ্ঠান

**অসম বাৰ্তা, খুমটাই, ১১ জুন ঃ** গৰঙা চাহ বাগিচা আৰু বেতিয়নী চাহ বাগিচাৰ মুঠ পাঁচগৰাকী যুৱকে অসম আৰক্ষীত নিযুক্তি লাভ কৰি অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই অনাত আজি গৰঙা চাহ বাগিচাৰ উদ্যোগত এখন বিশেষ অভিনন্দন আৰু সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত গৰঙা চাহ বাগিচাৰ মুখ্য পৰিচালক জয়দ্বীপ কুমাৰ সিঙে আৰক্ষী বিভাগত চাকৰি লাভ কৰা যুৱকসকলক অভিনন্দন জনাই এক অনুপ্ৰেৰণাদায়ক ভাষণ প্ৰদান কৰে। তেওঁ কয় যে কঠোৰ পৰিশ্ৰম, একাগ্ৰতা আৰু আত্মবিশ্বাসৰ জৰিয়তে সফলতা লাভ কৰিব পাৰি। লগতে তেওঁ নিযুক্তিপ্ৰাপ্ত যুৱকসকলৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰি অনাগত দিনত উচ্চ পদবীত অধিষ্ঠিত হৈ সমাজ তথা অসমলৈ অধিক গৌৰৱ কঢ়িয়াই আনিবলৈ আহ্বান জনায়। উল্লেখ্য যে, একেখন ডিভিজনৰ অন্তৰ্গত বেতিয়নী চাহ বাগিচাৰ চাৰিগৰাকী আৰু গৰঙা চাহ বাগিচাৰ এগৰাকী যুৱকে শেহতীয়াকৈ অসম আৰক্ষীত নিযুক্তি লাভ কৰিছে। সম্বৰ্ধনা অনুষ্ঠানত সহকাৰী পৰিচালক পল্লৱ বৰুৱা, ফেক্টৰী সহকাৰী পৰিচালক পৰমিন্দৰ সিং, জনকল্যাণ বিষয়া লীলাধৰ মিৰ্ধা, নৰ্থ গৰঙা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক মাধুৰ্য দত্ত, বাগিচা কৰ্মচাৰী সংঘৰ সভাপতি-সম্পাদক, আটছাৰ বিষয়ববীয়া আৰু বাগিচাৰ বহু কৰ্মচাৰী উপস্থিত থাকে। সকলোৰে সহযোগিতাত অনুষ্ঠানটো সফলভাৱে সম্পন্ন হয়।

# হাজোৰ বিষ্ণুৰাম মেধি সামূহিক স্বাস্থ্য কেন্দ্ৰৰ নৱনিৰ্মিত পৰীক্ষাগাৰ উদ্বোধন

**অসম বাৰ্তা, হাজো, ১১ জুন ঃ** বৃহত্তৰ হাজো অঞ্চলৰ স্বাস্থ্য খণ্ডৰ আন্তঃগাঁথনি উন্নয়নৰ দিশত আজি এক গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰা হয়। হাজোৰ বিষ্ণুৰাম মেধি সামূহিক স্বাস্থ্য কেন্দ্ৰৰ নৱনিৰ্মিত আধুনিক পৰীক্ষাগাৰটো (Laboratory) আজি আনুষ্ঠানিকভাৱে ফিতা কাটি শুভ উদ্বোধন কৰে হাজো-শুৱালকুছি সমষ্টিৰ বিধায়ক প্ৰকাশ চন্দ্ৰ দাসে। পৰীক্ষাগাৰটো উদ্বোধন কৰি বিধায়কগৰাকীয়ে ভাষণ প্ৰসংগত কয় যে, স্বাস্থ্য ক্ষেত্ৰত এই নৱনিৰ্মিত পৰীক্ষাগাৰটোৱে সমগ্ৰ অঞ্চলবাসীক উন্নত চিকিৎসা সেৱা প্ৰদান কৰাৰ লগতে অতি ক্ষিপ্ৰতাৰে ৰোগীসকলৰ স্বাস্থ্য পৰীক্ষা সম্পন্ন কৰাত ব্যাপক সহায় কৰিব। এই শুভক্ষণত তেওঁ চিকিৎসালয়খনৰ সমূহ চিকিৎসক আৰু স্বাস্থ্য কৰ্মীক অত্যন্ত নিষ্ঠা তথা সততাৰে মানৱ সেৱাত ব্ৰতী হ'বলৈ আহ্বান জনায়। ইয়াৰ উপৰিও, চৰকাৰীভাৱে যোগান ধৰা বিনামূলীয়া চিকিৎসা সেৱাৰ পৰা যাতে কোনো এজনো দৰিদ্ৰ তথা আৰ্তজন বঞ্চিত হ'বলগীয়া নহয়, তাৰ প্ৰতি বিশেষ চকু দিবলৈ তেওঁ চিকিৎসালয় কৰ্তৃপক্ষক অনুৰোধ জনায়। লগতে অনাগত দিনত বিষ্ণুৰাম মেধি সামূহিক স্বাস্থ্য কেন্দ্ৰ ২০০খন বিছনাযুক্ত হস্পিটেললৈ উন্নত কৰা হ'ব বুলিও আশ্বাস প্ৰদান কৰে। আনহাতে বৰ্তমান স্বাস্থ্য কেন্দ্ৰটোত ডাক্তৰ, নাৰ্চৰ লগতে চাফাই কৰ্মীৰ অভাৱত সৃষ্টি হোৱা সমস্যাৰ অতি শীঘ্ৰেই সমাধান কৰা হ'ব বুলিও জনায়। মহকুমা স্বাস্থ্য বিষয়া ডাঃ মাচুদ ইকবালৰ আদৰণি ভাষণেৰে আৰম্ভ হোৱা আজিৰ এই উদ্বোধনী অনুষ্ঠানত বিজেপি পঞ্চতীৰ্থ মণ্ডলৰ সভাপতি কল্যাণ দাস, চিকিৎসালয়খনৰ চিকিৎসক-কৰ্মচাৰীবৃন্দলগতে অঞ্চলটোৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# বহিৰাজ্যত কৰ্ম কৰিবলৈ দুসপ্তাহত মৃত শৰীৰ ঘূৰি আহিল সৰুপথাৰৰ মহেশ চৰেণৰ

## পথ দুৰ্ঘটনাত মৃত্যু যুৱকজনৰ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, সৰুপথাৰ, ১১ জুন ঃ** বহিৰাজ্যত কৰ্ম কৰিবলৈ গৈ পথ দুৰ্ঘটনাত প্ৰাণ হেৰুৱালে সৰুপথাৰ সমজিলাৰ অন্তৰ্গত লতাজুৰি গাঁৱৰ মহেশ চৰেণ নামৰ এজন ৩১বছৰীয়া যুৱকে। জানিব পৰা তথ্য মতে আজিৰ পৰা দুসপ্তাহ পূৰ্বে মহেশ চৰেণ নামৰ যুৱকজনে তামিলনাডুত এটি কোম্পানীত কাম কৰিবলৈ সৰুপথাৰৰ পৰা ৰাওনা হৈছিল। কিন্তু মহেশৰ কোম্পানীত কাম কৰা সপোন পুৰণ নহল। কামত জইন কৰি মাত্ৰ এটি সপ্তাহ অতিক্ৰম কৰিছিলহে মহেশে কৰ্মৰত স্থানৰ পৰা বাহিৰলৈ ওলাই আহোঁতেই আকস্মিকভাৱে পথ দুৰ্ঘটনাত প্ৰাণ হেৰুৱালে। আজি বিয়লি ৩ বজাত মহেশৰ মৃত শৰীৰ মুখ্যমন্ত্ৰীৰ শ্ৰদ্ধাঞ্জলি আঁচনিৰ জৰিয়তে সম্পুৰ্ণ চৰকাৰী খৰচত নিজৰ বাসগৃহ পালেহি। মহেশৰ শৰীৰ আহি পোৱাৰ লগে-লগেই পৰিয়ালৰ লোকৰ মাজত কান্দোনৰ ৰোল উঠে। দৰিদ্ৰ পৰিয়ালটোৰ আৰ্থিক দুৰৱস্থা দুৰ কৰিবৰ বাবেই মহেশে কোম্পানীত কাম কৰিবৰ বাবে ওলাই গৈছিল। কিন্তু নিষ্ঠুৰ নিয়তিয়ে সেইয়া সম্ভৱ হবলৈ নিদিলে। অৱশেষত মহেশৰ মৃত শৰীৰ শ্ৰদ্ধাঞ্জলি আঁচনিৰ জৰিয়তে চৰকাৰে নিজা খৰচত আনি দিয়াৰ ব্যৱস্থা কৰি দিয়াৰ বাবে অসম চৰকাৰ আৰু ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক পৰিয়ালৰ লোকে ধন্যবাদ জনাইছে।

## স্বচ্ছতা, গুণগত মান আৰু সময়মতে প্ৰকল্প ৰূপায়ণৰ ওপৰত গুৰুত্ব আৰোপ

# কামৰূপ জিলাৰ উন্নয়ন সমিতিৰ বৈঠকৰ পৰ্যালোচনা অভিভাৱক মন্ত্ৰী অজন্তা নেওগৰ




**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১১ জুন ঃ** কামৰূপ জিলাৰ আমিনগাঁৱস্থিত সংহত জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত বুধবাৰে অনুষ্ঠিত জিলা উন্নয়ন সমিতি (DDC)ৰ পৰ্যালোচনা বৈঠকত সভাপতিত্ব কৰে অসম চৰকাৰৰ মহিলা আৰু শিশু বিকাশ আৰু পৰ্যটন বিভাগৰ মন্ত্ৰী তথা কামৰূপ জিলাৰ নৱনিযুক্ত অভিভাৱক মন্ত্ৰী অজন্তা নেওগে। বৈঠকত মন্ত্ৰী নেওগে জিলাখনত চলি থকা বিভিন্ন উন্নয়নমূলক আঁচনি আৰু প্ৰকল্পসমূহৰ অগ্ৰগতিৰ বুজ লয়। ইয়াৰ লগতে মন্ত্ৰী গৰাকীয়ে সুশাসন আৰু দ্ৰুত সেৱা নিশ্চিত কৰাৰ লক্ষ্যৰে তেওঁ বিষয়াসকলক সকলো প্ৰস্তাৱ ২৪ ঘণ্টাৰ ভিতৰত নিষ্পত্তি কৰাৰ লগতে কোনো কাম অমীমাংসিত কৰি নাৰাখিবলৈ নিৰ্দেশ দিয়ে। তেওঁ লগতে কয় যে উন্নয়নমূলক কাম-কাজ নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত সম্পূৰ্ণ হোৱাটো নিশ্চিত কৰিব লাগিব বুলি কয়। ইয়াৰ উপৰিও চৰকাৰী আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত স্বচ্ছতা, জবাবদিহিতা আৰু গুণগত মান বজাই ৰখাৰ ওপৰতো বিশেষ গুৰুত্ব আৰোপ কৰাৰ লগতে কোনো পৰিস্থিতিতেই উন্নয়নমূলক কামৰ মানদণ্ডৰ সৈতে আপোচ নকৰিবলৈ তেওঁ বিষয়াসকলক স্পষ্ট নিৰ্দেশনা প্ৰদান কৰে। অভিভাৱক মন্ত্ৰীগৰাকীয়ে উন্নয়নমূলক কাৰ্যকলাপ আৰু সমষ্টিভিত্তিক অগ্ৰগতিৰ তথ্য নিয়মীয়াকৈ সংশ্লিষ্ট বিধায়কৰ সৈতে যোগা-যোগ ৰাখিবলৈও নিৰ্দেশ দিয়ে, যাতে উন্নত সমন্বয় আৰু ফলপ্ৰসু নিৰীক্ষণ নিশ্চিত হয়। বৈঠকত কমলপুৰ সমষ্টিৰ বিধায়ক দিগন্ত কলিতা, ছমৰীয়া সমষ্টিৰ বিধায়ক ৰেকিবুদ্দিন আহমেদ, হাজো-শুৱালকুছি সমষ্টিৰ বিধায়ক প্ৰকাশ চন্দ্ৰ দাস, কামৰূপৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰ, জ্যেষ্ঠ আৰক্ষী অধীক্ষক সুভাশীষ বৰুৱা, কামৰূপ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া সিদ্ধাৰ্থ গোস্বামী, জিলা উন্নয়ন আয়ুক্ত সুশান্ত কুমাৰ দত্ত, অতিৰিক্ত জিলা আয়ুক্তসকল, সমজিলা আয়ুক্তসকল, সহকাৰী আয়ুক্তসকল তথা বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকল উপস্থিত থাকে।

**NAME CORRECTION**

Swarn before Notary Public at Majuli on 30-10-2025, that in my RPLI Postal Policy bearing Policy No. R-AS-EA-292201, date of entry 02-MAR-2011, my name has been recorded as MEGHALI DOLEY. But after my marriage with Dimbeswar Chandi I use to write my surname as CHANDI i.e. MEGHALI CHANDI, which is recorded as same in my Aadhaar Card bearing Aadhaar No. 4749 1114 3283. Both MEGHALI DOLEY and MEGHALI CHANDI is the same name and i.e. myself. Applying for correction at the appropriate authority.

MEGHALI CHANDI
C.O.- Dimbeswar Chandi
R.O.- Chenimora Kangkur, Dhunaguri, P.O.- Bahgora Deurigaon, P.S.- Bihpuria, Pin No.- 784161, Dist- Lakhimpur, Assam

AB-83/2026

**LOST**

I am Eyasher Arafat, Son of Fakar Uddin Ali Ahmed, Vill & P.O.- Golibandha, P.S.- Sarthebari, Dist- Barpeta, Assam have lost my HS Registration Card bearing Registration No.- 288203/2025-26.

AB-84/2026

# চলন্ত ই-ৰিস্কাৰ পৰা পৰি কৰুণ মৃত্যু মাজুলীৰ ৬ বছৰীয়া কন্যা শিশুৰ

**অসম বাৰ্তা, উজনী মাজুলী, ১১ জুন ঃ** এক শোকাৱহ পথ দুৰ্ঘটনাত প্ৰাণ হেৰুৱালে মাজুলীৰ এগৰাকী ছয় বছৰীয়া কন্যা শিশোৱে। বিদ্যালয়ৰ জৰুৰী কামৰ বাবে আধাৰ কাৰ্ড সংযোগ কৰিবলৈ গৈ থকা অৱস্থাত সংঘটিত এই মৰ্মান্তিক ঘটনাই সমগ্ৰ অঞ্চলজুৰি শোকৰ ছাঁ পেলাইছে। মৃত কণমানি গৰাকী মাজুলীৰ শালমাৰি অঞ্চলৰ পৱিত্ৰ কুলি আৰু মণি কুলিৰ ছয় বছৰীয়া কন্যা দিশা কুলি বুলি জানিব পৰা গৈছে। প্ৰাপ্ত তথ্য অনুসৰি, বিদ্যালয়ৰ পৰা জৰুৰীভাৱে আধাৰ কাৰ্ড জমা দিবলৈ কোৱাত মাক মণি কুলিয়ে কণমানি কন্যাক লগত লৈ আজি প্ৰথমে মাজুলীৰ নতুন বজাৰস্থিত আধাৰ কেন্দ্ৰলৈ গৈছিল। কিন্তু কেন্দ্ৰটোত অত্যধিক ভিৰ থকাৰ লগতে সেইদিনাই আধাৰ সংযোগৰ অন্তিম দিন বুলি জানিব পাৰি তেওঁলোক ঢকুৱাখনালৈ ৰাওনা হয়। ঢকুৱাখনালৈ যোৱাৰ পথত সোণাৰিচাপৰি অঞ্চলত এক শোকাৱহ ঘটনা সংঘটিত হয়। চলন্ত ই-ৰিস্কাৰ পৰা হঠাতে পৰি যায় কণমানি দিশা কুলি। ফলত শিশুগৰাকী গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। ততাতৈয়াকৈ চিকিৎসালয়লৈ নিছিল যদিও চিকিৎসকে তেওঁক মৃত বুলি ঘোষণা কৰে। এই ঘটনাই সমগ্ৰ অঞ্চলত গভীৰ শোকৰ ছাঁ পেলাইছে। একপ্ৰকাৰে আধাৰ কাৰ্ড সংযোগৰ সময়সীমাৰ হেঁচাৰ বাবেই এটি নিষ্পাপ শিশুৰ অকাল মৃত্যুক লৈ বিভিন্ন মহলত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। কণমানি দিশাৰ মৃত্যুত শোকস্তব্ধ হৈ পৰিছে পৰিয়ালৰ লগতে স্থানীয় ৰাইজ।

# ১২ বছৰীয়া শাসনকালৰ সফলতাক সন্মান; ধিৰাইমাজুলীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক অভিনন্দন জনাই বৃহৎ সভা

## প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কাৰ্যকালত দেশৰ প্ৰগতিৰ লগতে শান্তি স্থাপিত হৈছে ঃ ঋতুবৰণ শৰ্মা

**অসম বাৰ্তা, ঢেকীয়াজুলি, ১১ জুন ঃ** শোণিতপুৰ জিলাৰ অন্তৰ্গত ঢেকীয়াজুলি ৰাজহচক্ৰ এলেকাৰ ধিৰাই মাজুলী গাঁৱত আজি ভাৰতীয় জনতা পাৰ্টিৰ বৰছলা সমষ্টিৰ ঠেলামৰা, মিছামাৰী আৰু বিহগুৰি তিনিওটা মণ্ডল সমিতিৰ যৌথ উদ্যোগত এক বৃহৎ ৰাজহুৱা অভিনন্দন সভা অনুষ্ঠিত হয়। উল্লেখ্য যে ভাৰতৰ গণতান্ত্ৰিক ইতিহাসত একেৰাহে ১২ বছৰ ধৰি প্ৰধানমন্ত্ৰীৰ দায়িত্ব সফলতাৰে পালন কৰি সৰ্বাধিক দিন হিচাপে ৪৩৯৯ দিন দেশৰ উন্নয়ন আৰু জনকল্যাণমূলক কাৰ্যসূচীৰ জৰিয়তে নতুন দিশ প্ৰদান কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ উষ্ম আৰু হৃদয়পূৰ্বক অভিনন্দন জনোৱাৰ উদ্দেশ্যেৰে এই সভাৰ আয়োজন কৰা হয়। আজিৰ অনুষ্ঠানত ৬৬ নং বৰছলা বিধানসভা সমষ্টিৰ বিধায়ক ঋতুবৰণ শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকি এক গুৰুত্বপূৰ্ণ ভাষণ আগবঢ়ায়। ভাষণত তেওঁ প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বত দেশত ৰূপায়িত বিভিন্ন উন্নয়নমূলক আঁচনি, আত্মনিৰ্ভৰ ভাৰত অভিযান, পৰিকাঠামোগত উন্নয়ন, ডিজিটেল ভাৰত আৰু জনকল্যাণমূলক পদক্ষেপসমূহৰ বিষয়ে বিশদভাৱে আলোকপাত কৰে। লগতে তেওঁ দেশৰ সামগ্ৰিক বিকাশত প্ৰধানমন্ত্ৰীৰ অৱদানৰ শলাগ লয়। ভাৰতীয় জনতা পাৰ্টিৰ ঠেলামৰা মণ্ডল সমিতিৰ সভাপতি জীৱন পাঠকৰ সভাপতিত্বত অনুষ্ঠিত সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে মণ্ডল সমিতিৰ সম্পাদক কনৰ কুৰ্মী দেৱে। তেওঁ প্ৰধানমন্ত্ৰী মোদীৰ ১২ বছৰীয়া শাসনকালত দেশত সংঘটিত বিভিন্ন ঐতিহাসিক পদক্ষেপ আৰু উন্নয়নমূলক কাৰ্যসূচীৰ বিষয়ে উল্লেখ কৰি উপস্থিত লোকসকলক সম্বোধন কৰে। সভাখনত ভাৰতীয় জনতা পাৰ্টিৰ মিছামাৰী মণ্ডলৰ সভাপতি শিৱ চৰণ গোৱালা, বিহগুৰি মণ্ডলৰ সভাপতি অতুল কুমাৰ নাথ, জিলা উপ সভাপতি মুকুল সুত, ঠেলামৰা জিলা পৰিষদৰ সদস্য শিৱ চৰণ চাহু, মিছামাৰী জিলা পৰিষদৰ সদস্যা দুলুমণি বৰা দাসৰ লগতে দলৰ বহু জ্যেষ্ঠ নেতা-কৰ্মী আৰু সমৰ্থক উপস্থিত থাকে। অনুষ্ঠানত উপস্থিত বক্তাসকলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত দেশৰ অৰ্থনীতি, পৰিকাঠামো, কৃষি, শিক্ষা আৰু সামাজিক উন্নয়নৰ ক্ষেত্ৰত লাভ কৰা সাফল্যৰ বিষয়ে আলোচনা কৰে। সভাৰ শেষত প্ৰধানমন্ত্ৰীৰ সুস্বাস্থ্য আৰু দীঘলীয়া জীৱন কামনা কৰি উপস্থিত সকলে শুভেচ্ছা জ্ঞাপন কৰে। উক্ত অভিনন্দন সভাই সমগ্ৰ অঞ্চলটোত এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি কৰাৰ লগতে বিজেপি কৰ্মী-সমৰ্থকসকলৰ মাজত ব্যাপক উৎসাহৰ সঞ্চাৰ কৰা পৰিলক্ষিত হয়।

## মন্ত্ৰী তেলীৰ উপস্থিতিত ললিতা কানৈ ফাউণ্ডেশ্যনৰ ২ লাখ টকা ডিব্ৰু মহাবিদ্যালয়লৈ অনুদান

# ইউপিএছচিত সফলতা লাভ কৰা ছাত্ৰ-ছাত্ৰীৰ বাবে সুখবৰ

**অসম বাৰ্কা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১১ জুন ঃ** ডিব্ৰুগড় অঞ্চলৰ পৰা ইউনিয়ন পাব্লিক চাৰ্ভিচ কমিচন (ইউ পি এছ চি) অসামৰিক সেৱা পৰীক্ষাত সফল হোৱা প্ৰাৰ্থীৰ সংখ্যা হ্ৰাস পোৱাৰ পৰিপ্ৰেক্ষিতত ডিব্ৰুগড়ৰ জ্যোতি ললিতা কানৈ ফাউণ্ডেশ্যনে এক গুৰুত্বপূৰ্ণ আৰু দূৰদৰ্শী পদক্ষেপ গ্ৰহণ কৰিছে। মেধাৱী ছাত্ৰ-ছাত্ৰী সকলক উৎসাহিত কৰাৰ উদ্দেশ্যে ফাউণ্ডেশ্যনে ডিব্ৰু মহাবিদ্যালয়ৰ সৈতে এক বুজাবুজি চুক্তি স্বাক্ষৰ কৰাৰ লগতে ২ লাখ টকাৰ এক কৰ্পাছ ফাণ্ড স্থাপন কৰিছে। ফাউণ্ডেশ্যন ন্যাসৰ জ্যোতি কানৈয়ে জনোৱা মতে, ২০২৫ চনত অঞ্চলটোৰ পৰা ৭জন প্ৰাৰ্থীয়ে ইউপিএছচি পৰীক্ষাত সফলতা লাভ কৰিছিল যদিও ২০২৬ চনত এই সংখ্যা হ্ৰাস পাই মাত্ৰ ৩ জনলৈ সীমাবদ্ধ হয়। এই উদ্বেগজনক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি যুৱ প্ৰজন্মৰ মাজত প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰতি আগ্ৰহ আৰু প্ৰেৰণা বৃদ্ধি কৰাৰ উদ্দেশ্যে এই আঁচনি গ্ৰহণ কৰা হৈছে। অসম চৰকাৰৰ আদিবাসী কল্যাণ, শ্ৰম কল্যাণ আৰু ৰূপান্তৰ তথা উন্নয়ন বিভাগৰ মন্ত্ৰী ৰামেশ্বৰ তেলীৰ প্ৰেৰণাত আৰম্ভ কৰা এই আঁচনিৰ অধীনত ভৱিষ্যতে ইউপিএছচিৰ দৰে সন্মানীয় পৰীক্ষাত সফল হোৱা ছাত্ৰ-ছাত্ৰী সকলক নগদ পুৰস্কাৰ আৰু প্ৰশংসাপত্ৰ প্ৰদান কৰা হ'ব। এই পদক্ষেপক স্থায়ী ৰূপ দিয়াৰ উদ্দেশ্যে ফাউণ্ডেশ্যনে ২(দুই) লাখ টকাৰ কৰ্পাছ ফাণ্ড গঠন কৰিছে। ইয়াৰ অংশ হিচাপে দুলীয়াজানত অনুষ্ঠিত এক অনুষ্ঠানত মন্ত্ৰী ৰামেশ্বৰ তেলীৰ উপস্থিতিত ফাউণ্ডেশ্যনৰ তৰফৰ পৰা ২ লাখ টকাৰ চেক ডিব্ৰু মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰঞ্জন চাংমাই আৰু উপাধ্যক্ষা ড° অদিতি বৰুৱাক আনুষ্ঠানিক ভাৱে প্ৰদান কৰা হয়। ফাউণ্ডেশ্যনৰ প্ৰতিনিধিসকলে আশা প্ৰকাশ কৰে যে এই ব্যতিক্ৰমী অংশীদাৰিত্বই অঞ্চলটোৰ যুৱসকলক ডাঙৰ সপোন দেখিবলৈ আৰু সেই সপোন বাস্তৱায়িত কৰিবলৈ অধিক উৎসাহিত কৰিব। লগতে এই পদক্ষেপে শিক্ষা ক্ষেত্ৰৰ মান উন্নয়ন, মেধাৱী ছাত্ৰ-ছাত্ৰী সকলক উপযুক্ত স্বীকৃতি প্ৰদান আৰু ভৱিষ্যতৰ দক্ষ প্ৰশাসনিক বিষয়া গঢ়ি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।

# ডিগবৈ সমষ্টিৰ সৰ্বাঙ্গীণ বিকাশ আৰু উন্নয়নৰ পৰিকল্পনা

**অসম বাৰ্তা বিশেষ, পেঙেৰী, ১১ জুন ঃ** যোৱা ৯ জুন তাৰিখে 'ডিগবৈ জুবিলি কমপ্লেক্সত অনুষ্ঠিত ডিগবৈ বিধান সভা সমষ্টিৰ সৰ্বাঙ্গীণ বিকাশ আৰু উন্নয়ন সন্দৰ্ভত বিধায়কৰ বিশেষ নাগৰিক সভাত ডিগবৈৰ এগৰাকী নাগৰিক, বিশিষ্ট চিকিৎসক ডঃ ননি গোপাল সিংহই ডিগবৈ উন্নয়ন সন্দৰ্ভত কেইবাটাও প্ৰাসঙ্গিক প্ৰস্তাৱ আগবঢ়ায়। বিধায়ক সুৰেন ফুকন আৰু কেবিনেট মন্ত্ৰী ৰামেশ্বৰ তেলীৰ উপস্থিতিত অনুষ্ঠিত নাগৰিক সভাত বিশিষ্ট চিকিৎসকগৰাকীয়ে কয় যে ঐতিহাসিকভাৱে খ্যাত আই অ'চি হাস্পতালৰ ব্লাড বেংকটো কেইবাবছৰ ধৰি নবীকৰণ (ৰিনিউৱেল) কৰা নহ'ল বাবে তেজৰ অভাৱৰ হেতু সংকটজনক অৱস্থাত ৰোগীসকলক তিনিচুকীয়া অথবা ডিব্ৰুগড়লৈ ৰেফাৰ কৰিব লগা হোৱাত অঘটন সংঘটিত হোৱাৰ উদাহৰণ নগণ্য নহয়। 'গতিকে কোম্পানী হাস্পতালৰ উক্ত ব্লাড বেংকটোকে হয় ৰিনিউৱেল কৰি পূৰ্ণাঙ্গ ৰূপ দিয়ক, নহয় ডিগবৈত সুকীয়াকৈ এটা ব্লাড বেংক নিৰ্মাণ কৰক। কাৰণ এটা অঞ্চলত এটাই ব্লাডবেংক থাকে'। তেওঁ কয়। আই অ' চি হাস্পতালত চিকিৎসা ব্যয় অত্যধিক হোৱাত উদ্বেগ প্ৰকাশ কৰে চিকিৎসকগৰাকীয়ে। তেওঁ কয় যে অইল ইণ্ডিয়াৰ হাস্পতালৰ তুলনাত আই অ' চি হাস্পতালৰ চিকিৎসা ব্যয় দুগুণ অধিক। এক মাৰ্জিত চিকিৎসা ব্যয় নিৰ্দ্ধাৰণৰ ব্যৱস্থা কৰি ৰোগীসমাজক ন্যাৰ্যতা প্ৰদান কৰিবলৈকো তেওঁ পৰামৰ্শ আগবঢ়ায়। একেদৰে সৰ্বসাধাৰণ ৰোগীয়ে ন্যূনতম চিকিৎসাৰ পৰাও বঞ্চিত হোৱা ডিগবৈ সামূহিক স্বাস্থ্য কেন্দ্ৰটি উপযুক্ত ৰূপত গঢ় দিবলৈকো প্ৰস্তাৱ আগবঢ়ায়। তেওঁ অতি উষ্মাৰে কয় যে তেল কোম্পানীটোৱে ডিগবৈৰ ধৰ্মীয় অনুষ্ঠান-প্ৰতিষ্ঠানৰ নামত তাহানি কালতে উৰ্চ্ছা কৰা ভূমিৰ অধিকাৰ আজিও ত্যাগ নকৰাটোও আশ্চৰ্যজনক কথা। উক্ত অনুষ্ঠানসমূহত সম্প্ৰসাৰণৰ কথা আহিলেই কোম্পানীৰ শৰণাগত হ'ব লগা হয়। এনে ক্ষেত্ৰত অনুমতি লোৱাৰ যুক্তিযুক্ততা ক'ত বুলিও তেওঁ প্ৰশ্ন উত্থাপন কৰে। 'আই অ' চি এল প্ৰ'পাৰ্টী, ট্ৰেস্পাছিং উইল বি প্ৰহিবিটেড' বুলি ব্ৰীটিছ যুগৰ ফলকসমূহ আজিও ডিগবৈৰ অ'ত-ত'ত প্ৰত্যক্ষ হোৱা বিষয়টোৱে মন-মগজুত বৰকৈ আমনি দিয়ে বুলিও তেওঁ উদ্বেগ প্ৰকাশ কৰে। যুগ সাপেক্ষে উক্ত ফলকসমূহ আঁতৰাই পেলোৱাৰ ব্যৱস্থা কৰিব লাগে বুলিও ডঃ সিংহই মন্তব্য কৰে। সৰ্বভাৰতীয় পৰ্যায়ৰ কোম্পানী আই অ' চিৰ নিযুক্তিকালত সততে উত্থাপিত অভিযোগটোৰেই হৈছে বহিৰাগত প্ৰাৰ্থীক অগ্ৰাধিকাৰ দিয়া বিষয়টো। এই সন্দৰ্ভত তেওঁ কয় 'উক্ত সমস্যাটোৰ স্থায়ী সমাধানৰ বাবে এনে এক নীতি নিৰ্ধাৰণ কৰক, য'ত স্থানীয় প্ৰাৰ্থীৰ বাবে পূৰ্বনিৰ্ধাৰিত আসন সংৰক্ষণৰ শতকৰা হিচাপত ব্যৱস্থা থাকিব।' পূৰ্বতে ৭/৮ হাজাৰ কৰ্মচাৰীৰে চলা আই অ' চিত আধুনিকীকৰণৰ পাছত এতিয়া মাত্ৰ এহাজাৰ কৰ্মচাৰীৰে কাম চলিছে। হাজাৰ হাজাৰ লোকৰ আৱাসগৃহৰ নামত বন্দী হৈ থকা ভূমিসমূহ খালি হৈ যোৱাৰ পাছত মুকলি হোৱা মাটিসমূহ সৎ কামত ব্যৱহাৰ কৰিব লাগে বুলি পৰামৰ্শ আগবঢ়োৱাৰ লগতে ডিগবৈত 'স্পৰ্ট ছ এছ'চিয়েচন অব ইণ্ডিয়া'ৰ কেন্দ্ৰ খুলি ক্ৰীড়া প্ৰতিভাসমূহ বিকাশৰ চেষ্টা চলোৱা উচিত বুলিও কয়। উল্লেখ্য যে আই অ' চিৰ শ্বিলং ৰ'ড নামৰ অঞ্চলটো সৰ্বসাধাৰণৰ বাবে নিষিদ্ধ এলেকা ঘোষিত হোৱাৰ বাবেই সেই পথত প্ৰৱেশৰ বাবে আই অ' বিষয়াৰ হাতে-ভৰিয়ে ধৰিব লাগে। উক্ত জটিলতা আঁতৰাই প্ৰৱেশৰ ক্ষেত্ৰত শিথিলতা অৱলম্বন কৰিব লাগে বুলিও মনৰ ভাৱ প্ৰকাশ কৰে। কাৰণ, সাধাৰণ আই কাৰ্ড প্ৰদৰ্শন কৰি নেপাল-ভূটানৰ দৰে চুবুৰীয়া দেশত প্ৰৱেশ কৰিব পাৰি বুলিও তেওঁ যুক্তি দৰ্শায়। ডিগবৈত এটা কম্পিউটাৰ ভিত্তিক পৰীক্ষা কেন্দ্ৰ স্থাপন কৰিবলৈকো বিধায়ক ফুকনৰ প্ৰতি চিকিৎসকগৰাকীয়ে পৰামৰ্শ আগবঢ়ায়। কাৰণ, সীমান্তবৰ্তী ছাত্ৰ-ছাত্ৰীয়ে বহু নিলগত থকা ডিব্ৰুগড় জিলাৰ লাহোৱাল ক'লেজলৈ গৈ কম্পিউটাৰ ভিত্তিক প্ৰতিযোগিতামূলক পৰীক্ষাসমূহ দিবগৈ লাগে। একেদৰে বিত্তিমূলক পৰীক্ষাৰ বাবে ডিগবৈত এটা ক'ছিং চেণ্টাৰ স্থাপনৰ পৰামৰ্শ আগবঢ়োৱা চিকিৎসক ডঃ ননি গোপাল সিঙহই আৰু সংযোগ কৰি কয় যে ৰাজহুৱা সভা-সমিতি অনুষ্ঠিত কৰিবৰ বাবে ডিগবৈবাসীয়ে আই অ' চি নিৰ্ভৰ হ'ব লগা হয়। গতিকে ডিগবৈত এটা স্বতন্ত্ৰীয়া ৰাজহুৱা প্ৰেক্ষাগৃহৰো অতিব প্ৰয়োজন বুলি যুক্তি দাঙি ধৰে।

প্ৰতিৰোধৰ কাম ক্ষিপ্ৰতৰ কৰাৰ নিৰ্দেশ

## নগাঁও জিলাৰ খহনীয়া পীড়িত হাতীমূৰা অঞ্চল জিলা আয়ুক্তৰ পৰিদৰ্শন



**অসম বাৰ্তা, পুৰণিগুদাম, ১১ জুন ঃ** নগাঁও জিলাৰ আয়ুক্ত দেৱাশিস শৰ্মাই হাতীমূৰাৰ ব্ৰহ্মপুত্ৰ নদীৰ খহনীয়া অঞ্চল পৰিদৰ্শন কৰে। পৰিদৰ্শন কালত জিলা আয়ুক্তই জলসম্পদ বিভাগে হাতত লোৱা খহনীয়া প্ৰতিৰোধমূলক কাম-কাজৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। তেওঁ নগাঁও জলসম্পদ সংমণ্ডলৰ বিষয়াবৰ্গৰ সৈতে খহনীয়া ৰোধ কৰাত দেখা দিয়া সমস্যা আৰু তাৰ প্ৰতিকাৰ সম্পৰ্কত গুৰুত্ব সহকাৰে আলোচনা কৰে। ক্ৰমাগত খহনীয়াৰ কবলত পৰা জনবসতি, কৃষিভূমি আৰু ৰাজহুৱা আন্তঃগাঁথনিৰ সুৰক্ষাৰো বুজ লয়। আয়ুক্তগৰাকীয়ে ক্ষতিগ্ৰস্ত ৰাইজৰ সুৰক্ষা নিশ্চিত কৰিবলৈ আৰু অধিক ভূমি ক্ষয় ৰোধ কৰিবলৈ সময়োপযোগী তথা কাৰ্যকৰী প্ৰশমনমূলক ব্যৱস্থা গ্ৰহণৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰে। লগতে খহনীয়া প্ৰৱণ স্থানসমূহত নিৰন্তৰ নিৰীক্ষণ চলাই থাকিবলৈ আৰু প্ৰয়োজনীয় সুৰক্ষামূলক কাম-কাজ ক্ষিপ্ৰতাৰে সম্পন্ন কৰিবলৈ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে। জিলা প্ৰশাসন সদায় খহনীয়া সম্পৰ্কীয় সমস্যাসমূহ সমাধান কৰিবলৈ আৰু ক্ষতিগ্ৰস্ত অঞ্চলৰ বাসিন্দাৰ সুৰক্ষা তথা কল্যাণ নিশ্চিত কৰিবলৈ সম্পূৰ্ণৰূপে দায়বদ্ধ বুলি শৰ্মাই স্পষ্ট কৰি দিয়ে। এই পৰিদৰ্শন কালত কলিয়াবৰ সমজিলা আয়ুক্ত ৰাজ বৰুৱা আৰু সহকাৰী আয়ুক্ত নীলোৎপল চেতিয়ায়ো তেওঁক সংগ দিয়ে।

## কৃতি ছাত্ৰীক আৰ্থিক সাহায্য আগবঢ়ালে 'অনুপমা অঞ্জলি' আলোচনীয়ে

**অসম বাৰ্তা, মিৰ্জা, ১১ জুন ঃ** সমাজসেৱামূলক কাৰ্যসূচীৰ ধাৰাবাহিকতা অব্যাহত ৰাখি 'অনুপমা অঞ্জলি' মাহেকীয়া আলোচনীৰ ফালৰ পৰা ২০২৬ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ হোৱা দুজনী ছাত্ৰীক আৰ্থিক সাহায্য আগবঢ়োৱা হয়। যোৱা বছৰৰ দৰে এই বৰ্ষতো শিক্ষাৰ ক্ষেত্ৰত উৎসাহ যোগোৱাৰ লক্ষ্যৰে এই বিশেষ পদক্ষেপ গ্ৰহণ কৰে আলোচনীখনৰ কৰ্তৃপক্ষই। হুদুমপুৰৰ ছাত্ৰী দুগৰাকীৰ বাসগৃহত আয়োজন কৰা এক সৰল অনুষ্ঠানত আৰ্থিক সাহায্য প্ৰদান কৰে 'অনুপমা অঞ্জলি' মাহেকীয়া আলোচনীৰ মুখ্য সম্পাদক শেৱালি দাস কলিতাই। উচ্চশিক্ষা গ্ৰহণৰ পথত যাতে আৰ্থিক অসুবিধাই বাধাৰ সৃষ্টি নকৰে, সেই উদ্দেশ্যে এই সাহায্য আগবঢ়োৱা বুলি তেওঁ উল্লেখ কৰে। এইবাৰ সাহায্য লাভ কৰা কৃতি ছাত্ৰী দুগৰাকী হৈছে গুঞ্জণা কলিতা আৰু স্মিতা ঠাকুৰীয়া। দুয়োগৰাকী ছাত্ৰীয়ে ২০২৬ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত সন্তোষজনক ফলাফল প্ৰদৰ্শন কৰি অঞ্চলটোৰ নাম উজলাই তুলিছে। শিক্ষাৰ ক্ষেত্ৰত তেওঁলোকৰ একাগ্ৰতা, অধ্যৱসায় আৰু সাফল্যক স্বীকৃতি জনাই এই আৰ্থিক সহায় আগবঢ়োৱা হয়। সাহায্য প্ৰদান অনুষ্ঠানত উপস্থিত আছিল ছাত্ৰী দুগৰাকীৰ মাতৃও। 'অনুপমা অঞ্জলি'ৰ এই মানৱীয় পদক্ষেপক তেওঁলোকে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে ছাত্ৰীসকলৰ ভৱিষ্যৎ শিক্ষাজীৱনৰ বাবে ই যথেষ্ট সহায়ক হ'ব বুলি মত প্ৰকাশ কৰে। উল্লেখ্য যে, শিক্ষা আৰু সমাজ উন্নয়নৰ ক্ষেত্ৰত 'অনুপমা অঞ্জলি' মাহেকীয়া আলোচনীয়ে বিভিন্ন সময়ত উল্লেখযোগ্য ভূমিকা পালন কৰি আহিছে। কৃতি আৰু আৰ্থিকভাৱে দুৰ্বল শিক্ষাৰ্থীসকলক উৎসাহিত কৰাৰ লক্ষ্যৰে গ্ৰহণ কৰা এনে পদক্ষেপে সমাজত ইতিবাচক বাৰ্তা প্ৰেৰণ কৰাৰ লগতে শিক্ষাৰ প্ৰতি নতুন প্ৰজন্মক অধিক অনুপ্ৰাণিত কৰিব বুলি সচেতন মহলে মত প্ৰকাশ কৰিছে।

## মাকৈ খেতিৰে স্বাৱলম্বী হোৱাৰ সপোন বাস্তৱ কৰিলে মাজুলীৰ এদল উদ্যমী যুৱকে

**অসম বাৰ্তা, মাজুলী, ১১ জুন ঃ** মাজুলীৰ চৰ চাপৰিত আজিৰ তাৰিখতো বহু হাজাৰ বিঘা মাটি আজিও চন পৰি আছে। মাজুলীৰ চৰ-চাপৰিৰ মাটিত এতিয়া স্বাৱলম্বী হোৱাৰ সপোন মাজুলীৰ যুৱকৰ। বিগত ৪০-৪৫ বছৰে এনেয়ে পৰি থকা অনুৰ্বৰ ভূমিত এতিয়া এক নতুন কৃষি বিপ্লৱৰ সূচনা হৈছে। মাকৈ খেতিৰ জৰিয়তে কেৱল মাজুলীৰে নহয়, সমগ্ৰ অসমৰ কৃষি বজাৰখনক চহকী কৰাৰ সপোন দেখিছে স্থানীয় এদল উদ্যমী যুৱকে। আৰম্ভণিতে মাকৈ খেতিৰ কোনো পূৰ্ব অভিজ্ঞতা নাছিল এইসকল যুৱকৰ। কিন্তু গুৱাহাটীৰ একাংশ বন্ধুৰ দিহা-পৰামৰ্শ আৰু অসম চৰকাৰৰ মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ৰ বিশেষ অথচ প্ৰত্যক্ষ তৎপৰতাত তেওঁলোকে আগবাঢ়ি আহে এক নতুন প্ৰত্যাহ্বান ল'বলৈ। মাজুলীৰ প্ৰাক্তন জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠক আৰু কৃষি বিভাগৰ এ.ডি.অ' ৰাজা ফুকনৰ প্ৰত্যক্ষ সহযোগিতাত অঞ্চলটোৰ ২১ গৰাকী নিবনুৱা যুৱক লগ হৈ গঠন কৰে 'সঞ্জীৱনী কৃষক গোট'। কৃষি বিভাগে তেওঁলোকক সময়মতে বীজ আৰু সাৰ যোগান ধৰি এই যাত্ৰাত সম্পূৰ্ণ সহায় কৰে। এইসকল যুৱকে প্ৰথম অৱস্থাত ১২০ বিঘা মাটিৰ পৰিকল্পনা কৰা হৈছিল যদিও কাৰিকৰী অসুবিধাৰ বাবে ৯০ বিঘা মাটিতে মাকৈ খেতি কৰিবলৈ সক্ষম হয়। প্ৰথমবাৰতে লাভ কৰা সফলতাই তেওঁলোকক ইমানেই উৎসাহিত কৰিছে যে অহা দিনত ২০০০ বিঘা মাটিত মাকৈ খেতি কৰাৰ লক্ষ্য স্থিৰ কৰিছে এই 'সঞ্জীৱনী কৃষক গোটে'। এই মাকৈ খেতিৰ পৰা কেৱল মাকৈ গুটিয়েই নহয়, বৰঞ্চ মাকৈৰ আটা, মাছ আৰু পশুধনৰ খাদ্য (Dana) আদি বিভিন্ন উপজাত সামগ্ৰী উৎপাদন কৰিব পৰা যায়। আনকি মাকৈৰ গছজোপাও গৰু-গাহৰিৰ খাদ্য হিচাপে ব্যৱহাৰ হয়, যাৰ বাবে এই খেতি সম্পূৰ্ণ লাভজনক বুলি কয় এই খেতিৰ লগত জড়িত এজন যুৱকে। তেওঁলোকৰ এই যাত্ৰাক আৰু আগবঢ়াই নিবলৈ অসমৰ কৃষি মন্ত্ৰী গৰাকীলৈ এক বিশেষ আহ্বান জনাইছে এইসকল মাজুলীৰ যুৱকে। বৰ্তমানৰ প্ৰতিকূল বতৰৰ বাবে মাকৈসমূহ শুকুৱাবলৈ মাজুলীত এটা 'ড্ৰায়াৰ' আৰু উৎপাদিত ফচল সংৰক্ষণৰ বাবে এটা 'ক'ল্ড ষ্ট'ৰেজ'ৰ ব্যৱস্থা কৰি দিবৰ বাবে তেওঁলোকে চৰকাৰক অনুৰোধ জনাইছে। বজাৰ নাই' বুলি নেতিবাচক চিন্তা মনলৈ নানিবলৈ তেওঁলোকে অসমৰ নতুন প্ৰজন্মৰ নিবনুৱা যুৱকসকলক আহ্বান জনাইছে। সঠিক মানসিকতাৰে আগবাঢ়িলে কৃষিক্ষেত্ৰৰ জৰিয়তে অসমতে স্বাৱলম্বী হোৱাটো যে ১০০ শতাংশই সম্ভৱ। তাকেই যেন প্ৰমাণ কৰি দেখুৱালে মাজুলীৰ এইসকল যুৱকে। এইসকল যুৱকে মাজুলী জিলা প্ৰশাসন আৰু মাজুলী জিলা কৃষি বিভাগক ধন্যবাদ জ্ঞাপন কৰে তেওঁলোকক এই খেতি কৰিবলৈ সহযোগিতা আগবঢ়োৱাৰ বাবেই আত্মনিৰ্ভৰশীল হোৱাৰ সপোন বাস্তৱত পৰিণত কৰিবলৈ সক্ষম হৈছে।

## মাজুলীৰ প্ৰবীন বিজেপি কৰ্মী, আদৰ্শ কৃষক প্ৰদীপ বৰাৰ (জিতেন) মৃত্যু

**অসম বাৰ্তা, উজনী মাজুলী, ১১ জুন ঃ** মাজুলী জিলাৰ নতুন চামগুৰি তিনিআলি নিবাসী, মাজুলী বিজেপি দলৰ প্ৰবীণ কৰ্মী, আদৰ্শ কৃষক, সৰ্বৱৰহী ব্যক্তি প্ৰদীপ বৰাৰ (জিতেন)৯জুনৰ ৰাতি প্ৰায় ১.১৫বজাত ৬৯ বছৰ বয়সত নিজা বাসগৃহত মৃত্যু হয়। পৰিয়ালৰ পৰা জানিব পৰামতে, তেওঁ প্ৰায় চাৰি মাহ ধৰি চিকিৎসাধীন হৈ আছিল, কালি ৰাতি তেওঁৰ অসুখ গুৰুতৰ হয় আৰু চিকিৎসালয়লৈ নিয়াৰ পূৰ্বেই মৃত্যুক সাৱটি লয়। অতি অমায়িক স্বভাৱৰ ব্যক্তি গৰাকীৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে অগণণ গুণমুগ্ধ তেওঁৰ বাসগৃহত উপস্থিত হৈ শেষ শ্ৰদ্ধা জ্ঞাপন কৰে আৰু আজি পুৱা শেষকৃত্য সম্পন্ন কৰা হয়। মাজুলী জিলাত বিজেপি দলৰ সাংগঠনিক ভেটি নাথাকোঁতেই তেওঁ মাজুলী জিলা বিজেপিৰ প্ৰাক্তন সভাপতি প্ৰমোদ বৰাৰ নেতৃত্বত গাৱে ভূঞে সংগঠনৰ ভেটি শক্তিশালী কৰিবলৈ ঘূৰি ফুৰিছিল। দলটোৰ আৰ্থিক অনাটনৰ সময়চোৱাত পকেটত ফুটাকড়ি এটা নোহোৱাকৈ চৰ-চাপৰি অঞ্চলত সংগঠন কৰিছিল। কিন্তু বিজেপি দল শাসনলৈ অহাৰ পিছত তেওঁৰ গুৰুত্ব কমি আহে আৰু দল এৰি কৃষি কৰ্মত ব্যস্ত হয়। তেওঁ এগৰাকী আদৰ্শ কৃষক হিচাপে অঞ্চলটোত সুনাম আছিল। বাৰ মাহত তেৰটা খেতি কৰাৰ উপৰিও বাহ-বেট আৰু পানী মেটেকাৰে বিভিন্ন সামগ্ৰী তৈয়াৰ আৰু বিক্ৰী কৰি দুই সন্তানক উচ্চ শিক্ষাৰে শিক্ষিত কৰে। আজি তেওঁৰ মৃত্যুৰ খবৰ পোৱাৰ পিছতেই মাজুলী জিলা বিজেপিৰ প্ৰাক্তন সভাপতি প্ৰমোদ বৰাৰ লগতে বহুতো প্ৰবীণ সদস্য বাসগৃহত উপস্থিত হৈ শোকসন্তপ্ত পৰিয়ালবৰ্গক সমবেদনা জ্ঞাপন কৰে। তেওঁৰ মৃত্যুত চামগুৰি সন্মিলিত যুৱক সংঘ, চামগুৰি নৱজ্যোতি মহিলা সমিতি, চামগুৰি প্ৰদীপ মইনা পাৰিজাত, ২৯নং চামগুৰি সত্ৰ অভ্যাসন বিদ্যালয়ে লোকসভা অনুষ্ঠিত কৰি বিদেহী আত্মাৰ সদগতি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে। তেওঁ মৃত্যুৰ সময়ত পত্নী, দুজন পুত্ৰ, দুজন ভাতৃ - বোৱাৰী আৰু ভতিজা ইহ সংসাৰত থৈ গৈছে।

## প্ৰাক্তন কৃতী ছাত্ৰ অনিল কুমাৰ বৰাৰ মৃত্যুত মাজুলী মহাবিদ্যালয়ৰ গভীৰ শোক

**অসম বাৰ্তা, মাজুলী, উজনী মাজুলী, ১১ জুন ঃ** মাজুলী মহাবিদ্যালয়ৰ প্ৰাক্ত কৃতী ছাত্ৰ, বিশিষ্ট নাট্যকাৰ, নামনি মাজুলী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ, কবি-সাহিত্যিক অনিল কুমাৰ বৰাৰ পৰলোকপ্ৰাপ্তি হোৱাৰ সংবাদ পোৱাৰ পাছতে আজি বিয়লি মহাবিদ্যালয়ত এখন শোকসভা অনুষ্ঠিত কৰা হয়। মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী গোটৰ উদ্যোগত আয়োজিত শোকসভাত সভাপতিত্ব কৰে অধ্যক্ষ ডঃ দেৱজিৎ শইকীয়াই কয়, "মাজুলীৰ বৌদ্ধিক সমাজৰ এগৰাকী সৰ্ববহী আৰু শ্ৰদ্ধেয় ব্যক্তি অনিল কুমাৰ বৰাৰ মৃত্যুত মাজুলীৰ শৈক্ষিক, সামাজিক আৰু সাহিত্য ক্ষেত্ৰখনৰ বৰ ক্ষতি সাধিত হ'ল। এগৰাকী গুণী প্ৰাক্তন ছাত্ৰ হিচাপে মাজুলী মহাবিদ্যালয়ক সকলো সময়তে সহযোগিতা কৰি যোৱা অনিল কুমাৰ বৰা আছিল নামনি মাজুলী অঞ্চলৰ মাধ্যমিক শিক্ষাক্ষেত্ৰখনৰ অন্যতম ভেটি নিৰ্মাতা।" সভাত মহাবিদ্যালয়ৰ প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়া, শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, শিক্ষক গোটৰ সম্পাদক সভাপতি ডঃ ব্ৰজেন চন্দ্ৰ নেওগ, উপ সভাপতি ডঃ ৰূপজ্যোতি বৰা, সম্পাদক ডঃ অনুপ কুমাৰ দলে, প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনৰ সম্পাদক তুলসী ৰাজখোৱা, মহিলা সৱলীকৰণ কোষৰ সভানেত্ৰী প্ৰণীতা ৰাজখোৱা, সম্পাদিকা ডঃ অনন্যা বৰুৱা, কৰ্মচাৰী গোটৰ সভাপতি দেৱজিৎ বৰুৱা, গ্ৰন্থাগাৰিক প্ৰদীপ চন্দ্ৰ দাস, সম্পাদক সদানন্দ ৰেগন প্ৰমুখ্যে লোকসকলে প্ৰাক্তন ছাত্ৰ, শিক্ষাবিদ বৰাৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰে। সভাত এক মিনিট সময় মৌনতা অৱলম্বন কৰি শোক প্ৰস্তাৱ গ্ৰহণ কৰা হয়। বিশিষ্ট শিক্ষাবিদগৰাকীৰ আকস্মিক বিয়োগৰ সংবাদ পাই মাজুলী মহাবিদ্যালয় অভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সমন্বয়ক বসন্ত বৰা, ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযানৰ মহাবিদ্যালয়ৰ সমন্বয়ক দেৱজ্যোতি খাটনিয়াৰ, প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনৰ সভাপতি সুৰেন্দ্ৰ নাথ মুদৈ, জ্যেষ্ঠ সহায়ক উৎপল বৰুৱা, মাজুলী জিলা সাংবাদিক সন্থাৰ সভাপতি দিবাকৰ শইকীয়া, সম্পাদক ডিম্বেশ্বৰ দত্ত, জিলা নাট্য সন্মিলনৰ সভাপতি ৰঞ্জিত কুমাৰ ভূঞা, মাজুলী জিলা ভাওনা সন্মিলনৰ সভাপতি প্ৰভাত বৰা বুঢ়াভকত, মাজুলী জিলা কবি সন্মিলনৰ সভাপতি যুগল হাজৰিকা, ৰূপবৰণ চিত্ৰকলা বিদ্যালয়ৰ অধ্যক্ষ দীপু বৰা, 'আপকু'ৰ ৰাজ্যিক উপ-সভাপতি জীৱন বৰুৱা, 'আপকু'ৰ মাজুলী জিলাৰ সমিতিৰ সভাপতি ৰঞ্জন বৰা, জিলা মইনা পাৰিজাতৰ সভাপতি খগেন হাজৰিকা প্ৰমুখ্য বিশিষ্ট ব্যক্তিসকলে গভীৰ শোক প্ৰকাশ কৰিছে।

## অৱশেষত ছীল কৰি দিয়া হ'ল বৰপেটাৰোডৰ গুদাম; পটলত বিষাক্ত পদাৰ্থ মিহলি

**অসম বাৰ্তা, বৰপেটাৰোড, ১১ জুন ঃ** বৰনগৰ ৰাজহ চক্ৰৰ চক্ৰ বিষয়া স্নেহা ভৰালী, বৰপেটাৰোডৰ খাদ্য সুৰক্ষা বিষয়া আৰু বৰপেটাৰোড আৰক্ষীৰ উপস্থিতিত ছীল কৰা হ'ল হাইদৰ আলীৰ নামৰ ব্যৱসায়ীৰ পটলৰ গুদাম। যোৱা কিছুদিন আগতে বৰপেটাৰোডৰ পাইকাৰী পাচলি বজাৰৰ এক ভয়ংকৰ কাণ্ড পোহৰলৈ আহিছিল সংবাদ মাধ্যমৰ তৎপৰতাত। পটলত মিলোৱা হৈছিল বিষাক্ত ৰাসায়নিক ৰং। হাইদৰ আলী নামৰ এজন অসাধু ব্যৱসায়ীৰ নেতৃত্বত দীৰ্ঘদিন ধৰিয়ে চলি আহিছিল এই ভয়ংকৰ কাণ্ড, মানুহৰ স্বাস্থ্যক লৈ হেতালি খেলি থকাৰ এই ভয়ংকৰ কাণ্ড পোহৰলৈ অহাৰ পিছতে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছিল বিভিন্ন দল সংগঠনে। অৱশেষত আজি ৰাতিপুৱা বৰপেটাৰোড পাইকাৰী পাচলি বজাৰত থকা হাইদৰ আলী নামৰ অসাধু ব্যৱসায়ীৰ গুদাম য'ত পটলত বিষাক্ত ৰাসায়নিক ৰং মিলোৱাৰ কাণ্ড সংঘটিত কৰি থকা হৈছিল উক্ত গুদামখন ছীল কৰি দিয়া হ'ল। বিভাগীয় কৰ্তৃপক্ষৰ এই বিশেষ পদক্ষেপক ধন্যবাদ জনাইছে সচেতন ৰাইজে।

## আমগুৰি পৌৰপতিক অসমীয়া যুৱ মঞ্চৰ স্মাৰক পত্ৰ প্ৰদান

**অসম বাৰ্তা, চেলেংহাট, ১১ জুন ঃ** অসমীয়া যুৱ মঞ্চই আজি আমগুৰি পৌৰসভাৰ পৌৰপতি অনামিকা বৈশ্য নেওগক সাক্ষাৎ কৰি আমগুৰি কনফাৰেন্স হল সন্দৰ্ভত এক স্মাৰক পত্ৰ প্ৰদান কৰে। অসমীয়া যুৱ মঞ্চৰ আঞ্চলিক শাখাৰ মুখ্য উপদেষ্টা আকাশ শইকীয়া, সভাপতি প্ৰাঞ্জল হাজৰিকা, সাধাৰণ সম্পাদক অংকুৰ গগৈ, যুটিয়া সহ-সম্পাদক বিজয় দাস আৰু জিকু দাস স্বাক্ষৰিত এই স্মাৰক পত্ৰত আমগুৰি পৌৰসভাৰ অন্তৰ্গত আমগুৰি হিন্দী স্কুলৰ ওপৰত থকা কনফাৰেন্স হলটো পুনৰুদ্ধাৰৰ দাবী জনোৱা হয়। স্মাৰক পত্ৰত উল্লেখ কৰা অনুসৰি বৰ্তমান কনফাৰেন্স হলটো সম্পূৰ্ণ জৰাজীৰ্ণ অৱস্থালৈ গতি কৰিছে। পূৰ্বৱৰ্তী সময়ত এই কনফাৰেন্স হলত আমগুৰিৰ বিভিন্ন গুৰুত্বপূৰ্ণ সভা-সমিতি অনুষ্ঠিত হৈছিল। বৰ্তমান সময়ত হলটো ব্যৱহাৰৰ অনুপযোগী হৈ পৰাত স্থানীয় ৰাইজে অসুবিধাৰ সন্মুখীন হৈছে বুলিও স্মাৰক পত্ৰত উল্লেখ কৰা হয়। আলোচনাৰ অন্তত। পৌৰপতিয়ে বিষয়টো গুৰুত্ব সহকাৰে লৈ উচিত ব্যৱস্থা গ্ৰহণৰ আশ্বাস প্ৰদান কৰে। সংগঠনটোৱে হলটো পুনৰ সংস্কাৰ কৰি সাধাৰণ ৰাইজৰ ব্যৱহাৰৰ উপযোগী কৰি তোলাৰ দাবী জনাইছে।

## সাতপখলী হাইস্কুলত দক্ষিণ কামৰূপ ছাত্ৰ সন্থাৰ ছাত্ৰ সংহতি দিৱস



**অসম বাৰ্তা, মিৰ্জা, ১১ জুন ঃ** দক্ষিণ কামৰূপ ছাত্ৰ সন্থাই ছাত্ৰ সংহতি দিৱস আজি পলাশবাৰী সমষ্টিৰ অন্তৰ্গত সাতপখলী হাইস্কুলত দিনজোৱা কাৰ্য্যসূচীৰে অনুষ্ঠিত কৰে। অনুষ্ঠানৰ আৰম্ভণিতে সদৌ অসম ছাত্ৰ সন্থাৰ পতাকা উত্তোলন কৰে দক্ষিণ কামৰূপ ছাত্ৰ সন্থাৰ সভাপতি বেদব্ৰত দাসে। শ্বহীদ তৰ্পণ কৰে দক্ষিণ কামৰূপ ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক চন্দন কলিতাই। খাদ্য আন্দোলনৰ শ্বহীদ পুতুল শইকীয়া আৰু গজেন ইংতিৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্জ্বলন আৰু মাল্যাৰ্পণ কৰে বিদ্যালয়ৰ প্ৰধান শিক্ষক দেৱেশ্বৰ ৰাজবংশীয়ে। অনুষ্ঠানৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কুইজ আৰু চিত্ৰাংকণ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। দক্ষিণ কামৰূপ ছাত্ৰ সন্থাৰ সভাপতি বেদব্ৰত দাসৰ সভাপতিত্বত অনুষ্ঠিত সভাতেই বঁটাপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীসকলক বঁটা প্ৰদান কৰা হয়। সভাত ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক দিশৰ লগতে সামাজিকভাৱে কেনেদৰে শক্তিশালী ভূমিকা গ্ৰহণ কৰিব পাৰে, তাৰ ওপৰত বিভিন্নজনে বক্তব্য ৰাখে। সভাত বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। আনহাতে আজি সন্ধিয়া মিৰ্জা শ্বহীদ বেদীত বন্তি প্ৰজ্জ্বলন কৰা হয়।

## লখিমপুৰ জিলা পৰ্যায়ৰ পাঞ্জাৱ নেচনেল বেংকৰ গ্ৰামীণ স্ব-নিয়োজন প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ উপদেষ্টা কমিটিৰ বৈঠক

**অসম বাৰ্তা, লখিমপুৰ বিশেষ, ১১ জুন ঃ** লখিমপুৰ জিলাৰ জিলা আয়ুক্ত তথা কমিটিৰ অধ্যক্ষ প্ৰণৱজিৎ কাকতিৰ সঞ্চালনাত জিলা আয়ুক্তৰ সভাকক্ষত জিলা পৰ্যায়ৰ পাঞ্জাৱ নেচনেল বেংকৰ গ্ৰামীণ স্ব-নিয়োজন প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ উপদেষ্টা কমিটিৰ ২০২৬ বৰ্ষৰ মাৰ্চ ত্ৰৈমাসিকৰ বৈঠক এখন ১০ জুনত অনুষ্ঠিত হয়। উক্ত বৈঠকত বিগত বৈঠকৰ কাৰ্য বিৱৰণীৰ অনুমোদন জনোৱাৰ উপৰি ২০২৫-২৬ বৰ্ষৰ সময়ছোৱাত গ্ৰামীণ স্ব-নিয়োজন প্ৰতিষ্ঠানৰ লক্ষ্য, নিষ্পত্তি আৰু ঋণৰ যোগাযোগ প্ৰদানকে ধৰি লাভ কৰা সফলতা, উক্ত প্ৰতিষ্ঠানৰ নিজ গৃহ স্থাপনৰ বাবে ভূমি আৱণ্টন, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ সৈতে হোৱা মাহিলী পৰ্যালোচনা বৈঠকৰ অগ্ৰগতি আদিৰ পুংখানুপুংখ পৰ্যালোচনা কৰা হয়। বৈঠকত অধ্যক্ষতা কৰি জিলা আয়ুক্ত গৰাকীয়ে সাম্প্ৰতিক সময়ৰ ক্ৰমবৰ্ধমান চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি আতিথ্য সেৱা, এলুমিনিয়ামৰ খিৰিকী আদিৰ ফ্ৰেম নিৰ্মাণৰ ওপৰত প্ৰশিক্ষণৰ কাৰ্যসূচী গ্ৰহণৰ বাবে যাৱতীয় পদক্ষেপ ল'বলৈ পৰামৰ্শ প্ৰদান কৰে। প্ৰশিক্ষণৰ পিছত যাতে বেংক সমূহৰ পৰা প্ৰশিক্ষাৰ্থী সকলে নিজৰ ব্যৱসায়ী বা ক্ষুদ্ৰ উদ্যোগ স্থাপনৰ বাবে ঋণৰ মঞ্জুৰী অতি সোনকালে লাভ কৰিব পাৰে সেই দিশত গ্ৰামীণ স্ব-নিয়োজন প্ৰতিষ্ঠানৰ পৰা এই ক্ষেত্ৰত প্ৰাপ্ত প্ৰস্তাৱসমূহ মঞ্জুৰ কৰাৰ বাবে বেংক সমূহক তেওঁ আহ্বান জনায়। প্ৰয়োজন সাপেক্ষে এই দিশত ভাৰতীয় ৰিজাৰ্ভ বেংকক অৱগত কৰাৰ পদক্ষেপ ল'বলৈও তেওঁ পৰামৰ্শ আগবঢ়ায়। পাঞ্জাৱ নেশ্যনেল বেংক আৰ.এচ. ই. টি. আই.ৰ সঞ্চালক বিজিত বৰাই আঁত ধৰা উক্ত বৈঠকত নাবাৰ্ড, অসম গ্ৰামীণ বিকাশ বেংকৰ প্ৰতিনিধি, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ জিলা গোটৰ বিষয়ববীয়া, নিয়োগ বিনিময় কেন্দ্ৰৰ বিষয়া, জিলা কৃষি বিজ্ঞান কেন্দ্ৰৰ বিজ্ঞানী আদিৰ লগতে অন্যান্য সদস্য সকলে অংশগ্ৰহণ কৰে।

## সৰুপথাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত আবৃত্তি বিষয়ক কৰ্মশালা

**অসম বাৰ্তা, সৰুপথাৰ, ১১ জুন ঃ** সদৌ অসম কবি সন্মিলনৰ কেন্দ্ৰীয় কাৰ্যসূচী 'কবিতাৰ স্বৰসাধনা' শীৰ্ষক এক কৰ্মশালা সৰুপথাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত আৰু গোলাঘাট জিলা কবি সন্মিলন, ধনশিৰি মহকুমা কবি সন্মিলনৰ সহযোগত মহাবিদ্যালয় প্ৰাংগণত অনুষ্ঠিত হৈ যায়। সহযোগী অধ্যাপক ডঃ প্ৰণৱ ঢেকিয়াল ফুকনে আঁত ধৰা অনুষ্ঠানৰ আৰম্ভণিতে বন্তিপ্ৰজ্বলন আৰু পথাৰ কবি ৰাম গগৈৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ কৰে সভাপতি ৰাজুমণি বেজবৰুৱাই। সমল ব্যক্তি হিচাপে আবৃত্তি ৰত্ন শান্তিছায়া শইকীয়া উপস্থিত থাকি অতি ৰসাল বক্তব্য আগবঢ়াই আৰু ভালেকেইটা কবিতাৰ আবৃত্তি কৰি সকলোকে আহ্লাদিত কৰে। প্ৰধান সম্পাদক ছৈয়দ পাৰবিজ হুছেইনে সকলোকে উদ্দেশ্য কৰি চমু ভাষণ প্ৰদান কৰে। সৰুপথাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ প্ৰাপ্তি ঠাকুৰেও বক্তব্যত সন্তুষ্টি প্ৰকাশ কৰে। সভাপতিৰ মন্তব্যত ৰাজুমণি বেজবৰুৱাই এক সুন্দৰ আবৃত্তিৰে সকলোকে চমকিত কৰি তোলে। কেন্দ্ৰীয় সমিতিৰ আবৃত্তি কোষৰ আহ্বায়ক স্বপ্না দেৱী নাথ, ডিব্ৰুগড় জিলাৰ প্ৰচাৰ সম্পাদক সবিতা বৰুৱা দত্ত, ডিব্ৰুগড় জিলাৰ সম্পাদক প্ৰশান্ত দত্ত, গোলাঘাট জিলাৰ সম্পাদক পৰাগ বৰুৱা, ধনশিৰি মহকুমা কবি সন্মিলনৰ সভাপতি দণ্ডেশ্বৰ বৰা, উপসভাপতি ডঃ প্ৰশান্ত চাহু, সম্পাদক ৰঞ্জন গোস্বামী, প্ৰচাৰ সম্পাদক স্পনানী গগৈ চেতিয়া, সহ সম্পাদক তৰা বৰুৱাৰ, অসমীয়া বিভাগৰ ডঃ ববিতা দত্ত, সমাজশাস্ত্ৰ বিভাগৰ মুৰব্বী ডঃ প্ৰেমকান্ত বৰা, দেওপানী মহাবিদ্যালয়ৰ ডঃ মনামী পৰাশৰ আৰু ত্ৰি শতাধিক ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিৰে অনুষ্ঠানটি মুখৰিত হৈ পৰে। ডঃ প্ৰণৱ ঢেকিয়াল ফুকনে সকলৰে শলাগ লোৱাৰ পাছত কাব্য মন্ত্ৰ পাঠেৰে অনুষ্ঠানৰ সামৰণি মাৰে। অসমীয়া বিভাগ আৰু সদৌ অসম কবি সন্মিলনৰ এই প্ৰয়াসক সকলোৱে প্ৰশংসা কৰাৰ লগতে ভৱিষ্যতেও এনে অনুষ্ঠানৰ কামনা কৰে।

## পূৰ্বৰ বাঘবৰ ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ লাট মণ্ডল সুৰজিৎ ডেকাৰ ঘৰত মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষৰ অভিযান

**অসম বাৰ্তা, বৰপেটা সদৰ, ১১ জুন ঃ** পূৰ্বৰ বাঘবৰ ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ লাট মণ্ডল সুৰজিৎ ডেকাৰ ঘৰত মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষে আজি অভিযান চলাই আছে। বৰপেটা দঙৰকুছিত থকা সুৰজিৎ ডেকাৰ ঘৰত অভিযান মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী শাখাৰ। বৰপেটাৰ পূৰ্বৰ ৰাজহ চক্ৰ বিষয়া নূপুৰ বৰাৰ স'তে সম্পৰ্ক গঢ়ি বৰপেটাৰ বিভিন্ন স্থানত মাটি সম্পত্তি কৰাৰ অভিযোগ উত্থাপিত হৈছিল সুৰজিৎ ডেকাৰ বিৰুদ্ধে। পূৰ্বে বৰপেটা ৰাজহ চক্ৰৰ লাট মণ্ডল আছিল সুৰজিৎ ডেকা। মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষৰ ৬ জনীয়া দলে চলাই আছে অভিযান আছে। এই অভিযান কালত আৰু কিছু ন-ন তথ্য পোহৰলৈ অহাৰ সম্ভাৱনা আছে বুলি জানিব পৰা গৈছে।

## সম্পাদকীয়

# বিনামূলীয়া পৰিৱহণ আঁচনি

অসমৰ চাহ বাগিচাসমূহ দীৰ্ঘদিন ধৰি ৰাজ্যৰ অৰ্থনীতিৰ মেৰুদণ্ড হৈ আহিলেও, সেইবোৰৰ শ্ৰমিক সম্প্ৰদায়টোৱে যাতনা ভোগ কৰি আহিছে। বিশেষকৈ শিক্ষাৰ ক্ষেত্ৰখনত সিহঁতৰ সন্তানসকলে নানা বাধাৰ সন্মুখীন হৈ আহিছে। তাৰে ভিতৰত অন্যতম প্ৰধান বাধা হৈছে বিদ্যালয়লৈ যাতায়াতৰ অসুবিধা। দূৰৈৰ বিদ্যালয়, বেয়া পথ, আৰু পৰিৱহণৰ অভাৱত বহু শিক্ষাৰ্থীয়ে নিয়মীয়াকৈ বিদ্যালয়লৈ যাব নোৱাৰি ড্ৰপআউট হোৱাৰ ঘটনা অস্বাভাৱিক নহয়। এই প্ৰেক্ষাপটত অসম চৰকাৰে চাহ বাগিচাৰ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে আৰম্ভ কৰা বিনামূলীয়া পৰিৱহণ আঁচনিটো এক অভিলাষী আৰু সময়োপযোগী পদক্ষেপ বুলি গণ্য কৰিব পাৰি। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ১০ জুনৰ পৰা কাৰ্যকৰী হোৱা এই আঁচনিখনে ৰাজ্যৰ ১১খন জিলাৰ ১৯৮খন বিদ্যালয়ত অধ্যয়নৰত প্ৰথম শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈকে মুঠ ৯, ৭১৪ গৰাকী প্ৰান্তীয় আৰু বঞ্চিত সম্প্ৰদায়ৰ শিক্ষাৰ্থীক সুৰক্ষিত আৰু বিনামূলীয়া পৰিৱহণ সুবিধা প্ৰদান কৰিব। প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ বাবে শিক্ষাবৰ্ষটোত ৫, ৪০০ টকাকৈ আৰ্থিক সহায় আগবঢ়োৱা হ'ব। বিদ্যালয় পৰিচালনা সমিতি (এছএমচি/এছএমডিচি)ৰ জৰিয়তে স্থানীয়ভাৱে পৰিৱহণ ব্যৱস্থা আয়োজন কৰাটো এক ব্যৱহাৰিক দৃষ্টিভংগী, যাৰ ফলত আঁচনিখন ভূমিৰ পৰ্যায়ত অধিক ফলপ্ৰসূ হোৱাৰ সম্ভাৱনা আছে। নিঃসন্দেহে এই পদক্ষেপে চাহ বাগিচা অঞ্চলৰ শিক্ষাৰ্থীসকলৰ বাবে বিদ্যালয়মুখী যাত্ৰা সহজ, সুৰক্ষিত আৰু সুলভ কৰি তুলিব। দীৰ্ঘ পথ খোজ কাঢ়ি যাব লগা, নাইবা অনুপযুক্ত যানবাহনত সোমাই বিপদজনক যাত্ৰা কৰিব লগা শিশুৰ বাবে ই এক আচল ৰেহাই। বিদ্যালয়ত নিয়মীয়া উপস্থিতি বৃদ্ধি পোৱাৰ লগতে পাঠদানৰ গুণগত মানো উন্নত হোৱাৰ সম্ভাৱনা আছে। আনকি, যাতায়াতৰ বাবে পৰিয়ালৰ ওপৰত পৰা আৰ্থিক চাপো কমিব। শিক্ষাৰ অধিকাৰ সুনিশ্চিত কৰাৰ ক্ষেত্ৰত এই আঁচনিখনে চৰকাৰৰ প্ৰতিশ্ৰুতিৰ পুনৰ উচচাৰণ ঘটাইছে। তথাপি, এই আঁচনি বাস্তৱায়নৰ ক্ষেত্ৰত কেইটামান প্ৰত্যাহ্বান থাকিব পাৰে। স্থানীয় পৰ্যায়ত পৰিৱহণ ব্যৱস্থা আয়োজনৰ দায়িত্ব এছএমচিৰ ওপৰত অৰ্পণ কৰাত স্বচ্ছতা আৰু জবাবদিহিতা নিশ্চিত কৰাটো অপৰিহাৰ্য। প্ৰায়ে স্থানীয় স্তৰত ৰাজনৈতিক হস্তক্ষেপ বা আৰ্থিক অনিয়মৰ অভিযোগ উঠে। সেইবাবে, ব্যৱহৃত বাহনসমূহ নিৰাপদ আৰু শিশুবান্ধৱ হয়নে তাৰ নিৰীক্ষণৰ ব্যৱস্থা ৰখা উচিত। লগতে, আঁচনিখন কেৱল চাহ বাগিচাৰ বিদ্যালয়তে সীমাবদ্ধ ৰাখি অন্যান্য দুৰ্গম অঞ্চলৰ বঞ্চিত শিশুসকলক অৱহেলা কৰা হ'লনি? সেই প্ৰশ্নও চৰকাৰে গুৰুত্বসহকাৰে ভাবিব লাগিব।

শেষত, এই আঁচনিখন অসম চৰকাৰৰ শিক্ষা বান্ধৱ আঁচনিসমূহৰ এক গুৰুত্বপূৰ্ণ সংযোজন। যিকোনো অভিলাষী আঁচনি সফল হয়, তেতিয়াহে তাৰ প্ৰকৃত মূল্যায়ন হয়। গতিকে, চৰকাৰে এই ক্ষেত্ৰত সক্ৰিয় জাগৰণ আৰু নিৰীক্ষণৰ ব্যৱস্থা কৰাটো অতি জৰুৰী। স্থানীয় লোক-প্ৰতিনিধি, শিক্ষক, অভিভাৱক আৰু স্বেচ্ছাসেৱী সংস্থাসমূহৰ সহযোগিতাত এই আঁচনিয়ে যাতে চাহ বাগিচাৰ প্ৰতিগৰাকী শিক্ষাৰ্থীৰ বাবে আশাৰ বাট হিচাপে কাম কৰে, সেই দিশত গুৰুত্ব দিয়া হোৱা উচিত। আজিৰ এই পদক্ষেপ যদি সঠিক ৰূপায়ণ হয়, তেন্তে কাইলৈ চাহ বাগিচাৰ পৰাই ওলাই আহিব শিক্ষিত, দক্ষ আৰু আত্মবিশ্বাসী এক নতুন প্ৰজন্ম।

# অনা-অসমীয়াৰ আধিপত্য আৰু অসমীয়াৰ নিৰাপত্তাহীনতা

*যিকোনো সুস্থ সমাজ এখনত অৰ্থনৈতিক প্ৰতিযোগিতা থকাটো স্বাভাৱিক। কিন্তু যেতিয়া এটা নিৰ্দিষ্ট সম্প্ৰদায়ে অৰ্থনৈতিক শক্তি ক ঢাল হিচাপে লৈ স্থানীয় ভাষা, সংস্কৃতি আৰু মৰ্যাদাক আওকাণ কৰিবলৈ আৰম্ভ কৰে, তেতিয়াই সংঘাতৰ সূত্ৰপাত হয়। শেহতীয়া বছৰবোৰত এনে কিছুমান ঘটনা পোহৰলৈ আহিছে য'ত একাংশ অনা-অসমীয়া লোকে অৰ্থনৈতিক দম্ভালি মাৰি থলুৱা অসমীয়াক তুচ্ছ-তাচ্ছিল্য কৰা দেখা গৈছে। অৰ্থনৈতিকভাৱে সৱল হৈ পৰাৰ লগে লগে ৰাজনৈতিক আৰু সামাজিক প্ৰভাৱ বিস্তাৰৰ প্ৰৱণতা বৃদ্ধি পোৱাটোৱেই "অসমত বিহাৰীয়ে শাসন কৰিব নেকি" বোলা প্ৰশ্নটোৰ মূল ভেটি। অসমীয়া জাতিৰ এই সংকট কেৱল আৱেগিক নহয়, ইয়াৰ এক বাস্তৱিক ভিত্তিও আছে।*


চন্দন কুমাৰ নাথ

বৰ্তমান সময়ত অসমৰ চুকে-কোণে, বিশেষকৈ সামাজিক মাধ্যম আৰু জনসাধাৰণৰ বৌদ্ধিক আলোচনাত এটা প্ৰশ্নই তীব্ৰভাৱে ক্ৰিয়া কৰিছে— "অসমত এতিয়া বিহাৰী বা আন অনা-অসমীয়া লোকে অসমীয়াৰ ওপৰত শাসন চলাব নেকি?" এই প্ৰশ্নটোৱে কেৱল এক আৱেগিক আলোড়নৰ সৃষ্টি কৰাই নহয়, বৰঞ্চ ই অসমৰ সাম্প্ৰতিক সামাজিক, অৰ্থনৈতিক আৰু জনগাঁথনিগত পৰিস্থিতিৰ এক গভীৰ সংকটৰ দিশলৈ আঙুলিয়াই দিছে। অসমীয়া জাতি সদায় এক উদাৰ আৰু সমন্বয়ৰ প্ৰতীক হিচাপে পৰিচিত। শ্ৰীমন্ত শংকৰদেৱৰ দিনৰ পৰাই অসমত বিভিন্ন জাতি-জনগোষ্ঠীৰ মিলন ঘটিছে। কিন্তু শেহতীয়াকৈ অসমৰ থলুৱা অধিবাসী আৰু অনা-অসমীয়া (বিশেষকৈ হিন্দীভাষী বিহাৰী সম্প্ৰদায়) লোকসকলৰ মাজত গঢ় লৈ উঠা সংঘাত আৰু অবিশ্বাসৰ বাতাবৰণে এই উদাৰতাক প্ৰশ্নবোধক কৰি তুলিছে। এখন ৰাজ্যৰ মূল অধিবাসীসকলে নিজৰ মাতৃভূমিতে পৰিচয় আৰু মৰ্যাদাৰ সংকটত ভোগাটো নিশ্চিতভাৱে এক চিন্তনীয় বিষয়।

অসমীয়া আৰু অনা-অসমীয়াৰ মাজত থকা সুপ্ত অৱদমিত ক্ষোভৰ উদ্‌গীৰণৰ শেহতীয়া উদাহৰণ হৈছে গুৱাহাটীৰ আৰ্য নগৰত সংঘটিত হোৱা অনাকাংক্ষিত ঘটনাটো। চলিত বৰ্ষৰ জুন মাহৰ প্ৰথম সপ্তাহত আৰ্য নগৰ এলেকাত সংঘটিত এক স্থানীয় সংঘৰ্ষই সমগ্ৰ ৰাজ্যতে এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰিছিল। বাতৰি অনুসৰি, ড্ৰাগছ বা অবৈধ সামগ্ৰীৰ বেহাৰ বিৰুদ্ধে স্থানীয় ৰাইজে কৰা প্ৰতিবাদৰ পৰাই এই সূত্ৰপাত হৈছিল, যিটো পৰৱৰ্তী সময়ত অসমীয়া আৰু হিন্দীভাষী লোকৰ মাজৰ সংঘৰ্ষৰ ৰূপ লয়। সামাজিক মাধ্যমত বিয়পি পৰা একাংশ খবৰ আৰু ভিডিঅ' অনুসৰি, একাংশ অনা-অসমীয়া লোকে "অসমীয়া গ' বেক" বুলি শ্ল'গান দি পৰিস্থিতি অধিক উত্তপ্ত কৰি তুলিছিল। এই ঘটনাত এজন অসমীয়া যুৱক, কৰ্তব্যৰত আৰক্ষী আৰু সাংবাদিক পৰ্যন্ত আক্ৰমণৰ বলি হোৱাৰ অভিযোগ উত্থাপন হৈছিল। সদৌ অসম ছাত্ৰ সন্থা (আছু) আৰু অসম সাহিত্য সভাকে ধৰি ৰাজ্যৰ আগশাৰীৰ জাতীয় সংগঠনসমূহে এই ঘটনাৰ তীব্ৰ বিৰোধিতা কৰি ইয়াক অসমীয়াৰ অস্তিত্বৰ ওপৰত প্ৰত্যক্ষ আক্ৰমণ বুলি অভিহিত কৰিছে। আনহাতে, গুৱাহাটী আৰক্ষীৰ পশ্চিম সংমণ্ডলৰ উপ-আৰক্ষী আয়ুক্তই সংবাদ মাধ্যমৰ আগত স্পষ্ট কৰি দিছিল যে এই ঘটনাটো প্ৰকৃততে ধনদাবী আৰু অপৰাধমূলক কাৰ্যকলাপৰ সৈতেহে জড়িত আছিল, আৰু অভিযুক্তসকলে আৰক্ষীৰ পৰা হাত সাৰিবলৈ ইয়াক এক "অসমীয়া-বিহাৰী সংঘাত"ৰ ৰূপ দিয়াৰ অপচেষ্টা চলাইছিল। আৰক্ষীৰ ভাষ্য অনুসৰি অপৰাধীয়ে আৱেগৰ সুযোগ লৈ মূল বিষয়টো বিপথে পৰিচালিত কৰিব বিচাৰিছিল। এই ঘটনাটোৰ আঁৰৰ প্ৰকৃত সত্য যিয়েই নহওক কিয়, ই এটা কথা স্পষ্ট কৰি দিলে যে অসমৰ সমাজ ব্যৱস্থাত অনা-অসমীয়া আধিপত্যক লৈ থলুৱা ৰাইজৰ মনত এক তীব্ৰ নিৰাপত্তাহীনতা আৰু ক্ষোভ বিৰাজমান। অসমত অনা-অসমীয়া লোকৰ উপস্থিতি কোনো নতুন কথা নহয়। ব্ৰিটিছ শাসনকালৰ পৰাই চাহ বাগিচাৰ শ্ৰমিক, ব্যৱসায়ী, আৰু পৰৱৰ্তী সময়ত নিৰ্মাণ কাৰ্য, কৃষিকৰ্ম আৰু অন্যান্য শ্ৰমভিত্তিক উদ্যোগৰ বাবে বিহাৰ, উত্তৰ প্ৰদেশ, পশ্চিমবংগ আদি ৰাজ্যৰ পৰা প্ৰব্ৰজন ঘটি আহিছে। কিন্তু বৰ্তমানৰ প্ৰেক্ষাপট কিছু পৃথক।

আগতে যিসকল লোক কেৱল জীৱিকাৰ সন্ধানত শ্ৰমিক বা সাধাৰণ ব্যৱসায়ী হিচাপে আহিছিল, তেওঁলোকৰ পৰৱৰ্তী প্ৰজন্মই এতিয়া অসমৰ অৰ্থনীতিৰ এক বৃহৎ অংশ নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হৈছে। গুৱাহাটীকে ধৰি অসমৰ প্ৰধান চহৰসমূহৰ পাইকাৰী বজাৰ, যোগান শৃংখল, পৰিৱহণ ব্যৱস্থা আৰু আনকি সৰু-সুৰা খুচুৰা ব্যৱসায়তো হিন্দীভাষী লোকৰ আধিপত্য পৰিলক্ষিত হৈছে।

যিকোনো সুস্থ সমাজ এখনত অৰ্থনৈতিক প্ৰতিযোগিতা থকাটো স্বাভাৱিক। কিন্তু যেতিয়া এটা নিৰ্দিষ্ট সম্প্ৰদায়ে অৰ্থনৈতিক শক্তিক ঢাল হিচাপে লৈ স্থানীয় ভাষা, সংস্কৃতি আৰু মৰ্যাদাক আওকাণ কৰিবলৈ আৰম্ভ কৰে, তেতিয়াই সংঘাতৰ সূত্ৰপাত হয়। শেহতীয়া বছৰবোৰত এনে কিছুমান ঘটনা পোহৰলৈ আহিছে য'ত একাংশ অনা-অসমীয়া লোকে অৰ্থনৈতিক দম্ভালি মাৰি থলুৱা অসমীয়াক তুচ্ছ-তাচ্ছিল্য কৰা দেখা গৈছে। অৰ্থনৈতিকভাৱে সৱল হৈ পৰাৰ লগে লগে ৰাজনৈতিক আৰু সামাজিক প্ৰভাৱ বিস্তাৰৰ প্ৰৱণতা বৃদ্ধি পোৱাটোৱেই "অসমত বিহাৰীয়ে শাসন কৰিব নেকি" বোলা প্ৰশ্নটোৰ মূল ভেটি। অসমীয়া জাতিৰ এই সংকট কেৱল আৱেগিক নহয়, ইয়াৰ এক বাস্তৱিক ভিত্তিও আছে। অসমীয়া মানুহে নিজৰ মাতৃভূমিতে দ্বিতীয় শ্ৰেণীৰ নাগৰিকৰ দৰে অনুভৱ কৰিবলৈ বাধ্য হোৱাৰ কেইবাটাও কাৰণ আছে। প্ৰথমতে, অসমৰ জনসংখ্যাৰ দ্ৰুত পৰিৱৰ্তন। অবৈধ অনুপ্ৰৱেশকাৰীৰ সমস্যাৰ লগতে দেশৰ আন প্ৰান্তৰ পৰা অহা অবাৰিত প্ৰব্ৰজনে ৰাজ্যখনৰ জনগাঁথনি সলনি কৰি পেলাইছে। দ্বিতীয়তে, ভাষিক আগ্ৰাসন। বজাৰ-সমাৰ, ব্যৱসায়িক প্ৰতিষ্ঠান আৰু কৰ্মক্ষেত্ৰসমূহত অসমীয়া ভাষাৰ সলনি হিন্দী বা আন ভাষাৰ বহুল প্ৰয়োগে অসমীয়া ভাষাৰ প্ৰতি ভাবুকি নমাই আনিছে। যেতিয়া এজন অসমীয়া যুৱকে নিজৰ ৰাজ্যৰ ৰাজধানী চহৰ গুৱাহাটীত এখন দোকানত সোমাই অসমীয়াত কথা ক'লে সেৱা নাপায় বা অৱজ্ঞাসূচক আচৰণৰ সন্মুখীন হয়, তেতিয়া তেওঁৰ মনত পৰিচয়ৰ সংকট আৰু ক্ষোভ সৃষ্টি হোৱাটো স্বাভাৱিক। এই ক্ষোভেই কেতিয়াবা উগ্ৰ ৰূপ লৈ জাতীয়তাবাদী আন্দোলন বা সংঘাতৰ জন্ম দিয়ে।

কিন্তু আমি মনত ৰখা উচিত যে সকলো অনা-অসমীয়া বা বিহাৰী লোক বেয়া নহয়। বহুতৰেই অসমৰ অৰ্থনীতিলৈ ইতিবাচক অৱদান আছে আৰু তেওঁলোকে অসমীয়া সমাজৰ সৈতে মিলি গৈছে। সেয়েহে, অপৰাধী বা উচ্ছৃঙ্খল লোকৰ কাৰ্যকলাপক সমগ্ৰ সম্প্ৰদায়টোৰ লগত সাঙুৰি পেলোৱাটোও বস্তুনিষ্ঠ বিশ্লেষণৰ পৰিপন্থী। "শাসন" শব্দটো কেৱল ৰাজনৈতিক ক্ষমতা বা চৰকাৰ গঠনতেই সীমাবদ্ধ নহয়। বৰ্তমানৰ পুঁজিবাদী যুগত প্ৰকৃত শাসন ক্ষমতা থাকে অৰ্থনীতিৰ হাতত। আজিৰ তাৰিখত যদি প্ৰশ্ন কৰা হয় যে গুৱাহাটীৰ বজাৰ ব্যৱস্থা কোনে নিয়ন্ত্ৰণ কৰে, তেন্তে উত্তৰটো স্পষ্টভাৱে অনা-অসমীয়া ব্যৱসায়ীসকলৰ সপক্ষে যাব। হাৰ্ডৱেৰৰ পৰা আৰম্ভ কৰি গেলামাল, কাপোৰ, আৰু নিৰ্মাণ সামগ্ৰীৰ বজাৰলৈকে প্ৰায় সকলোতে বহিৰাগত ব্যৱসায়ীৰ আধিপত্য। আনকি সাধাৰণ শ্ৰমিক, ৰাজমিস্ত্ৰী, কাঠমিস্ত্ৰী, আৰু নাপিতৰ পৰা আৰম্ভ কৰি শাক-পাচলিৰ ব্যৱসায়লৈকে সকলোতে বিহাৰ বা আন ৰাজ্যৰ লোকৰ উপস্থিতি দেখিবলৈ পোৱা যায়। অসমীয়া জাতিয়ে নিজে কঠোৰ পৰিশ্ৰম কৰিবলৈ কুণ্ঠাবোধ কৰা আৰু ব্যৱসায়িক মানসিকতাৰ অভাৱৰ বাবেই এই অৰ্থনৈতিক শূন্যতাৰ সৃষ্টি হৈছে, যিটো স্বাভাৱিকভাৱেই বাহিৰৰ পৰা অহা কৰ্মোদ্যমী লোকে পূৰণ কৰিছে। যেতিয়া এটা জাতিয়ে নিজৰ দৈনন্দিন প্ৰয়োজনীয় সেৱা আৰু সামগ্ৰীৰ বাবে আন এটা সম্প্ৰদায়ৰ ওপৰত সম্পূৰ্ণৰূপে নিৰ্ভৰশীল হৈ পৰে, তেতিয়া পৰোক্ষভাৱে সেই সম্প্ৰদায়টোৱে জাতিটোৰ ওপৰত "শাসন" চলাবলৈ আৰম্ভ কৰে। সেয়েহে, বিহাৰী বা আন অনা-অসমীয়াই অসমত শাসন চলোৱাৰ যি শংকা, সেয়া আচলতে ৰাজনৈতিক শাসনতকৈ অৰ্থনৈতিক গোলামিৰ শংকাহে।

আৰ্য নগৰৰ দৰে ঘটনাসমূহ নিয়ন্ত্ৰণ কৰাত চৰকাৰ আৰু প্ৰশাসনৰ ভূমিকা অতিশয় গুৰুত্বপূৰ্ণ। এখন গণতান্ত্ৰিক ৰাষ্ট্ৰত সকলো নাগৰিকৰে যিকোনো স্থানত বসবাস কৰা আৰু জীৱিকা নিৰ্বাহ কৰাৰ সাংবিধানিক অধিকাৰ আছে। কিন্তু এই অধিকাৰৰ সুবিধা লৈ কোনোৱেই থলুৱা লোকৰ আবেগ-অনুভূতিক আঘাত কৰা বা অৰাজকতা সৃষ্টি কৰাৰ অধিকাৰ নাপায়। আৰক্ষী প্ৰশাসনে নিৰপেক্ষতাৰে অপৰাধীক অপৰাধী হিচাপে গণ্য কৰি দৃষ্টান্তমূলক শাস্তি প্ৰদান কৰিব লাগিব, যাতে কোনেও নিজকে আইনৰ উৰ্ধত বুলি ভাবিব নোৱাৰে। একে সময়তে, ৰাজনৈতিক নেতাসকলেও ভোটবেংকৰ স্বাৰ্থত কোনো নিৰ্দিষ্ট সম্প্ৰদায়ক তোষণ কৰাৰ পৰা বিৰত থাকিব লাগিব। গুৱাহাটীৰ শেহতীয়া ঘটনাৰ পিছত একাংশ জনপ্ৰতিনিধিৰ নীৰৱতাক লৈ ছাত্ৰ সন্থাকে ধৰি বিভিন্ন মহলে প্ৰশ্ন উত্থাপন কৰিছে। চৰকাৰে এনে এক পৰিৱেশ গঢ়ি তুলিব লাগিব য'ত থলুৱা অসমীয়াই নিজকে সুৰক্ষিত অনুভৱ কৰে আৰু লগতে বাহিৰৰ পৰা অহা শ্ৰমজীৱী লোকেও শান্তিপূৰ্ণভাৱে নিজৰ জীৱিকা নিৰ্বাহ কৰিব পাৰে। কেৱল প্ৰতিবাদ, আৱেগিক শ্ল'গান বা সামাজিক মাধ্যমত ক্ষোভ উজাৰিলেই এই সমস্যাৰ স্থায়ী সমাধান নহ'ব। অসমীয়া জাতিয়ে এতিয়া গভীৰ আত্মানুসন্ধান কৰাৰ সময় আহি পৰিছে। "বিহাৰীয়ে শাসন কৰিব নেকি" বুলি ভয় খোৱাৰ পৰিৱৰ্তে, অসমীয়াই নিজকে সকলো দিশতে সবল আৰু প্ৰতিযোগিতামূলক কৰি তুলিব লাগিব। কৰ্মসংস্কৃতিৰ বিকাশ ঘটাই কৃষি, ব্যৱসায়-বাণিজ্য আৰু উদ্যোগ খণ্ডত অসমীয়া যুৱক-যুৱতীয়ে সক্ৰিয় অংশগ্ৰহণ কৰিব লাগিব। চৰকাৰী চাকৰিৰ মোহ এৰি স্বাৱলম্বিতাৰ পথ বাছি নোলোৱা পৰ্যন্ত অসমৰ অৰ্থনীতি অনা-অসমীয়াৰ কবলৰ পৰা মুক্ত কৰা সম্ভৱ নহয়। আমি আমাৰ বজাৰখন নিজৰ হাতলৈ আনিব লাগিব। ইয়াৰ লগতে, অসমীয়া ভাষা আৰু সংস্কৃতিৰ চৰ্চা আৰু প্ৰসাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগিব। যিসকল অনা-অসমীয়া লোক অসমত স্থায়ীভাৱে বসবাস কৰিছে, তেওঁলোকক অসমীয়া ভাষা আৰু সংস্কৃতিৰ প্ৰতি শ্ৰদ্ধাশীল হ'বলৈ অনুপ্ৰাণিত কৰিব লাগিব। ইয়াক বলপূৰ্বকভাৱে নহয়, বৰঞ্চ আমাৰ নিজৰ সাংস্কৃতিক আৰু বৌদ্ধিক শ্ৰেষ্ঠতাৰেহে সম্ভৱ কৰি তুলিব লাগিব।

অসমত বিহাৰী বা আন কোনো অনা-অসমীয়া সম্প্ৰদায়ে শাসন চলাব নে নাই, সেয়া সম্পূৰ্ণৰূপে নিৰ্ভৰ কৰিব অসমীয়া জাতিৰ নিজৰ সক্ৰিয়তা, কৰ্মস্পৃহা আৰু দূৰদৰ্শিতাৰ ওপৰত। গুৱাহাটীৰ আৰ্য নগৰৰ দৰে ঘটনাসমূহ একোটা সতৰ্কবাণী মাত্ৰ। অপৰাধীক কঠোৰ শাস্তি দিয়াটো প্ৰশাসনৰ দায়িত্ব, কিন্তু এখন ৰাজ্যৰ অৰ্থনৈতিক আৰু সামাজিক বুনিয়াদ সুৰক্ষিত কৰাটো সেই ৰাজ্যৰ খিলঞ্জীয়া জনসাধাৰণৰ দায়িত্ব। আৱেগৰ সলনি যুক্তিক আশ্ৰয় কৰি, আনক দোষাৰোপ কৰাৰ পৰিৱৰ্তে নিজকে অৰ্থনৈতিকভাৱে আত্মনিৰ্ভৰশীল কৰি গঢ়ি তুলিব পাৰিলেহে অসমীয়া জাতিয়ে নিজৰ মাতৃভূমিত সগৌৰৱে আৰু স্বাভিমানেৰে জীয়াই থাকিব পাৰিব। অন্যথা, অৰ্থনৈতিক আধিপত্যৰ জৰিয়তে অহা পৰোক্ষ শাসনৰ শংকা ভৱিষ্যতলৈ এক তিতা বাস্তৱলৈ ৰূপান্তৰিত হোৱাৰ সম্ভাৱনাক নুই কৰিব নোৱাৰি।

# অসমীয়াৰ আশা আৰু ভৰসা ৰিয়ান পৰাগ

কমলেখ কাঞ্চন

প্ৰায় দুমাহ ধৰি চলা ইণ্ডিয়ান প্ৰিমিয়াৰ লীগ-২০২৬ অৰ্থাৎ আইপিএল ক্ৰিকেট প্ৰতিযোগিতা সমাপ্ত হ'ল। এইবাৰৰ প্ৰতিযোগিতাত ৰজত পাটিদাৰ নেতৃত্বাধীন ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু অৰ্থাৎ আৰচিবিয়ে খিতাপ দখল কৰিবলৈ সক্ষম হয়। অৰ্থবহুল এই প্ৰতিযোগিতাখন সম্প্ৰতি সমগ্ৰ বিশ্বতে জনপ্ৰিয়। আইপিএল খেলত অংশগ্ৰহণ কৰাৰ বাবে বহুতো ক্ৰিকেটাৰে দিনে- নিশাই কপালৰ ঘাম মাটিত কৰি অনুশীলন কৰে। কাৰণ এবাৰ এই খেলত ভাল প্ৰদৰ্শন কৰিব পাৰিলে সকলো ক্ৰিকেট বিশেষজ্ঞৰে দৃষ্টি আকৰ্ষণ কৰে আৰু সম্ভাৱনাৰ দুৱাৰ মুকলি হয়। গতিকে একাংশ ক্ৰিকেটাৰে (বিদেশী) এতিয়া নিজৰ ৰাষ্ট্ৰীয় দলত অংশগ্ৰহণ কৰাতকৈ আইপিএলত খেলাৰ বাবে অধীৰ আগ্ৰহেৰে বৈ থাকে। আৰু এই আইপিএলতে অসমী আইৰ সুযোগ্য সন্তান ৰিয়ান পৰাগে যোৱা ২০১৯ চনৰ পৰা ৰাজস্থান ৰয়েলছ ক্ৰিকেট দলটোক প্ৰতিনিধিত্ব কৰি আহিছে। যোৱা ২০২৫ বৰ্ষত নিয়মীয়া অধিনায়ক সঞ্জু ছেমছনে আঘাতৰ বাবে বহু কেইখন খেলত অংশগ্ৰহণ কৰিব পৰা নাছিল আৰু সেই সময়ত ৰাজস্থান ৰয়েলছ ক্ৰিকেট দলটোক ৰিয়ান পৰাগে নেতৃত্ব দিবলৈ সুযোগ পাইছিল। তেতিয়াই ৰিয়ান পৰাগৰ অধিনায়ক হিচাপে দেখুওৱা কৌশলে বহুতো ক্ৰিকেট বিশেষজ্ঞৰ দৃষ্টি আকৰ্ষণ কৰিছিল। এইবাৰ অৰ্থাৎ ২০২৬ চনৰ আইপিএল প্ৰতিযোগিতাত সঞ্জু ছেমছন চেন্নাই ছুপাৰ কিংছ দলটোলৈ যোৱাৰ বাবে ৰাজস্থান ৰয়েলছৰ অধিনায়কৰ পদ খালী হয়। অৱধাৰিতভাৱে ৰিয়ান পৰাগৰ বাবে ৰাজস্থান ৰয়েলছ দলটোক পূৰ্ণকালীন ভাৱে সন্মুখৰ পৰা নেতৃত্ব দিয়াৰ সুযোগ আহি পৰে আৰু ৰাজস্থান ৰয়েলছ দলটোৰ স্বত্বাধিকাৰী, প্ৰশিক্ষক আৰু দলৰ বিষয়-ববীয়াই ৰিয়ান পৰাগৰ ওপৰত ভৰসা কৰে আৰু নেতৃত্বৰ দায়িত্ব অৰ্পণ কৰে।

পূৰ্ণকালীন অধিনায়কৰ দায়িত্ব লাভ কৰিয়ে ৰিয়ান পৰাগে নিজৰ দায়িত্ব চম্ভালি লয়। ২০২৬ বৰ্ষৰ আইপিএলত একেলেথাৰিয়ে চাৰিখনকৈ মেচত জয় লাভ কৰিবলৈ সক্ষম হয়। এই কেইখন মেচত ৰিয়ানৰ অধিনায়ক হিচাপে দেখুওৱা কৌশলে সমগ্ৰ দেশৰ ক্ৰিকেট বিশেষজ্ঞ সকলৰ মুখত আলোচনা হ'বলৈ আৰম্ভ কৰে। বিশেষকৈ এই বাৰ আইপিএলৰ ৰাজস্থান ৰয়েলছৰ দ্বিতীয়খন মেচ গুজৰাট টাইটানছৰ সৈতে খুব উত্তেজনাপূৰ্ণ ভাৱে সম্পন্ন হৈছিল। মেচখনত তুলনামূলকভাৱে অনভিজ্ঞ তুষাৰ দেশপাণ্ডেৰ হাতত শেষৰ অভাৰটো তুলি দি যি জয় আজুৰি আনিবলৈ সক্ষম হৈছিল সেই জয়েৰে ক্ৰিকেট বিশ্বত আত্মবিশ্বাস আৰু সাহসিকতাৰ পৰিচয় দিছিল আৰু তেতিয়াই ক্ৰিকেট প্ৰেমীৰ মনোযোগ আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল ৰিয়ান পৰাগ। ৰিয়ান পৰাগে অধিনায়ক হিচাপে দেখুওৱা দক্ষতা এতিয়া সমগ্ৰ বিশ্বই দেখিছে। যিটো সময়ত হাৰ্দিক পাণ্ডিয়া, অক্ষৰ পেটেল, ঋষভ পণ্ট, আজ্যেংকা ৰাহানে,



ঋতুৰাজ গায়কৱাড় আদিৰ দৰে ভাৰতৰ আগশাৰীৰ ক্ৰিকেটাৰ সকলে নিজৰ নিজৰ দলক সন্মুখৰ পৰা নেতৃত্ব দি বিশেষ সফলতা লাভ কৰিব নোৱাৰিলে সেই সময়ত ৰিয়ান পৰাগৰ দৰে এজন কনিষ্ঠ খেলুৱৈয়ে যথেষ্ট আত্মবিশ্বাসেৰে ইমান সুন্দৰকৈ ৰাজস্থান ৰয়েলছ দলটোক নেতৃত্ব দিয়াৰ লগতে দলক দ্বিতীয় কোৱালিফায়াৰলৈ লৈ যাবলৈ সক্ষম হয় আৰু সেই কথাই বহু সমালোচকক মুখ বন্ধ কৰি ৰাখিবলৈ বাধ্য কৰিলে। শুভমন গীল নেতৃত্বাধীন গুজৰাট টাইটানছৰ বিপৰীতে দ্বিতীয় কোৱালিফায়াৰ খেলি পৰাজয় হোৱাৰ পিছত স-সন্মানেৰে ২০২৬ চনৰ আইপিএল অভিযান সামৰণি মাৰে ৰিয়ান পৰাগ বাহিনীয়ে। ইয়াৰ আগতে ২০০৮ চনত আইপিএলৰ খিতাপ অৰ্জন কৰা প্ৰথমটো দল হিচাপে ৰাজস্থান ৰয়েলছে সুনাম অৰ্জন কৰিছিল। সেই সময়ত এই দলটোৰ নেতৃত্বত আছিল বিশ্ব ক্ৰিকেটৰ স্পীনৰ যাদুগৰ প্ৰয়াত শ্বেন ৱাৰ্ণ। সুদীৰ্ঘ ১৭ বছৰ পিছত এইবাৰ দেশবাসীৰ লগতে ৰাজস্থান আৰু অসমৰ ক্ৰিকেট প্ৰেমীয়ে ৰিয়ান পৰাগৰ নেতৃত্বত ২০২৬ বৰ্ষৰ আইপিএলৰ ট্ৰফী হাতত তুলি লোৱাৰ দৃশ্য চাবলৈ অধীৰ আগ্ৰহেৰে বৈ আছিল যদিও এইবাৰো সেই আশা পূৰণ নহ'ল।

বিগত মাহৰ ৩১ তাৰিখে আইপিএলৰ চূড়ান্ত খেলখন গুজৰাটৰ আহমদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত হয়। চূড়ান্ত খেলখনত প্ৰতিদ্বন্দ্বিতা কৰে ৰজত পাটিদাৰ নেতৃত্বাধীন ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু চমুকৈ আৰচিবি আৰু শুভমন গীল নেতৃত্বাধীন গুজৰাট টাইটানছ দলটোৱে। চূড়ান্ত খেলখনত আৰচিবি দলটোৱে খিতাপ দখল কৰিবলৈ সক্ষম হয়। এই বিজয়ে বহু ক্ৰিকেটাৰৰ জীৱনলৈ সোণালী সুযোগ কঢ়িয়াই আনিব। কাৰণ সাম্প্ৰতিক সময়ত আইপিএল প্ৰতিযোগিতাত প্ৰদৰ্শনৰ জৰিয়তে বহুতো ক্ৰিকেটাৰৰ ভৱিষ্যৎ নিৰ্ধাৰণ হয়। এইবাৰো তাৰ ব্যতিক্ৰম নহ'ব। ইতিমধ্যে ইয়াৰ প্ৰভাৱ দেখা গৈছে। সেয়েহে আমাৰ অসমৰ একমাত্ৰ ৰাষ্ট্ৰীয় দলৰ খেলুৱৈ হিচাপে ৰিয়ান পৰাগৰ ওপৰত সকলোৰে দৃষ্টি নিবদ্ধ থাকিব; লগতে অসমবাসীৰ থাকিব আশীৰ্বাদ। এইবাৰ অসমৰ সুযোগ্য সন্তান ৰিয়ান পৰাগৰ নেতৃত্বৰ বাহিৰে ব্যক্তিগত প্ৰদৰ্শন বিশেষ ভাল বুলি ক'ব নোৱাৰি। অকল নেতৃত্বৰ জৰিয়তে বৰ্তমান ভাৰতীয় ৰাষ্ট্ৰীয় দলত খেলিবলৈ পোৱাটো সম্ভৱ নহয়; সেয়েহে ৰিয়ান পৰাগে নিশ্চিতভাৱে ব্যক্তিগত প্ৰদৰ্শন উন্নত কৰিবই লাগিব কাৰণ প্ৰত্যেকজন অসমীয়াই ৰিয়ান পৰাগক ভাৰতৰ ৰাষ্ট্ৰীয় ক্ৰিকেট দলক প্ৰতিনিধিত্ব কৰাটো আন্তৰিকতাৰে কামনা কৰে। এই প্ৰতিযোগিতাৰ সময়ত বহু কেইখন প্ৰতিভাশালী নতুন মুখ বৰ্তমান ভাৰতৰ ক্ৰিকেটত দেখা গৈছে। যিটো ভাৰতৰ ক্ৰিকেটৰ বাবে শুভ সংকেত। যথেষ্ট প্ৰতিভাৰে আগুৰি থকা ভাৰতীয় ক্ৰিকেটত এজন অসমীয়া হিচাপে ৰিয়ান পৰাগে অসমবাসীৰ লগতে ক্ৰিকেট বিশেষজ্ঞৰ মন জয় কৰিব পৰাটো নিশ্চিতভাৱে অসমীয়াৰ বাবে গৌৰৱৰ বিষয়। গঠনমূলক সমালোচনাৰ বাহিৰে নেতিবাচক কথাক আওকাণ কৰি আগুৱাই যাব পৰাজনহে জীৱনত সফল হয়। ইয়াৰ প্ৰমাণ ইতিমধ্যে দি গৈছে অসমৰ সু-সন্তান ৰিয়ান পৰাগে। আগন্তুক সময়ত ভাৰতৰ ৰাষ্ট্ৰীয় দলত ৰিয়ান পৰাগে এজন নিয়মীয়া খেলুৱৈ হিচাপে প্ৰতিনিধিত্ব কৰাৰ সুবিধা পাওক তাৰেই কামনা কৰিলোঁ।

# ভাষাৰ মৰ্যাদা আৰু সামাজিক সৌহাৰ্দ্য সাম্প্ৰতিক সময়ৰ এক গুৰুত্বপূৰ্ণ প্ৰত্যাহ্বান

কবিতা নাথ

সাম্প্ৰতিক গোলকীয় ভূ-ৰাজনীতি এক তীব্ৰ পৰিৱৰ্তন আৰু কৌশলগত সজ্জীকৰণৰ মাজেৰে গতি কৰিছে। ছোভিয়েট ইউনিয়নৰ পতনৰ পাছত বিশ্বই যি এক আপেক্ষিক শান্তিপূৰ্ণ আৰু বহুপাক্ষিক ব্যৱস্থাৰ অভিজ্ঞতা লাভ কৰিছিল, সি বৰ্তমান সময়ত পুনৰ এক নতুন শীতযুদ্ধসদৃশ পৰিস্থিতিলৈ ৰূপান্তৰিত হৈছে। ইউক্ৰেইন সংকট, মধ্যপ্ৰাচ্যৰ অশান্তি আৰু দক্ষিণ চীন সাগৰত বৰ্ধিত সামৰিক উত্তেজনাৰ মাজতে বিশ্বৰ অন্যতম আগশাৰীৰ প্ৰতিৰক্ষা গৱেষণা প্ৰতিষ্ঠান 'ষ্টকহোম আন্তঃৰাষ্ট্ৰীয় শান্তি গৱেষণা প্ৰতিষ্ঠান' চমুকৈ চিপ্ৰি (SIPRI)-ৰ শেহতীয়া প্ৰতিবেদনে বিশ্বজুৰি এক নতুন চৰ্চাৰ জন্ম দিছে। প্ৰতিবেদনখনত উল্লেখ কৰা অনুসৰি, ২০২৫ বৰ্ষত ভাৰতে নিজৰ পাৰমাণৱিক অস্ত্ৰভাণ্ডাৰ উল্লেখনীয়ভাৱে সম্প্ৰসাৰণ কৰিছে। কোনো এখন আগশাৰীৰ সংবাদ পত্ৰৰ সম্পাদকীয় পৃষ্ঠাৰ বাবে ই এক অতিশয় গুৰুত্বপূৰ্ণ আৰু সংবেদনশীল বিষয়, কাৰণ ই কেৱল ভাৰতৰ প্ৰতিৰক্ষা নীতিকেই প্ৰতিনিধিত্ব নকৰে, বৰঞ্চ সমগ্ৰ দক্ষিণ এছিয়া তথা বিশ্ব শক্তিৰ সন্তুলনৰ ক্ষেত্ৰতো ইয়াৰ গভীৰ প্ৰাসংগিকতা আছে।

চিপ্ৰিৰ সাম্প্ৰতিক তথ্য অনুসৰি, ভাৰতৰ পাৰমাণৱিক কঢ়িওৱা ক্ষমতা থকা অস্ত্ৰৰ সংখ্যা পূৰ্বৰ তুলনাত বৃদ্ধি পাইছে। অৱশ্যে এই বৃদ্ধি কোনো ধৰণৰ আক্ৰমণাত্মক বা যুদ্ধংদেহী মনোভাৱৰ বহিৰ্প্ৰকাশ নহয়, বৰঞ্চ ই এক পুৰঠ প্ৰতিৰক্ষা কৌশলৰ অংশ। ভাৰতে দীৰ্ঘদিন ধৰি নিজৰ পাৰমাণৱিক নীতিত 'প্ৰথমে ব্যৱহাৰ নকৰা' (No First Use) আৰু 'প্ৰতিৰোধ ক্ষমতাৰ বাবে ন্যূনতম মজুত' (Credible Minimum Deterrence) নীতি কঠোৰভাৱে পালন কৰি আহিছে। কিন্তু পৰিৱৰ্তিত আঞ্চলিক নিৰাপত্তাৰ পৰিৱেশে নতুন দিল্লীক নিজৰ প্ৰতিৰোধ ক্ষমতাক অধিক আধুনিক আৰু শক্তিশালী কৰিবলৈ বাধ্য কৰিছে। বিশেষকৈ উত্তৰ সীমান্তত চীনৰ ক্ৰমবৰ্ধমান সামৰিক আধুনিকীকৰণ আৰু পশ্চিম সীমান্তত পাকিস্তানৰ সৈতে থকা দীৰ্ঘদিনীয়া প্ৰত্যাহ্বানে ভাৰতক এক জটিল কৌশলগত আৱেষ্টনীৰ মাজলৈ ঠেলি দিছে। চিপ্ৰিৰ প্ৰতিবেদনত এই কথা স্পষ্টকৈ উল্লেখ কৰা হৈছে যে ভাৰত আৰু পাকিস্তান দুয়োখন দেশে নিজৰ পাৰমাণৱিক ভাণ্ডাৰ বিকশিত কৰি থকাৰ বিপৰীতে চীনে এই ক্ষেত্ৰত অধিক ক্ষিপ্ৰতাৰে আগবাঢ়িছে।

ভাৰতৰ পাৰমাণৱিক কাৰ্যসূচীৰ মূল চালিকা শক্তি হৈছে এক 'ত্ৰিমাত্ৰিক প্ৰতিৰোধ ব্যৱস্থা' বা 'নিউক্লিয়েৰট্ৰায়াড' (Nuclear Triad) সম্পূৰ্ণ কৰা। ইয়াৰ অৰ্থ হ'ল ভূমি, আকাশ আৰু পানী— এই তিনিওটা মাধ্যমৰ পৰাই পাৰমাণৱিক আক্ৰমণ প্ৰতিহত কৰাৰ ক্ষমতা অৰ্জন কৰা। চিপ্ৰিৰ বিশ্লেষণ অনুসৰি, ২০২৫ বৰ্ষত ভাৰতে নিজৰ দীৰ্ঘ দূৰত্বৰ বেলিষ্টিক ক্ষেপণাস্ত্ৰ, বিশেষকৈ 'অগ্নি-৫' (AgniV) প্ৰণালীক অধিক নিখুঁত আৰু কাৰ্যক্ষম কৰি তুলিছে। অগ্নি-৫ মিছাইলৰ সফল পৰীক্ষণ আৰু ইয়াক সামৰিক বাহিনীত অন্তৰ্ভুক্ত কৰাৰ পদক্ষেপে ভাৰতক সমগ্ৰ এছিয়া মহাদেশৰ ভিতৰতে এক নিৰ্ভৰযোগ্য প্ৰতিৰোধ ক্ষমতা প্ৰদান কৰিছে। একেদৰে, বায়ুসেনাৰ যুঁজাৰু বিমানসমূহক পাৰমাণৱিক সঁজুলি কঢ়িয়াব পৰাকৈ আধুনিকীকৰণ কৰা হৈছে। কিন্তু আটাইতকৈ গুৰুত্বপূৰ্ণ অগ্ৰগতি লাভ কৰা হৈছে সাগৰীয় বুকুত। ভাৰতীয় নৌসেনাৰ হাতত থকা 'আই এন এছ অৰিহন্ত' (INS Arihant) শ্ৰেণীৰ পাৰমাণৱিক চালিত চাবমেৰিনসমূহে দেশক দ্বিতীয় আক্ৰমণৰ ক্ষমতা (Second Strike Capability) প্ৰদান কৰিছে, যিটো কোনো শত্ৰুপক্ষৰ আকস্মিক প্ৰথম আক্ৰমণৰ পাছতো শত্ৰুক ধূলিসাৎ কৰিবলৈ আটাইতকৈ সুৰক্ষিত মাধ্যম। এই সামৰিক সম্প্ৰসাৰণৰ আঁৰত থকা ভূ-ৰাজনৈতিক কাৰণসমূহ বিশ্লেষণ কৰিলে দেখা যায় যে বৰ্তমান বেইজিং আৰু ইছলামাবাদৰ মাজত গঢ়ি উঠা অক্ষই নতুন দিল্লীৰ বাবে 'দ্বিমুখী যুদ্ধ' (Two-Front War)ৰ শংকা সদায় সজীৱ কৰি ৰাখিছে। চীনে নিজৰ পাৰমাণৱিক ভাণ্ডাৰ প্ৰায় ৫০০ ৰোধিকলৈ বৃদ্ধি কৰাৰ লগতে পাকিস্তানকো অহৰহ প্ৰযুক্তিগত সহায় আগবঢ়াই আহিছে। এনে পৰিস্থিতিত ভাৰতে যদি নিজৰ প্ৰতিৰোধ ক্ষমতা বৃদ্ধি নকৰে, তেন্তে আঞ্চলিক শক্তিৰ ভাৰসাম্য হেৰাই যোৱাৰ পূৰ্ণ সম্ভাৱনা থাকে। চিপ্ৰিয়ে নিজৰ প্ৰতিবেদত এইটোও আঙুলিয়াই দিছে যে সমগ্ৰ বিশ্বতে বৰ্তমান পাৰমাণৱিক নীৰস্ত্ৰীকৰণৰ (Disarmament) সলনি পুনৰ পাৰমাণৱিক সজ্জীকৰণৰ (Armament) প্ৰতিযোগিতাহে আৰম্ভ হৈছে। আমেৰিকা, ৰাছিয়া, চীন আদি বৃহৎ শক্তিসমূহে নিজৰ পুৰণি অস্ত্ৰসমূহ সলনি কৰি নতুন আৰু সংহাৰী প্ৰযুক্তি ব্যৱহাৰ কৰিবলৈ লৈছে, যাৰ ফলত শীতল যুদ্ধৰ কালছোৱাৰ দৰে এক ভয়ংকৰ গোলকীয় নিৰাপত্তাহীনতাই গা কৰি উঠিছে। অৱশ্যে, ভাৰতৰ পাৰমাণৱিক কাৰ্যসূচীৰ এক সুকীয়া বৈশিষ্ট্য আছে যিয়ে ইয়াক অন্যান্য দেশসমূহৰ পৰা পৃথক কৰে। ভাৰত বিশ্বৰ একমাত্ৰ দেশ, যিয়ে পাৰমাণৱিক অপ্ৰসাৰণ চুক্তিত (NPT) স্বাক্ষৰ নকৰাকৈও এক দায়িত্বশীল পাৰমাণৱিক শক্তি হিচাপে গোলকীয় স্বীকৃতি লাভ কৰিছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ সৈতে থকা অসামৰিক পাৰমাণৱিক চুক্তি ইয়াৰ এক ডাঙৰ নিদৰ্শন। ভাৰতে কেতিয়াও নিজৰ পাৰমাণৱিক শক্তিৰ ভয় দেখুৱাই চুবুৰীয়া দেশক ব্লেকমেইল কৰা নাই, বৰঞ্চ ইয়াক ৰাষ্ট্ৰীয় সাৰ্বভৌমত্ব ৰক্ষাৰ এক চৰম অস্ত্ৰ হিচাপহে ব্যৱহাৰ কৰিছে। ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা পৰিষদ আৰু প্ৰধানমন্ত্ৰীৰ নেতৃত্বত থকা 'নিউক্লিয়েৰ কমাণ্ড অথৰিটি' (NCA)ৰ অধীনত থকা এই ব্যৱস্থা সম্পূৰ্ণৰূপে গণতান্ত্ৰিক আৰু অসামৰিক নিয়ন্ত্ৰণৰ অধীনত পৰিচালিত হয়, যাৰ ফলত কোনো ধৰণৰ অপব্যৱহাৰ বা ভুল বুজাবুজিৰ অৱকাশ নাথাকে।

চিপ্ৰিৰ ২০২৫ চনৰ প্ৰতিবেদনে প্ৰকাশ কৰা ভাৰতৰ পাৰমাণৱিক সম্প্ৰসাৰণৰ খবৰটো আচলতে এক কঠিন গোলকীয় বাস্তৱৰ অনিবাৰ্য প্ৰতিফলন। 'শান্তি বিচাৰিলে যুদ্ধৰ বাবে প্ৰস্তুত থাকিব লাগিব'— এই প্ৰাচীন নীতিকে সাৰোগত কৰি ভাৰতে নিজৰ সুৰক্ষা বেষ্টনী কটকটীয়া কৰি তুলিছে। অনাগত দিনত বিশ্বজুৰি এই সামৰিক প্ৰতিযোগিতা আৰু অধিক বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। গতিকে, ভাৰতে নিজৰ অৰ্থনৈতিক উন্নয়নৰ সমান্তৰালভাৱে সামৰিক আৰু পাৰমাণৱিক আত্মনিৰ্ভৰশীলতা অৰ্জন কৰাটো অতি প্ৰয়োজনীয়। এখন শক্তিশালী, সুৰক্ষিত আৰু আত্মবিশ্বাসী ভাৰতহে কেৱল নিজৰ ভৌগোলিক অখণ্ডতা ৰক্ষা কৰিবলৈ সক্ষম নহয়, বৰঞ্চ সমগ্ৰ দক্ষিণ এছিয়া অঞ্চলত শান্তি আৰু স্থিৰতাৰ এক মুখ্য কাণ্ডাৰী হিচাপেও থিয় দি থাকিব পাৰিব।

# বৰপেটা চিকিৎসা মহাবিদ্যালয়ত নৱনিৰ্বাচিত বিধায়ক দীপক কুমাৰ দাসৰ পৰিদৰ্শন; উন্নয়নৰ আশ্বাস

**অসম বাৰ্তা, কুমুল্লী পৰা, ১১ জুন ঃ** বৰপেটা সমষ্টিৰ নৱনিৰ্বাচিত বিধায়ক দীপক কুমাৰ দাসে আজি বৰপেটা চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় পৰিদৰ্শন কৰি চিকিৎসা প্ৰতিষ্ঠানখনৰ অধ্যক্ষ, উপাধ্যক্ষ, অধীক্ষক তথা বিভিন্ন বিভাগৰ মুৰব্বী অধ্যাপক, চিকিৎসক আৰু কৰ্মচাৰীসকলৰ সৈতে মত বিনিময় কৰে। চিকিৎসা মহাবিদ্যালয় কৰ্তৃপক্ষৰ নিমন্ত্ৰণ ক্ৰমে অনুষ্ঠিত এই বৈঠকত অধ্যক্ষগৰাকীয়ে বৰপেটা চিকিৎসা মহাবিদ্যালয়ৰ সামগ্ৰিক পৰিস্থিতি, আন্তঃগাঁথনি, চিকিৎসা সেৱা আৰু ভৱিষ্যৎ পৰিকল্পনাসমূহ সম্পৰ্কে তথ্যসম্বলিত এক ভিজুৱেল শ্লাইড প্ৰদৰ্শন কৰে। ইয়াৰ জৰিয়তে চিকিৎসা মহাবিদ্যালয়খনৰ বৰ্তমানৰ কাৰ্যকলাপ আৰু উন্নয়নৰ বিভিন্ন দিশ বিধায়কগৰাকীক অৱগত কৰা হয়। ইফালে, চিকিৎসালয়ৰ অধীক্ষকে ৰোগীসকলৰ অভিযোগ গ্ৰহণ আৰু নিষ্পত্তিৰ বাবে উপলব্ধ বিভিন্ন সুবিধা আৰু ব্যৱস্থাপনাৰ বিষয়ে চমু আভাস দাঙি ধৰে। ৰোগীসকলক অধিক স্বচ্ছ আৰু দায়বদ্ধ স্বাস্থ্যসেৱা আগবঢ়োৱাৰ ক্ষেত্ৰত গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়েও আলোচনা কৰা হয়। বৈঠকত উপস্থিত চিকিৎসক, অধ্যাপক আৰু কৰ্মচাৰীসকলৰ সৈতে মত বিনিময় কৰি বিধায়ক দীপক কুমাৰ দাসে বৰপেটা চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ সামগ্ৰিক উন্নয়নৰ বাবে প্ৰয়োজনীয় সহায়-সহযোগিতা আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। বিশেষকৈ, ৰাইজে উন্নত আৰু সহজলভ্য স্বাস্থ্যসেৱা লাভ কৰিব পৰাকৈ অনাগত দিনত চিকিৎসা প্ৰতিষ্ঠানখনৰ আন্তঃগাঁথনি আৰু সেৱাৰ মান উন্নয়নত গুৰুত্ব আৰোপ কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে। এই পৰিদৰ্শন আৰু আলোচনা সভাৰ জৰিয়তে বৰপেটা চিকিৎসা মহাবিদ্যালয়ৰ উন্নয়ন আৰু স্বাস্থ্যসেৱাৰ গুণগত মান বৃদ্ধিৰ ক্ষেত্ৰত নতুন আশাৰ সঞ্চাৰ হৈছে বুলি উপস্থিতসকলে মত প্ৰকাশ কৰে।

# কুলশী নৈপৰীয়া লেখিকা সমাৰোহ সমিতিৰ আদৰণি অনুষ্ঠান

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, টংলা, ১১ জুন ঃ** ওদালগুৰি জিলা লেখিকা সমাৰোহ সমিতিৰ অন্যতম শাখা কুলশী নৈপৰীয়া লেখিকা সমাৰোহ সমিতিৰ আদৰণি অনুষ্ঠান আৰু কাৰ্যনিৰ্বাহক সভাখন যোৱা ৬ জুনত টংলাৰ সমীপৰ জংগলপাৰা প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত হৈ যায়। শাখাৰ সভানেত্ৰী ৰঞ্জি শইকীয়া ডেকাৰ সভানেত্ৰিত্বত অনুষ্ঠিত সভাখন যমুনা ডেকা আৰু সংগীবৃন্দই পৰিৱেশন কৰা গীতেৰে আৰম্ভ হয়। শাখাৰ সম্পাদিকা নিৰুপমা ডেকাই উদ্দেশ্য ব্যাখ্যা কৰা সভাখনত ওদালগুৰি জিলা লেখিকা সমাৰোহ সমিতিৰ সম্পাদিকা ক্ষীৰা শইকীয়া ডেকাই নিৰ্দিষ্ট বক্তাৰূপে অংশগ্ৰহণ কৰে। তেওঁ কয় ঃ যিবোৰ নিয়ম-শৃংখলা মানিলে ঘৰখনৰ লগতে সমাজখন শৃংখলিত হয় তেনেবোৰ নিয়ম মানি চলিব লাগে। এই ক্ষেত্ৰত পুৰুষগৰাকীৰ সৈতে মহিলাগৰাকীৰো যথেষ্ট দায়িত্ব আছে। সভাত ওদালগুৰি জিলা লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী চন্দ্ৰ প্ৰভা দত্ত, ওদালগুৰি জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি গৌৰীশংকৰ দাস, ব্ৰহ্মহিত সাধিনী সাহিত্য কানন- জলাহৰ প্ৰাক্তন সভাপতি দেবেন্দ্ৰ নাথ চহৰীয়া আৰু কলাগুৰু বিষ্ণুৰাভা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী কামনা কাকতি দাসে ভাষণ প্ৰদান কৰে। জিলা সমিতিৰ বিষয়ববীয়াসকলক আদৰণি জনোৱাৰ পিছতে শিশুশিল্পী ক্ৰমে ৰিয়া ডেকা, শিখামণি ডেকা আৰু কৃষ্ণামণি ডেকাই তিনিটি গীত পৰিৱেশন কৰে। সভাত তৰুপ্ৰভা দেৱীয়ে লোকগীত, প্ৰণতি ডেকাই বৰগীত, দেবেন্দ্ৰ নাথ চহৰীয়াই চিয়াগীত, ভণিতা ডেকা আৰু সংগীবৃন্দই নাম পৰিৱেশন কৰে। ইয়াৰ বাহিৰেও তৰুলতা ডেকাই এটি গল্প আৰু এটি কবিতা পাঠ কৰে। ৰশ্মিৰেখা ৰাভা আৰু বন্তি বৰুৱায়ো একোটিকৈ কবিতা পাঠ কৰে। চম্পা দাসে এখন নাটৰ এটি চৰিত্ৰৰ অভিনয় প্ৰদৰ্শন কৰে। সভাত বৃহত্তৰ টংলা অঞ্চলৰ প্ৰথমগৰাকী বৈদ্যুতিন ৰিস্কাচালিকা স্বাৱলম্বী মহিলা ইলা ডেকাকো সম্বৰ্ধনা জনোৱা হয়। সভা আৰম্ভ হোৱাৰ আগতে লেখিকা সমাৰোহ সমিতিৰ জন্মদাত্ৰী পদ্মশ্ৰী শীলা বৰঠাকুৰ আৰু প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়।

# নকছাৰিত আঞ্চলিক ছাত্ৰ সন্থাৰ সংহতি দিৱস উদযাপন

**অসম বাৰ্তা, নকছাৰি, ১১ জুন ঃ** ঐতিহাসিক খাদ্য আন্দোলনৰ শ্বহীদ গজেন ইংতি আৰু পুতুল শইকীয়াৰ পৱিত্ৰ স্মৃতিত প্ৰত্যেক বছৰে সদৌ অসম ছাত্ৰ সন্থাই ছাত্ৰ সংহতি দিৱস হিচাপে পালন কৰি আহিছে। যোৱা কালি নকছাৰি আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত নকছাৰি আছুৰ শ্বহীদ বাকৰিত ছাত্ৰ সংহতি দিৱস উদযাপন কৰে। পুৱা ছাত্ৰ সন্থাৰ পতাকা উত্তোলন কৰে নকছাৰি আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি মাধুৰ্য্য গগৈয়ে। শ্বহীদ তৰ্পন কৰে নকছাৰি আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক তুৰাজ গগৈয়ে। নকছাৰি আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি মাধুৰ্য্য গগৈ আৰু সাধাৰণ সম্পাদক তুৰাজ গগৈয়ে কয় আজিৰ দিনটোত শ্বহীদ দুগৰাকীক শ্ৰদ্ধাৰে সুঁৱৰিছো। শ্বহীদৰ আদৰ্শৰে উঠি অহা প্ৰজন্মই আগুৱাই যাব লাগিব। শ্বহীদৰ আদৰ্শৰে জাতীয় জীৱন সমৃদ্ধিশালী কৰিব লাগিব। জাতীয় জীৱনৰ প্ৰতি অহা প্ৰতিটো প্ৰত্যাহ্বান উফৰাই শ্বহীদৰ আদৰ্শৰে আগুৱাই যাব লাগিব। সন্ধিয়া শ্বহীদলৈ শ্ৰদ্ধাঞ্জলি জনোৱাৰ মানসেৰে নকছাৰি আঞ্চলিক ছাত্ৰ সন্থাৰ শ্বহীদ বাকৰিত বন্তি প্ৰজ্বলন কৰি নকছাৰি আঞ্চলিক ছাত্ৰ সন্থাৰ বিষয়ববীয়াসকলে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

# ভেৰগাঁৱত নৱ নিৰ্মিত আৰক্ষী চকীৰ গৃহ উন্মোচন




**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, টংলা, ১১ জুন ঃ** ওদালগুৰি জিলাৰ ভেৰগাঁও মহকুমা সদৰত আজি টংলা আৰক্ষী থানাৰ অধীনস্থ ভেৰগাঁও আৰক্ষী চকীৰ নৱ নিৰ্মিত গৃহটোৰ শুভ উন্মোচন কৰে বিটিএডিৰ আৰক্ষী মহা পৰিদৰ্শক আই পি এচ বিবেক ৰাজ সিঙে। প্ৰায় এক কোটি টকা অধিক ধন আবণ্টিত হোৱা ভেৰগাঁও আৰক্ষী চকীৰ নৱ নিৰ্মিত গৃহৰ শুভ উন্মোচনৰ পূৰ্বে আৰক্ষী মহা পৰিদৰ্শক সিঙে আৰক্ষী চকীৰ চৌহদত বৃক্ষ ৰোপণ কৰে। আৰক্ষীৰ গাৰ্ড অৱ অৰ্ণাৰ গ্ৰহণ কৰি নাৰিকল ভাঙি ৰঙা ফিটা কাটি উক্ত নৱনিৰ্মিত গৃহৰ প্ৰৱেশ দুৱাৰ মুকলি কৰি সাংবাদিকক উদ্দেশ্যে সিঙে কয় যে, এইখন আৰক্ষী চকীৰ নৱনিৰ্মিত গৃহটোৱে বৃহত্তৰ ভেৰগাঁওবাসীৰ দীৰ্ঘ দিনীয়া এটা সমস্যা দূৰ কৰিলে। আৰক্ষী চকীখনৰ পূৰ্বৰ জৰাজীৰ্ণ গৃহটো কৰ্তব্যৰত আৰক্ষীৰ লগতে ৰাইজৰ বাবে বহুত অসুবিধাজনক আছিল। কিন্তু আজিৰ পৰা সকলোৱে সমস্যাৰ অন্ত পাৰিব। আৰক্ষী চকীৰ নিচেই কাষত ভেৰগাঁও মহকুমা আৰক্ষী বিষয়াৰ কাৰ্যালয় থকাৰ উপৰিও ভেৰগাঁও মহকুমাধিপতিৰ কাৰ্যালয় থকাৰ বাবে সকলো সমস্যাৰ সমাধান হ'ব। উক্ত অনুষ্ঠানত ওদালগুৰি জিলা আয়ুক্ত জয় বিকাশ, আৰক্ষী অধীক্ষক পদ্মনাভ বৰুৱাৰ লগতে বহু কেইগৰাকী আৰক্ষী বিষয়া উপস্থিত থাকে।

# হজৰত মহম্মদ (ছঃ)ক লৈ বিৰূপ মন্তব্য; অভিযুক্তক গ্ৰেপ্তাৰৰ দাবীত বঙাইগাঁৱত আমছুৰ মানৱ শৃংখল

**অসম বাৰ্তা, বঙাইগাঁও, ১১ জুন ঃ** সামাজিক মাধ্যমত হজৰত মহম্মদ (ছঃ)ক লৈ একাংশ বিকৃতমনা লোকে চলোৱা বিৰূপ মন্তব্যৰ বিৰুদ্ধে আজি উত্তাল হৈ পৰে বঙাইগাঁও জিলা। আমছুৰ কেন্দ্ৰীয় সমিতিৰ নিৰ্দেশ মৰ্মে আৰু বঙাইগাঁও জিলা সমিতিৰ উদ্যোগত, হাপাছৰা-চৌৰাগুৰী আঞ্চলিক সমিতিৰ সহযোগত আজি জিলাখনৰ ৰাখালডুবি তিনিআলিত এক বিশাল মানৱ শৃংখল কাৰ্যসূচী ৰূপায়ণ কৰা হয়। দিনৰ ১২ বজাৰ পৰা ১ ঘণ্টা ধৰি চলা এই প্ৰতিবাদী কাৰ্যসূচীত শতাধিক আমছু কৰ্মীয়ে অংশগ্ৰহণ কৰি সমগ্ৰ অঞ্চলটো প্ৰতিবাদমুখৰ কৰি তোলে। প্ৰতিবাদকাৰীসকলে অভিযোগ কৰা অনুসৰি, এই বিষয়টো সন্দৰ্ভত ৰাজ্যৰ বিভিন্ন থানাত ইতিমধ্যে গোচৰ ৰুজু কৰা হৈছে যদিও প্ৰশাসনে বৰ্তমানলৈকে অভিযুক্তসকলৰ বিৰুদ্ধে কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা নাই। এই নিৰ্লিপ্ততাৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰি আমছুৱে আজি বঙাইগাঁও জিলা প্ৰশাসনৰ জৰিয়তে ৰাজ্যৰ মুখ্যমন্ত্ৰীলৈ এখন স্মাৰক পত্ৰ প্ৰদান কৰে। ধৰ্মীয় অনুভূতিত আঘাত কৰা এনে কাৰ্যক কঠোৰ ভাষাৰে গৰিহণা দি অচিৰেই দোষীক গ্ৰেপ্তাৰ কৰি আইনৰ কাঠগড়াত থিয় কৰাবলৈ সংগঠনটোৱে চৰকাৰক দাবী জনায়।

### খেল-ধেমালিয়ে মানসিক শক্তিও বৃদ্ধি কৰে ঃ জিলা আয়ুক্ত দেৱাশিস শৰ্মা

# নগাঁও জিলা আন্তঃস্কুল ক্ৰিকেট প্ৰতিযোগিতা আৰম্ভ




**অসম বাৰ্তা, পুৰণিগুদাম, ১১ জুন ঃ** নগাঁও ক্ৰীড়া সন্থাৰ উদ্যোগত আজিৰে পৰা অহা ১৮ জুনলৈ অনুষ্ঠিত হৈছে নগাঁও জিলা আন্তঃস্কুল ক্ৰিকেট প্ৰতিযোগিতা ২০২৬। নগাঁও ক্ৰীড়া সংস্থাৰ খেলপথাৰ নুৰুল আমিন ষ্টেডিয়ামত উৎসাহ-উদ্দীপনাৰে আৰম্ভ হোৱা এই প্ৰতিযোগিতাৰ আজি আনুষ্ঠানিকভাৱে উদ্বোধন কৰে জিলা আয়ুক্ত দেৱাশিস শৰ্মাই। উদ্বোধনী ভাষণত জিলা আয়ুক্ত গৰাকীয়ে ছাত্ৰ-ছাত্ৰীসকলৰ সৰ্বাংগীণ উন্নয়নত ক্ৰীড়াৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ কথা উল্লেখ কৰে। তেওঁ কয় যে, কেৱল পুথিগত শিক্ষাই নহয়, ক্ৰীড়াই যুৱপ্ৰজন্মৰ মাজত শাৰীৰিক শক্তি বৃদ্ধি কৰাৰ লগতে মানসিক দৃঢ়তা আৰু ক্ৰীড়া সুলভ মনোভাৱ গঢ়ি তোলে। খেলুৱৈসকলক জয়-পৰাজয় নেওচি কেৱল খেলৰ প্ৰতি থকা নিষ্ঠা বজাই ৰাখিবলৈ তেওঁ আহ্বান জনায়। এই প্ৰতিযোগিতাই উদীয়মান খেলুৱৈসকলক তেওঁলোকৰ দক্ষতা, শৃংখলাবদ্ধতা, দলগত কাম আৰু খেলৰ প্ৰতি থকা হেঁপাহ প্ৰদৰ্শন কৰাৰ বাবে এক সুন্দৰ মঞ্চ প্ৰদান কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। ক্ৰীড়া সন্থাৰ তৰফৰ পৰা জনোৱা মতে, এই প্ৰতিযোগিতাত জিলাখনৰ ১৬খন বিদ্যালয়ে অংশগ্ৰহণ কৰিছে। উদ্বোধনী অনুষ্ঠানত অসম হকী সন্থাৰ সভাপতি তপন কুমাৰ দাস প্ৰমুখ্যে ক্ৰীড়াৰ লগত জড়িত কেইবাগৰাকীও গণ্য-মান্য ব্যক্তি, জিলাখনৰ কেইবাখনো বিদ্যালয়ৰ অধ্যক্ষ, খেলুৱৈসকল আৰু বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।

# গোলাঘাটৰ উৰিয়ামঘাট আৰু মেৰাপানীত পুনৰ উচ্ছেদ অভিযান; সাজু বন বিভাগ আৰু জিলা প্ৰশাসন

**অসম বাৰ্তা, মেৰাপানী, ১১ জুন ঃ** গোলাঘাট জিলাৰ মেৰাপানী আৰু উৰিয়ামঘাট অঞ্চলত পুনৰ উচ্ছেদ অভিযান চলাবলৈ সাজু হৈছে জিলা প্ৰশাসন আৰু বন বিভাগ। এই কথা জানিবলৈ দিয়ে গোলাঘাট জিলা বন সংমণ্ডল প্ৰাধিকাৰী বিষয়া মুকুট চন্দ্ৰ দাসে। বন বিষয়া গৰাকীয়ে জানিবলৈ দিয়া মতে, দৈয়াং বনাঞ্চলৰ নেঘেৰিবিল আৰু দক্ষিণ নামবৰ বনাঞ্চলৰ ৩ নং ৰজা পুখুৰী অঞ্চলত পূৰ্বে চলোৱা উচ্ছেদ অভিযানত কিছু পৰিয়ালক উচ্ছেদ কৰিব পৰা হোৱা নাছিল। ২০২৫ চনত দক্ষিণ নামবৰ বনাঞ্চলত ১২টা আৰু দৈয়াং বনাঞ্চলৰ নেঘেৰিবিলত ৫৯টা ঘৰ আদালত বিচাৰাধীন হৈ থকাৰ বাবে উচ্ছেদ কৰিব পৰা হোৱা নাছিল। সোমবাৰে গুৱাহাটী উচ্চ ন্যায়ালয়ে এক গুৰুত্বপূৰ্ণ নিৰ্দেশনা জাৰি কৰি এক মাহৰ ভিতৰত উক্ত অঞ্চলসমূহত পুনৰ উচ্ছেদ অভিযান চলাবলৈ অসম চৰকাৰক নিৰ্দেশ দিয়ে। আদালতৰ এই নিৰ্দেশনাৰ পাছতে বন বিভাগ আৰু জিলা প্ৰশাসনে অভিযানৰ প্ৰস্তুতি আৰম্ভ কৰিছে। উল্লেখ্য যে, যোৱা ২৭ আৰু ২৮ মে'ত বন বিভাগৰ বিশেষ মুখ্য সচিব এম. কে. যাদৱে ঘটনাস্থলী পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লয় আৰু সংশ্লিষ্ট বিষয়াসকলৰ সৈতে আলোচনাত মিলিত হয়। বন বিভাগৰ তথ্য অনুসৰি, এইবাৰৰ উচ্ছেদ অভিযান সফলভাৱে সম্পন্ন হ'লে দৈয়াং বনাঞ্চলৰ ২নং নেঘেৰিবিল অঞ্চলত প্ৰায় ৩৪.৮ হেক্টৰ ভূমি উদ্ধাৰ হ'ব। আনহাতে, দক্ষিণ নামবৰ বনাঞ্চলত প্ৰায় ২ হেক্টৰ ভূমি পুনৰ বন বিভাগৰ দখললৈ আহিব। উল্লেখযোগ্য যে, যোৱা বছৰৰ আগষ্ট মাহত চলোৱা বৃহৎ উচ্ছেদ অভিযানত দৈয়াং বনাঞ্চলৰ ২নং নেঘেৰিবিল অঞ্চলত ৫৫ হেক্টৰ আৰু দক্ষিণ নামবৰ বনাঞ্চলত ১৯৭ হেক্টৰ ভূমি উদ্ধাৰ কৰিবলৈ সক্ষম হৈছিল বুলি মন্তব্য কৰে গোলাঘাট জিলা বন সংমণ্ডল প্ৰাধিকাৰী বিষয়া মুকুট চন্দ্ৰ দাসে।

# টিৰাপ সংৰক্ষিত বনাঞ্চলত লাইকাবাসীক পুনঃ সংস্থাপনৰ বিৰোধিতা সদৌ অসম টাংছা ছাত্ৰ সন্থাৰ

**জাগুনৰ মৃংকাম গাঁৱত সংবাদমেল সম্বোধন ছাত্ৰ সংগঠনটোৰ**

**অসম বাৰ্তা বিশেষ, জাগুন, ১১ জুন ঃ** আজি জাগুনৰ অসম-অৰুণাচল প্ৰদেশ সীমান্তৱৰ্তী টাংছা জনগোষ্ঠী বসতি প্ৰধান মুংকাম গাঁৱত এখন সংবাদ মেল অনুষ্ঠিত হয়। সদৌ অসম টাংছা ছাত্ৰ সন্থাৰ নেতৃত্বত অনুষ্ঠিত হোৱা এই সংবাদ মেলত তিনিচুকীয়া জিলাৰ লাইকাবাসীক টিৰাপ সংৰক্ষিত বনাঞ্চলত সংস্থাপনৰ তীব্ৰ বিৰোধিতা কৰে ছাত্ৰ সংগঠনটোৱে। উল্লেখ্য যে অসম চৰকাৰে ডিব্ৰু-ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যান ঘোষনা হোৱাৰ পূৰ্বতে লাইকা গাঁৱত বসবাস কৰা প্ৰায় ৩৩৪টা পৰিয়ালক ডিগবৈ বন সংমণ্ডলৰ লেখাপানী আঞ্চলিক বন বিষয়া কাৰ্যালয়ৰ অন্তৰ্গত টিৰাপ সংৰক্ষিত বনাঞ্চলত পুনসংস্থাপনৰ ব্যৱস্থা গ্ৰহণ কৰিছে। চৰকাৰ আৰু বন বিভাগৰ এই সিদ্ধান্তৰ তীব্ৰ বিৰোধ কৰি ছাত্ৰ সংগঠনটোৰ নেতৃত্বই উল্লেখ কৰে যে তিনিচুকীয়া জিলাৰ টিৰাপ মৌজাৰ অন্তৰ্গত কেৱল লেখাপানী আৰু জাগুন অঞ্চলতেই বাৰে বাৰে চৰকাৰখনে লাইকাবাসী পৰিয়াল সমূহক পুনৰ সংস্থাপনৰ ব্যৱস্থা গ্ৰহণ কৰাটো অতিকৈ দুৰ্ভাগ্যজনক। যিহেতু আমি এই অঞ্চলত অতিজৰে পৰা বসবাস কৰি অহা কেইবাটাও জনগোষ্ঠীৰ লোক আজিও বিভিন্ন সমস্যাৰে জৰ্জড়িত হৈ আছো। তেনেস্থলত পুনৰ সংস্থাপনৰ নামত লাইকা বাসীক এই অঞ্চলত সংস্থাপিত কৰি আমাক এক গভীৰ সংকটৰ মাজলৈ ঠেলি দিবলৈ চক্ৰান্তত লিপ্ত হৈছে চৰকাৰ তথা চৰকাৰী পক্ষ যিটো বিষয় আমাৰ মাজত এক নুবুজা সাঁথৰ হৈ পৰিছে। এক কথাত কবলৈ গলে লাইকাবাসী ৰাইজক পুনঃসংস্থাপন দিয়াত আমাৰ পূৰ্ণ সমৰ্থন আছে আৰু সদায় থাকিব কিন্তু এই অঞ্চলত তেওঁলোকক সংস্থাপন নিদি অন্য ঠাইত সংস্থাপনৰ ব্যৱস্থা গ্ৰহণ কৰক চৰকাৰে। চৰকাৰ আৰু বন বিভাগে গ্ৰহণ কৰা এই সিদ্ধান্ত যদি বাতিল নকৰি আঁকোৰগোজ মনোভাৱেৰে পদক্ষেপ গ্ৰহণ কৰে তেনে পৰিস্থিতিত সৃষ্টি হ'ব পৰা যিকোনো সংঘাতৰ বাবে চৰকাৰ তথা বন বিভাগ জগৰীয়া হ'ব বুলিও উল্লেখ কৰে ছাত্ৰ সংগঠনটোৰ নেতৃত্বই।

# বকোৰ বিশিষ্ট কবি আবৃত্তিকাৰ নাৰায়ণ তালুকদাৰৰ বিয়োগত গভীৰ শোক সাহিত্য সভাৰ

**অসম বাৰ্তা, বকো, ১১ জুন ঃ** অসম সাহিত্য সভাৰ আজীৱন সভ্য তথা কামৰূপ জিলাৰ বকোৰ বিশিষ্ট কবি; আবৃত্তিকাৰ আৰু বৌদ্ধিক সমাজৰ বিশেষ ব্যক্তি নাৰায়ণ তালুকদাৰৰ আজি পৰলোক গমন হয়। বকো সাহিত্য সভা শতদল শাখাৰ একনিষ্ঠ সেৱক তথা বৌদ্ধিক সমাজৰ পুৰোধা ব্যক্তি নাৰায়ণ তালুকদাৰৰ বিয়োগত সৰ্বত্ৰে শোকৰ ছাঁ পৰিছে। প্ৰাপ্ত তথ্য অনুসৰি; প্ৰয়াত নাৰায়ণ তালুকদাৰে ১৯৫৫ চনৰ ১৭ ডিচেম্বৰত নলবাৰীৰ জিলাৰ টিহু ৰাজহ চক্ৰৰ অন্তৰ্গত বালি গাঁৱত জন্ম গ্ৰহণ কৰিছিল। নলবাৰীতেই শিক্ষা গ্ৰহণ কৰি অসম চৰকাৰৰ জলসিঞ্চন বিভাগত কৰ্মৰত হৈছিল। ইফালে ২০১৪ চনৰ ৩১ আগষ্টত চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰে। উল্লেখ্য যে; বকো সাহিত্য সভাৰ প্ৰাক্তন সভাপতি সুৰেণ চন্দ্ৰ কলিতা আৰু বৰ্তমানৰ সম্পাদক জনাৰ্দ্দন বড়ো আৰু পত্ৰিকা সম্পাদক পবিত্ৰ কৈৱৰ্তৰ লগতে তালুকদাৰৰ পৰিয়ালৰ লোকে জনোৱা অনুসৰি ১৯৮৩ চনৰ পৰা বকোত নিগাজীকৈ থাকে। ইফালে জীৱন কালত নাৰায়ণ তালুকদাৰে বকো সাহিত্য সভাৰ জৰিয়তে অসম সাহিত্য সভাৰ আজীৱন সভ্য পদ লাভ কৰি সাহিত্য সভাৰ সেৱা কৰি আহিছে। সাহিত্য সভাৰ লগত জড়িত থাকি বিভিন্ন সময়ত হোৱা অনুষ্ঠান প্ৰতিষ্ঠানত স্ব-ৰচিত কবিতা পাঠ কৰাৰ উপৰিও আবৃত্তি কৰি প্ৰশংসা বুটলিবলৈ সক্ষম হৈছিল। তেওঁ সাহিত্য চৰ্চাৰ লগতে কবিতা আবৃত্তি, বক্তৃতা প্ৰদান আদি বিষয়ত আগৰণুৱা আছিল। তেওঁ অসম বিজ্ঞান সমিতি - ইলোৰা বিজ্ঞান মঞ্চকে ধৰি বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত জড়িত আছিল। প্ৰায় ৭১ বছৰ বয়সত ৰোগজনিত কাৰণত তালুকদাৰৰ বিয়োগ ঘটে। মৃত্যুৰ সময়ত তেখেতে পত্নী আৰু দুগৰাকী জীয়ৰী-জোৱাই সহ বহু আত্মীয় স্বজনক এৰি থৈ যায়। ইফালে বহু সংখ্যক শুভাকাংক্ষীয়ে শোক প্ৰকাশ কৰে আৰু ৰাইজৰ উপস্থিতিত শেষকৃত্য সম্পন্ন কৰা হয়।

**ধীৰেন শৰ্মা, কীৰ্তিকমল ভূঞা, পুতলী কায়স্থ আৰু ডঃ সীমা কাশ্যপলৈ বিপ্লৱীসত্তা গোপাল দাস বিশেষ সন্মান**

# গীতিকাৰ-সুৰকাৰ ৰেণু দত্ত বৰফুকনলৈ বিপ্লৱীসত্তা গোপাল দাস স্মাৰক বঁটা

**অসম বাৰ্তা, সোণাপুৰ, ১১ জুন ঃ** গুৱাহাটী দীঘলীপুখুৰীস্থিত অসম সাহিত্য সভাৰ সংগীতাচাৰ্য্য লক্ষ্মীৰাম বৰুৱা সদনত বিপ্লৱী সত্তা গোপাল দাস স্মৃতি ৰক্ষা সমিতিৰ উদ্যোগত অহা ২৪ জুন তাৰিখ বুধবাৰে দিনযোৱা কাৰ্যসূচীৰে কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ সংগ্ৰামী জীৱনৰ সতীৰ্থ গোপাল দাসৰ জন্ম শতবাৰ্ষিকী অনুষ্ঠানৰ আয়োজন কৰা হৈছে। পুৱা ১০ বজাত কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা আৰু বিপ্লৱীসত্তা গোপাল দাসৰ ফটোত মাল্যাৰ্পণৰে আৰম্ভণি হোৱা অনুষ্ঠানত বিপ্লৱীসত্তা গোপাল দাসৰ স্মৃতিত স্মাৰক বক্তৃতা প্ৰদান কৰিব বিশিষ্ট সাহিত্যিক পৰমানন্দ মজুমদাৰে। মুখ্য অতিথি হিচাপে অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামী উপস্থিত থকা অনুষ্ঠানটোত বিপ্লৱীসত্তা গোপাল দাস স্মাৰক বঁটা প্ৰদান কৰিব অসমৰ প্ৰথমগৰাকী মহিলা আৰক্ষী বিষয়া তথা ভ্ৰাম্যমাণ থিয়েটাৰৰ নেপথ্য কণ্ঠশিল্পী, গীতিকাৰ-সুৰকাৰ ৰেণু দত্ত বৰফুকনলৈ। অসম সাহিত্য সভাৰ প্ৰধানসম্পাদক দেৱজিৎ বৰাই বিশিষ্ট অতিথিৰ আসন অলংকৃত কৰা অনুষ্ঠানতে ৰাজ্যখনৰ আন চাৰিগৰাকী বিশিষ্ট ব্যক্তি লেখক-সাহিত্যিক ধীৰেন শৰ্মা, গীতিকাৰ কীৰ্তিকমল ভূঞা, বিশিষ্ট লেখিকা পুতলী কায়স্থ, আৰোহণ আৰু আসাম পোষ্টৰ স্বত্বাধিকাৰী ড° সীমা কাশ্যপলৈ বিপ্লৱীসত্তা গোপাল দাস বিশেষ সন্মান প্ৰদান কৰা হ'ব। বিয়লি ৫ বজাত সাংস্কৃতিক কাৰ্যসূচীৰে অনুষ্ঠানৰ সামৰণি পৰিব বুলি গোপাল দাস স্মৃতি ৰক্ষা সমিতিৰ মুখ্য ব্যৱস্থাপক বাবুল ৰাজবংশীয়ে এক প্ৰেছ বিবৃত্তিযোগে জানিবলৈ দিছে।

# পদ্মনাথ গোহাঞিবৰুৱা চৰকাৰী আদৰ্শ মহাবিদ্যালয়, কাকপথাৰত প্ৰাক্তন শিক্ষাৰ্থী সন্মিলন

**অসম বাৰ্তা, মাকুম, ১১ জুন ঃ** আজি পদ্মনাথ গোহাঞিবৰুৱা চৰকাৰী আদৰ্শ মহাবিদ্যালয়ত প্ৰাক্তন শিক্ষাৰ্থী সন্মিলন অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ঠানুৰাম মজিন্দাৰৰ সভাপতিত্বত অনুষ্ঠিত সভাখনিত পঞ্চাছৰো অধিক প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু মহাবিদ্যালয়ৰ অধ্যাপক অধ্যাপিকাসকল উপস্থিত থাকে। মহাবিদ্যালয়ৰ উপাধ্যক্ষ তথা অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপক ড° আজিজুৰ ৰহমানে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰি মহাবিদ্যালয়ৰ প্ৰাক্তন শিক্ষাৰ্থী সন্মিলন গোট গঠনৰ উদ্দেশ্যে সভাখন আহ্বান কৰাৰ কথা অৱগত কৰে। সভাৰ আদৰণী ভাষণত মহাবিদ্যালয়ৰ অধ্যক্ষই ছাত্ৰ-ছাত্ৰীৰ মাজত লুকাই থকা ভৱিষ্যৎ সম্ভাৱনাৰ বিষয়ে আলোকপাত কৰে। সভাৰ আহ্বায়ক সমাজতত্ত্ব বিভাগৰ সহকাৰী অধ্যাপক ড° দীপেন বসুমতাৰীয়ে প্ৰাক্তন শিক্ষাৰ্থী সন্মিলন গোট গঠন সন্দৰ্ভত বক্তব্য দাঙি ধৰে। ছাত্ৰ-ছাত্ৰীসকলৰ হৈ জিন্তু বৰুৱা, ৰাজা ভূঞা, চিৰঞ্জীৱ সোণোৱাল, সুখীভা নেওগ আৰু বিকাশ মৰাণে নিজৰ অভিমত ব্যক্ত কৰে। সভাৰ সিদ্ধান্ত অনুসৰি সৰ্বসন্মতিক্ৰমে এখন কাৰ্যবাহী সমিতি গঠন কৰা হয়। উক্ত কাৰ্যবাহী সমিতিৰ সভাপতিৰূপে জিন্তু বৰুৱাক, সম্পাদকৰূপে সুখীভা নেওগক, আৰু কোষাধ্যক্ষ ৰূপে ৰাজা ভূঞাক নিৰ্বাচন কৰা হয়। সমিতিখনৰ সদস্যসকল হ'ল ক্ৰমে ৰুচীয়া বৰা, আকাংক্ষ্যা কোঁৱৰ, শিখান্ত মৰাণ আৰু সুভদ্ৰা শইকীয়া। ড° আজিজুৰ ৰহমানে প্ৰাক্তন শিক্ষাৰ্থী সন্মিলন গোটৰ ভূমিকা আৰু নিয়মাৱলী সম্পৰ্কে বক্তব্য দাঙি ধৰে। সভাৰ সভাপতিৰ মন্তব্যত প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনৰ কাৰ্যবাহী সমিতিখনে নিজৰ কৰ্তব্য সুচাৰুৰূপে পালন কৰি মহাবিদ্যালয়ৰ সৰ্বাংগীণ উন্নতিৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা প্ৰকাশ কৰে। শেষত সভাৰ শলাগৰ শৰাই আগবঢ়াই ড° দীপেন বসুমতাৰীয়ে।

# মৈৰাবাৰীত চুৰিকাণ্ড; নিশাৰ সুযোগ লৈ দোকানৰ তলা ভাঙি লুটি নিলে নগদ ধনসহ সা-সামগ্ৰী

**অসম বাৰ্তা, মৈৰাবাৰী, ১১ জুন ঃ** মৈৰাবাৰীত পুনৰ সংঘটিত হৈছে এক চাঞ্চল্যকৰ চুৰিকাণ্ডৰ ঘটনা। নিশাৰ অন্ধকাৰৰ সুযোগ লৈ দুৰ্বৃত্তই এখন দোকানৰ তলা ভাঙি নগদ ধনৰ লগতে বহু মূল্যৱান সামগ্ৰী লুটি লৈ যায়। মৈৰাবাৰী মহাবিদ্যালয়ৰ সন্মুখত অৱস্থিত 'শ্বৰিফুল পান ষ্টৰ' নামৰ দোকানখনত যোৱা নিশা এই চুৰিকাণ্ড সংঘটিত হয়। চোৰে দোকানখনৰ তলা ভাঙি ভিতৰত প্ৰৱেশ কৰে আৰু দোকানত থকা বিভিন্ন বিক্ৰীৰ সামগ্ৰীৰ লগতে ক্যাচ বাকচত থকা নগদ ধন লৈ উধাও হয়। আজি পুৱা যেতিয়া দোকানৰ মালিকে সদায় কৰা দৰে দোকান খুলিবলৈ আহে, তেতিয়া দোকানৰ তলা ভঙা অৱস্থাত প্ৰত্যক্ষ কৰে। লগে লগে সমগ্ৰ ঘটনাটো পোহৰলৈ আহে আৰু অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হয়। স্থানীয় ৰাইজে এই ঘটনাক তীব্ৰ গৰিহণা দিয়াৰ লগতে মৈৰাবাৰী অঞ্চলত দিনক দিনে বৃদ্ধি পোৱা এনে ধৰণৰ অপৰাধমূলক কাৰ্যকলাপক লৈ উদ্বেগ প্ৰকাশ কৰিছে। স্থানীয় ৰাইজে আৰক্ষী প্ৰশাসনক ঘটনাৰ উচিত তদন্ত কৰি দোষীক অতি সোনকালে কৰায়ত্ত কৰিবলৈ দাবী জনাইছে।

# সৰুপথাৰ মহাবিদ্যালয়ত আবৃত্তি বিষয়ক কৰ্মশালা অনুষ্ঠিত

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, সৰুপথাৰ, ১১ জুন ঃ** সদৌ অসম কবি সন্মিলনৰ কেন্দ্ৰীয় কাৰ্যসূচী 'কবিতাৰ স্বৰসাধনা' শীৰ্ষক এক কৰ্মশালা সৰুপথাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত আৰু গোলাঘাট জিলা কবি সন্মিলন, ধনশিৰি মহকুমা কবি সন্মিলনৰ সহযোগত মহাবিদ্যালয় প্ৰাংগণত অনুষ্ঠিত হয়। সহযোগী অধ্যাপক ড° প্ৰণৱ ঢেকিয়াল ফুকনে আঁত ধৰা অনুষ্ঠানৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন আৰু পথাৰ কবি ৰাম গগৈৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পন কৰে সভাপতি ৰাজুমণি বেজবৰুৱাই। সমল ব্যক্তি হিচাপে আবৃত্তি ৰত্ন শান্তিছায়া শইকীয়া উপস্থিত থাকি অতি ৰসাল বক্তব্য আগবঢ়াই আৰু ভালেকেইটা কবিতাৰ আবৃত্তি কৰি সকলোকে আহ্লাদিত কৰে। অনুষ্ঠানটিত প্ৰধান সম্পাদক ছৈয়দ পাৰবিজ হুছেইনে সকলোকে উদ্দেশ্য কৰি চমু ভাষণ প্ৰদান কৰে। সৰুপথাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰেও বক্তব্যত সন্তুষ্টি প্ৰকাশ কৰে। সভাপতিৰ মন্তব্যত ৰাজুমণি বেজবৰুৱাই এক সুন্দৰ আবৃত্তিৰে সকলোকে চমকিত কৰি তোলে। কেন্দ্ৰীয় সমিতিৰ আবৃত্তি কোষৰ আহ্বায়ক স্বপ্না দেবী নাথ, ডিব্ৰুগড় জিলাৰ প্ৰচাৰ সম্পাদক সবিতা বৰুৱা দত্ত, ডিব্ৰুগড় জিলাৰ সম্পাদক প্ৰশান্ত দত্ত, গোলাঘাট জিলাৰ সম্পাদক পৰাগ বৰুৱা, ধনশিৰি মহকুমা কবি সন্মিলনৰ সভাপতি দণ্ডেশ্বৰ বৰা, উপসভাপতি ড° প্ৰশান্ত চাহু, সম্পাদক ৰঞ্জন গোস্বামী, প্ৰচাৰ সম্পাদক স্পনানী গগৈ চেতিয়া, সহ সম্পাদক তৰা বৰুৱাৰ, সৰুপথাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° ববিতা দত্ত, সমাজশাস্ত্ৰ বিভাগৰ মুৰব্বী অধ্যাপক ড° প্ৰেমকান্ত বৰা, দেওপানী মহাবিদ্যালয়ৰ ড° মনামী পৰাশৰ আৰু তিনি শতাধিক ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিৰে অনুষ্ঠানটি মুখৰিত হৈ পৰে। অনুষ্ঠানৰ শেষৰ ফালে ড° প্ৰণৱ ঢেকিয়াল ফুকনে শলাগৰ শৰাই আগবঢ়াই আৰু কাব্য মন্ত্ৰ পাঠেৰে অনুষ্ঠানৰ সামৰণি মাৰে। সৰুপথাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগ আৰু সদৌ অসম কবি সন্মিলনৰ এই প্ৰয়াসক সকলোৱে প্ৰশংসা কৰাৰ লগতে ভৱিষ্যতেও এনে অনুষ্ঠানৰ কামনা কৰে।

## মোদীৰ ১২ বছৰীয়া

ৰেলী আৰম্ভ হৈ উত্তৰ গুৱাহাটীৰ দৌলগোবিন্দ মন্দিৰত গৈ সমাপ্ত হয়। এই ৰেলীত দেশৰ কেন্দ্ৰীয় জলশক্তি মন্ত্ৰী চি আৰ পাটিলে নেতৃত্ব দিয়ে। তেওঁৰ লগতে মন্ত্ৰী কৃষ্ণেন্দু পাল আৰু চেণ্ট্ৰেল গুৱাহাটীৰ বিধায়ক বিজয় গুপ্তায়ো অংশগ্ৰহণ কৰে। সমদলত অংশ লৈ সংবাদ মাধ্যমৰ আগত কেন্দ্ৰীয় মন্ত্ৰী চি আৰ পাটিলে কয় যে বিগত ৰচ বছৰীয়া কাৰ্যকালত দেশত কেৱল প্ৰগতিয়েই হৈছে। পানী যোগানৰ পৰা আৰম্ভ কৰি ৰাস্তা-ঘাট নিৰ্মাণলৈকে সকলো ক্ষেত্ৰতে উন্নয়নৰ বান্বয়ে বৈ গৈছে। তেওঁ পুনৰ উল্লেখ কৰে যে জৱাহৰলাল নেহৰুৰ যুগত সাধাৰণ ৰাইজে কিবা পাবলৈ হ'লে প্ৰতিবাদৰ পথ বাছি লৈছিল। লগতে পশ্চিম বংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীৰ প্ৰতি কংগ্ৰেছে প্ৰস্তাৱ আগবঢ়োৱা প্ৰসংগত চি আৰ পাটিলে মন্তব্য কৰে যে পানীত ডুবি থকা মানুহে খেৰ এডাল পালেও জাপটি ধৰে। কংগ্ৰেছ নিজেই এটা ডুব যোৱা পাৰ্টি, আৰু মমতা বেনাৰ্জীয়ে গৈ সেই পাৰ্টিক অধিক ডুবাই দিব। ইফালে সুস্মিতা দেৱৰ বিজেপিত যোগদানৰ সন্দৰ্ভত কৃষ্ণেন্দু পালে সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত কয় যে এই বিষয়টো ঊৰ্দ্ধ্বতন কৰ্তৃপক্ষই হে জানে। অৱশ্যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সকলোৱে আস্থা আৰু বিশ্বাসেৰে চালি লৈছে বুলিও তেওঁ উল্লেখ কৰে। উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী হিচাপে নৰেন্দ্ৰ মোদী আৰু বিজেপিৰ ৰচ বছৰীয়া কাৰ্যকাল সম্পূৰ্ণ হোৱা উপলক্ষে বুধবাৰে দিল্লীৰ ভাৰত মণ্ডপমত এনডিএৰ এক গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হৈছিল। সেই বৈঠকত সংগঠনটোৰ ভৱিষ্যত কাৰ্যপন্থা সম্পৰ্কে আলোচনা কৰাৰ লগতে প্ৰস্তাৱযোগে প্ৰধানমন্ত্ৰী মোদীক শুভেচ্ছা জনোৱা হয়। ইয়াৰ লগতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাইও দেশৰ দীৰ্ঘকালীন নিৰ্বাচিত প্ৰধানমন্ত্ৰীলৈ বিশেষ শুভেচ্ছা জ্ঞাপন কৰে।

## কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ

তীব্ৰ প্ৰতিক্ৰিয়া সৃষ্টি কৰিছে। এই পৰিস্থিতিত কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগৰ দাবীত দেশজুৰি এক বৃহৎ আন্দোলন আৰম্ভ কৰিছে যুৱ সংগঠন ককৰোচ জনতা পাৰ্টিয়ে। বৃহস্পতিবাৰে পুনে চহৰত এখন সংবাদমেল সম্বোধন কৰি সংগঠনটোৰ প্ৰতিষ্ঠাপক অভিজিৎ দিপকে ঘোষণা কৰে যে এই আন্দোলনৰ প্ৰথম পদক্ষেপ হিচাপে তেওঁলোকৰ তৰফৰ পৰা এখন বিশেষ শিক্ষা ইস্তাহাৰ প্ৰকাশ কৰা হৈছে। সংবাদমেলত অভিজিৎ দিপকে কয় যে পুনে বিশ্ববিদ্যালয় চৌহদৰ পৰাই তেওঁলোকৰ এই দেশজুৰি আন্দোলনৰ শুভাৰম্ভ কৰা হৈছে। দেশৰ সংবিধান মানি সম্পূৰ্ণ শান্তিপূৰ্ণভাৱে এই আন্দোলন চলোৱা হ'ব বুলি তেওঁ স্পষ্টভাৱে প্ৰকাশ কৰে। সংগঠনটোৰ মতে, আজি প্ৰকাশ পোৱা এই ইস্তাহাৰখনত দেশৰ শিক্ষা ব্যৱস্থাৰ সমস্যাসমূহ দূৰ কৰাৰ বাবে এক সুস্পষ্ট ব্লু-প্ৰিণ্ট অন্তৰ্ভুক্ত কৰা হৈছে। ইস্তাহাৰখনত প্ৰথমতে প্ৰতিযোগিতামূলক আৰু নিয়োগ পৰীক্ষাত প্ৰশ্নকাকত ফাদিল হোৱা সম্পূৰ্ণৰূপে বন্ধ কৰাৰ ওপৰত গুৰুত্ব দিয়া হৈছে। লগতে পৰীক্ষা শেষ হোৱাৰ নিৰ্দিষ্ট সময়সীমাৰ ভিতৰতে ফলাফল ঘোষণা কৰাৰ ব্যৱস্থা কৰিব লাগে বুলি উল্লেখ কৰা হৈছে। ইয়াৰ উপৰিও প্ৰৱেশ পৰীক্ষা আৰু চৰকাৰী চাকৰিৰ নিয়োগ প্ৰক্ৰিয়াত শতভাগ স্বচ্ছতা অনা আৰু পৰীক্ষা নিয়ন্ত্ৰক সংস্থাসমূহৰ দায়বদ্ধতা বৃদ্ধি কৰাৰ কথাও ইস্তাহাৰখনত সন্নিৱিষ্ট কৰা হৈছে। একেদৰে পৰীক্ষা অনুষ্ঠিত কৰাত পলম হোৱা আৰু বিভিন্ন অনিয়মৰ বাবে দেশৰ কোটি কোটি ছাত্ৰ-ছাত্ৰীয়ে সন্মুখীন হোৱা মানসিক আৰু সামাজিক হাৰাশাস্তি অতি সোনকালে দূৰ কৰাৰ প্ৰয়োজনীয়তাও এই ইস্তাহাৰত উল্লেখ কৰা হৈছে। এই দাবিসমূহ কাৰ্যকৰী কৰি তোলাৰ জৰিয়তে শিক্ষা ক্ষেত্ৰৰ গভীৰ সমস্যাসমূহৰ স্থায়ী সমাধান সম্ভৱ বুলি ককৰোচ জনতা পাৰ্টিয়ে মত পোষণ কৰিছে।

## আগন্তুক পাঁচ বছৰত বৃহৎ

সংশ্লিষ্ট বিভাগ সমূহৰ সৈতে এক বৈঠকত মিলিত হয়। গোলাঘাট জিলাৰ চাৰিটা সম জিলাৰ সম আয়ুক্তহকলৰ লগতে জিলা আয়ুক্ত পুৱালী গোহাঁইৰ সৈতে আলোচনা মিলিত হৈ সকলো দিশ পৰ্যালোচনা কৰে। তাৰ পাছত মন্ত্ৰী গৰাকীয়ে গোলাঘাট জিলা বিজেপিৰ কাৰ্যালয়ত এখন দলীয় সভাত অংশ গ্ৰহণ কৰে। সাংবাদিকৰ সৈতে হোৱা এক সাক্ষাৎকাৰত তেওঁ কয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এইবাৰ মোক গোলাঘাট জিলা আৰু বিশ্বনাথ জিলাৰ অভিভাৱক মন্ত্ৰী হিচাপে দায়িত্ব দিয়াৰ পাছত আজি গোলাঘাটত উপস্থিত হৈ আয়ুক্তৰ কাৰ্যালয়ত বানপানীৰ প্ৰস্তুতি সম্পৰ্কে এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত কৰোঁ। জিলাখনৰ মূল নদী ব্ৰহ্মপুত্ৰৰ উপৰিও কাকডোঙা, গেলাবিল, দৈগ্ৰোং, ধনশিৰি আদি উপনৈ সমূহ আছে আৰু ব্ৰহ্মপুত্ৰ নদীত আমাৰ ৬৪ কিলোমিটাৰ মথাউৰি আছে গতিকে আমাৰ জলসম্পদ, বিভাগ, জনস্বাস্থ্য কাৰিকৰী বিভাগ, কৃষি বিভাগ পশুপালন বিভাগ, আদিয়ে কেনেদৰে প্ৰস্তুত হৈ আছে সেই সম্পৰ্কে পৰ্যালোচনা কৰোঁ। অসমক আমি বানপানী মুক্ত কৰিব বিচাৰিছোঁ। এইখন অসমত এটা সময়ত ২০, ৩০ ঠাইত মথাউৰি চিঙিছিল যদিও বিগত বৰ্ষত এটা মথাউৰিও চিঙা নাই। বানপানীৰ সময়ত সাহায্য প্ৰদান, উদ্ধাৰ অভিযানৰ বাবে কি কি পদক্ষেপ গ্ৰহণ কৰিছে এই সম্পৰ্কে পৰ্যালোচনা কৰোঁ। আনহাতে শিক্ষা বিভাগত শিক্ষকৰ নিযুক্তি সম্পৰ্কে তেখেতে কয় যে এইবাৰ আমাৰ চৰকাৰে দুই লাখ নিযুক্তি দিয়াৰ লক্ষ্য আছে আৰু শিক্ষা বিভাগত বৃহৎ নিযুক্তি দিয়া হ'ব। যিহেতু শিক্ষা বিভাগত অহা পাঁচ বছৰত ৫০ হাজাৰ শিক্ষক শিক্ষয়িত্ৰীয়ে অৱসৰ গ্ৰহণ কৰিব। শিক্ষানুষ্ঠান সমূহ কেৱল মাত্ৰ এটা চৰকাৰী অনুষ্ঠান নহয়, ই এটা ৰাজহুৱা অনুষ্ঠান। যাৰ পৰিপ্ৰেক্ষিতত এতিয়া মধ্যাহ্ন ভোজনৰ কোনো অভিযোগ আমি লাভ কৰা নাই। ইয়াৰ উপৰিও চতুৰ্থ বৰ্গৰ কৰ্মচাৰী সকলৰ পূৰ্বে কোনো ধৰণৰ পদোন্নতি নাছিল। কিন্তু এইবাৰ সংবিধান সংশোধন কৰা হৈছে গতিকে তেওঁলোকৰ পদোন্নতি এইবাৰ হ'ব। উল্লেখযোগ্য যে আজি মন্ত্ৰী গৰাকীক সংগ দিয়ে সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকন, দেৰগাঁও সমষ্টিৰ বিধায়ক ডঃ মৃদুল কুমাৰ দত্ত, কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছাই।

## অসমৰ ৮ গৰাকী শিল্পীলৈ

পৰম্পৰাগত বাদ্যযন্ত্ৰকে ধৰি বিভিন্ন ক্ষেত্ৰৰ এই শিল্পীসকলৰ স্বীকৃতিয়ে ৰাষ্ট্ৰীয় মঞ্চত অসমৰ সাংস্কৃতিক পৰম্পৰাক উজলাই তুলিছে। এই বঁটাপ্ৰাপক শিল্পীসকললৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আন্তৰিক অভিনন্দন জ্ঞাপন কৰে। এক ছ'চিয়েল মিডিয়া পোষ্টত তেওঁ কয় যে এই সন্মানে অসমৰ কলা-সংস্কৃতিৰ পৰম্পৰাৰ শক্তি আৰু বৈচিত্ৰ্যক প্ৰতিফলিত কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে উল্লেখ কৰে যে অসমৰ উন্নয়নৰ যাত্ৰাক ত্বৰান্বিত কৰাৰ সমান্তৰালকৈ সত্ৰীয়া, লোক-পৰম্পৰা, থিয়েটাৰ আৰু সংগীতৰ চহকী ঐতিহ্য সংৰক্ষণ আৰু প্ৰসাৰ কৰিবলৈ চৰকাৰ সমানেই প্ৰতিশ্ৰুতিবদ্ধ। কাৰণ তেওঁৰ মতে অসমীয়াৰ সাংস্কৃতিক শিপাই অসমীয়াৰ পৰিচয় নিৰূপণ কৰে। সংগীত নাটক একাডেমী বঁটা প্ৰাপকসকলৰ কথা সুকিয়াকৈ উল্লেখ কৰিবলগীয়া যে ২০২৪ বৰ্ষৰ বাবে প্ৰেমা ওজা বৰবায়ন (সত্ৰীয়া নৃত্য) আৰু বিপুল চন্দ্ৰ দাস শচকথক নৃত্যগ্ন নিৰ্বাচিত হৈছে। ইফালে ২০২৫ বৰ্ষৰ বাবে চেতনা দাস (অভিনয়), মল্লিকা কন্দলী শচসত্ৰীয়া নৃত্যগ্ন আৰু ভাস্কৰ জ্যোতি ওজা (সত্ৰীয়া সংগীত)লৈ এই বঁটা আগবঢ়োৱা হৈছে। উস্তাদ বিছমিল্লাহ খান যুৱ পুৰস্কাৰৰ প্ৰসংগত ক'বলগীয়া যে ২০২৪ বৰ্ষৰ বাবে অসমৰ যুৱ শিল্পী মিনাক্ষী মেধি শচসত্ৰীয়া নৃত্যগ্ন, দিলীপ হীৰা (লোকসংগীত) আৰু বিদ্যুৎ কুমাৰ নাথ শচনাট্য পৰিচালনাগ্ন এই সন্মান লাভ কৰিছে। আনহাতে ২০২৫ বৰ্ষৰ বাবে নিৰঞ্জন শইকীয়া বৰবায়ন শচসত্ৰীয়া নৃত্যগ্ন, দেৱজিত শইকীয়া (খোল বাদন) আৰু হীৰক জ্যোতি শৰ্মা (টোকাৰী গীত আৰু লোকসংগীত) এই পুৰস্কাৰৰ বাবে নিৰ্বাচিত হৈছে। উল্লেখযোগ্য যে ভাৰতৰ সংগীত, নৃত্য আৰু নাটকৰ ৰাষ্ট্ৰীয় প্ৰতিষ্ঠান 'সংগীত নাটক একাডেমী'য়ে প্ৰদান কৰা এই বঁটাসমূহ প্ৰদৰ্শনমূলক কলাৰ (পাৰ্ফৰ্মিং আৰ্টছ) ক্ষেত্ৰৰ দেশৰ অন্যতম সৰ্বোচ্চ স্বীকৃতি। সত্ৰীয়া নৃত্য, লোকসংগীত, থিয়েটাৰ, অভিনয় আৰু পৰম্পৰাগত বাদ্যযন্ত্ৰকে ধৰি বিভিন্ন ক্ষেত্ৰৰ শিল্পীসকলৰ এই স্বীকৃতিয়ে ৰাষ্ট্ৰীয় পৰ্যায়ত অসমৰ সাংস্কৃতিক ঐতিহ্য সংৰক্ষণ আৰু প্ৰসাৰৰ প্ৰচেষ্টাক এক বিশেষ মাত্ৰা প্ৰদান কৰা বুলি বিবেচিত হৈছে।

## কান্ধৰ অস্ত্ৰোপচাৰ সফল

পৰীক্ষা কৰিলে যিবোৰ মই কেতিয়াও আশা কৰা নাছিলোঁ। কিছুমান ভাল দিন আছিল, কিছুমান হতাশাজনক দিন আছিল, আৰু এনে কিছুমান দিনো আছিল যেতিয়া কেৱল এখন মেচ শেষ কৰাটোৱেই এটা ডাঙৰ প্ৰত্যাহ্বান আছিল। কিন্তু মই ইয়াক অন্য কোনো ধৰণে বিচৰা নাছিলোঁ। এতিয়া এটা ভিন্ন প্ৰত্যাহ্বান আহি পৰিছে — সুস্থ হোৱা, পুনৰ্বাসন আৰু ধৈৰ্য। মই সোনকালেই মোৰ প্ৰিয় কামটোলৈ ঘূৰি আহিম।" উল্লেখযোগ্য যে শেহতীয়াকৈ শ্ৰীলংকাত অনুষ্ঠিত হৈ থকা পুৰুষ অভাৰৰ ত্ৰি-দেশীয় শৃংখলাৰ বাবে ভাৰত 'এ' দলত অন্তৰ্ভুক্ত কৰা হৈছিল ৰিয়ান পৰাগক। কেৱল সিমানেই নহয়, তেওঁক দলটোৰ সহ-অধিনায়কৰ গুৰু দায়িত্বও অৰ্পণ কৰা হৈছিল। কিন্তু হেমষ্ট্ৰিংৰ গুৰুতৰ আঘাতৰ বাবে তেওঁ শৃংখলাটোৰ পৰা বাদ পৰিবলগীয়া হয় আৰু তেওঁৰ স্থানত ঋতুৰাজ গাইকোৱাদক দলত অন্তৰ্ভুক্ত কৰা হয়। শেহতীয়াকৈ সমাপ্ত হোৱা আই পি এল ২০২৬ৰ দ্বিতীয়াৰ্ধতো এই হেমষ্ট্ৰিঙৰ সমস্যাটোৱে ৰিয়ানক যথেষ্ট জৰুলা কৰিছিল। এই আঘাতৰ বাবেই তেওঁ লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ বিৰুদ্ধে লীগ পৰ্যায়ৰ এখন গুৰুত্বপূৰ্ণ মেচ খেলিব পৰা নাছিল। ইয়াৰ পিছত মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে ৰাজস্থান ৰয়েলছৰ ভাগ্য নিৰ্ধাৰণী মেচখনত তেওঁ সম্পূৰ্ণ সুস্থ নোহোৱাকৈয়ে খেলপথাৰত নামিছিল বুলি নিজেই প্ৰকাশ কৰে। এলিমিনেটৰ আৰু কোৱালিফায়াৰ ২ মেচতো তেওঁক উইকেটৰ মাজত দৌৰাৰ সময়ত যথেষ্ট কষ্ট পোৱা দেখা গৈছিল। বিচিচিআইৰ চিকিৎসা দলৰ তত্ত্বাৱধানত ৰিয়ানে দীৰ্ঘদিন ধৰি এই আঘাতৰ ব্যৱস্থাপনা কৰি আছিল। ক্ৰীড়া ৱেবছাইট ইএছপিএনক্ৰিকইনফ'ৰ এক প্ৰতিবেদন অনুসৰি, চিকিৎসকে তেওঁক খেলত ব্যাঘাত নোপোৱালৈকে অস্ত্ৰোপচাৰ পিছুৱাই ৰাখিব পৰা যাব বুলি পৰামৰ্শ দিছিল যদিও ভৱিষ্যতৰ কেৰিয়াৰৰ কথা চিন্তা কৰি ৰিয়ানে চিকিৎসা কৰ্মচাৰীসকলৰ সৈতে আলোচনা কৰি অস্ত্ৰোপচাৰ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। এতিয়া তেওঁ সম্পূৰ্ণ সুস্থ হৈ মৈদানলৈ ঘূৰি অহাৰ বাবে পুনৰ্বাসন প্ৰক্ৰিয়াত ধৈৰ্য্যৰে আগবাঢ়ি আছে।

## নীতি আয়োগৰ একাদশ

সিংও অংশগ্ৰহণ কৰে। বৈঠকখনত উপস্থিত মুখ্যমন্ত্ৰীসকলৰ ভিতৰত উত্তৰ প্ৰদেশৰ যোগী আদিত্যনাথ, অসমৰ হিমন্ত বিশ্ব শৰ্মা, বিহাৰৰ সম্ৰাট চৌধুৰী, দিল্লীৰ ৰেখা গুপ্তা, হাৰিয়ানাৰ নয়ব সিং ছাইনী বিশেষভাৱে উল্লেখযোগ্য। লগতে পশ্চিম বংগৰ শুভেন্দু অধিকাৰী, তামিলনাডুৰ চি জোচেফ বিজয়, কৰ্ণাটকৰ ডি কে শিৱকুমাৰ আৰু কেৰালাৰ ভি ডি সথিছনকে ধৰি নৱনিৰ্বাচিত মুখ্যমন্ত্ৰী আৰু নেতাসকলো বৈঠকত উপস্থিত থাকে। এইবাৰৰ গভাৰ্নিং কাউন্সিল বৈঠকৰ মূল বিষয়বস্তু আছিল "Inclusive Human Development for Viksit Bharat, 2047" অৰ্থাৎ 'বিকশিত ভাৰত ২০৪৭ৰ বাবে অন্তৰ্ভুক্তিমূলক মানৱ উন্নয়ন'। সকলো বয়স, অঞ্চল, লিংগ আৰু আৰ্থ-সামাজিক পটভূমিৰ নাগৰিকৰ সামগ্ৰিক কল্যাণ আৰু উন্নয়ন নিশ্চিত কৰাই এই বিষয়বস্তুৰ মূল লক্ষ্য বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। বৈঠকত প্ৰধানমন্ত্ৰী মোদীয়ে সমগ্ৰ দেশতে উদ্যোগীকৰণ, দক্ষতা বৃদ্ধি, আৰু বহনক্ষম নিয়োগৰ সুযোগ সৃষ্টিৰ ব্যৱস্থাসমূহৰ বিষয়েও বিস্তাৰিত আলোচনা কৰে। লগতে সুশাসন, ডিজিটেল পাব্লিক ইনফ্ৰাষ্ট্ৰাকচাৰ (ডি পি আই), অংশীদাৰিত্ব, তথ্যভিত্তিক ব্যৱস্থা আৰু সমন্বয়ৰ জৰিয়তে এক কাৰ্যকৰী ৰূপায়ণ নক্সা প্ৰস্তুত কৰাৰ বিষয়টোকো বিশেষ গুৰুত্ব প্ৰদান কৰা হয়। ইয়াৰ উপৰি ২০২৫ চনৰ ২৬ৰ পৰা ২৮ ডিচেম্বৰলৈ অনুষ্ঠিত মুখ্য সচিবসকলৰ প্ৰুম ৰাষ্ট্ৰীয় সন্মিলনত আগবঢ়োৱা পৰামৰ্শসমূহৰ ওপৰতো বৈঠকত পুনৰ আলোচনা কৰা হয়। প্ৰাৰম্ভিক শৈশৱ শিক্ষা, বিদ্যালয় শিক্ষা, দক্ষতা বিকাশ, উচ্চ শিক্ষা আৰু ক্ৰীড়া-সহ পাঠ্যক্ৰম বহিৰ্ভূত কাৰ্যকলাপকে ধৰি পাঁচটা গুৰুত্বপূৰ্ণ ক্ষেত্ৰত আগবঢ়োৱা পৰামৰ্শবোৰৰ বাস্তৱায়নৰ দিশত পৰৱৰ্তী পদক্ষেপ নিৰ্ধাৰণৰ সন্দৰ্ভত এই বৈঠকত জোৰ দিয়া হয়। আলোচনাকেন্দ্ৰিক বিষয়সমূহ সফলভাৱে ৰূপায়ণ কৰিবলৈ কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰসমূহৰ মাজত অধিক সমন্বয় আৰু তথ্য বিনিময় প্ৰয়োজন বুলি সন্মিলিতভাৱে মত পোষণ কৰা হয়।

## নিশা ইৰাণত ভয়ংকৰ

প্ৰেৰণ কৰিছে। বৃহস্পতিবাৰে ট্ৰাম্পে দাবী কৰে যে আমেৰিকাই ইৰাণক "অতি কঠোৰভাৱে" আক্ৰমণ কৰিব আৰু এই সামৰিক আক্ৰমণসমূহ "আজি নিশাই" সংঘটিত কৰাৰ পৰিকল্পনা কৰা হৈছে। নিজৰ ছচিয়েল মিডিয়া প্লেটফৰ্ম 'ট্ৰুথ ছচিয়েল'ত কৰা এক পোষ্টত ৰাষ্ট্ৰপতি ট্ৰাম্পে লিখে যে নিকট ভৱিষ্যতে ৱাশ্বিংটনে ইৰাণৰ কৌশলগতভাৱে গুৰুত্বপূৰ্ণ 'খাৰ্গ দ্বীপ' দখল কৰি নিব। উল্লেখযোগ্য যে এই খাৰ্গ দ্বীপৰ পৰাই ইৰাণৰ প্ৰায় ৯১ শতাংশ খাৰুৱা তেল ৰপ্তানি কৰা হয়। ট্ৰাম্পে স্পষ্টভাৱে কয় যে ইৰাণৰ তেল আৰু গেছ বজাৰত সম্পূৰ্ণ আধিপত্য বিস্তাৰ কৰাই আমেৰিকাৰ মূল লক্ষ্য। এই প্ৰসংগত তেওঁ ভেনিজুৱেলাৰ উদাহৰণ দাঙি ধৰি কয় যে ভেনিজুৱেলাৰ তেল সম্পদৰ ওপৰত আমেৰিকাৰ নিয়ন্ত্ৰণে "ভেনিজুৱেলা আৰু আমেৰিকা যুক্তৰাষ্ট্ৰ উভয়ৰে বাবে অতি সুন্দৰভাৱে কাম কৰিছে।" ট্ৰাম্পে নিজৰ পোষ্টত লিখে, "আমেৰিকা যুক্তৰাষ্ট্ৰই আজি নিশাই ইৰাণক অতি কঠোৰভাৱে আঘাত কৰিব। নিকট ভৱিষ্যতে কোনো এক সময়ত আমি খাৰ্গ দ্বীপ আৰু অন্যান্য তেল আন্তঃগাঁথনিৰ পইণ্টসমূহ দখল কৰিম আৰু তেওঁলোকৰ তেল আৰু গেছ বজাৰৰ সম্পূৰ্ণ নিয়ন্ত্ৰণ ল'ম, যেনেকৈ আমি ভেনিজুৱেলাৰ সৈতে কৰিছোঁ।" ইৰাণৰ নৌসেনা, বিমান বাহিনী, ৰাডাৰ, বিমান বিধ্বংসী ব্যৱস্থা আৰু বেছিভাগ আক্ৰমণাত্মক সামৰিক ক্ষমতা ইতিমধ্যে ধ্বংস হৈ গৈছে বুলিও ট্ৰাম্পে দাবী কৰে। ইফালে, শান্তি চুক্তি সম্পন্ন কৰাত তেহৰাণে পলম কৰাৰ বাবে ক্ষোভ প্ৰকাশ কৰি ট্ৰাম্পে বুধবাৰেও আমেৰিকাৰ আক্ৰমণ পুনৰ আৰম্ভ হ'ব বুলি ইংগিত দিছিল। তেওঁ উল্লেখ কৰে যে ইৰাণে অলপতে আমেৰিকাৰ এখন অত্যাধুনিক 'এপাচি হেলিকপ্টাৰ' ভূপতিত কৰাৰ ঘটনাই এই নতুন সামৰিক পদক্ষেপৰ আধাৰ তৈয়াৰ কৰিছে। সাংবাদিকৰ সন্মুখত ট্ৰাম্পে কয়, "হেলিকপ্টাৰখনৰ ঘটনাটোৰ ওপৰত ভিত্তি কৰি মোৰ ধাৰণা আমাৰ আক্ৰমণ কৰাৰ সম্পূৰ্ণ অধিকাৰ আছে। আমি কালি তেওঁলোকক কঠোৰ আঘাত কৰিছিলোঁ। আজি আকৌ তেওঁলোকক কঠোৰভাৱে আঘাত কৰিবলৈ গৈ আছোঁ।"

## 'এমটি জলৰীৰ'ত আমেৰিকাৰ

ভয়াবহ হৈ পৰিছে। এই অস্থিৰ পৰিস্থিতিৰ মাজতে ওমান উপকূলৰ সমীপত আন এখন ভাৰতীয় জাহাজ 'এমটি জলৰীৰ'ক আক্ৰমণ কৰা হৈছে। প্ৰাৰম্ভিক প্ৰতিবেদন অনুসৰি, আক্ৰমণত জাহাজখনৰ ফানেল আৰু ইঞ্জিন ৰূমত জুই লাগিছে, যাৰ ফলত জাহাজখনৰ যথেষ্ট ক্ষতি হোৱাৰ আশংকা কৰা হৈছে। জাহাজখনত ২০ জনতকৈও অধিক নাবিক আছিল, যাৰ ভিতৰত ভাৰতীয় নাবিকসকলো উপস্থিত আছে। যদিও জাহাজখনত ভাৰতীয় ক্ৰু সদস্যৰ সঠিক সংখ্যা বা তেওঁলোকৰ সুৰক্ষা সন্দৰ্ভত এতিয়ালৈকে কোনো আনুষ্ঠানিক নিশ্চিতকৰণ পোৱা হোৱা নাই। সামুদ্ৰিক সুৰক্ষা সংস্থাসমূহ আৰু সংশ্লিষ্ট বিষয়াসকলে পৰিস্থিতিৰ ওপৰত তীক্ষ্ণ নজৰ ৰাখিছে। উল্লেখযোগ্য যে ইয়াৰ পূৰ্বেও একে অঞ্চলতে ভাৰতীয় জাহাজ 'এমটি চেল্টেবেলো' আক্ৰমণৰ সন্মুখীন হৈছিল। সেই জাহাজখনত ২৪জন ভাৰতীয় ক্ৰু সদস্য আছিল। তাৰে চৰ জনক উদ্ধাৰ কৰা হৈছে, কিন্তু বাকী ৩জন লোকৰ মৃত্যু হৈছে। এই পুনৰ আক্ৰমণে হৰমুজ প্ৰণালী অঞ্চলত বাণিজ্যিক জাহাজ চলাচলৰ বাবে গুৰুতৰ সংকট সৃষ্টি কৰিছে। আমেৰিকা আৰু ইৰাণৰ মাজত যুদ্ধ পৰিস্থিতি অব্যাহত থকাৰ ফলত এই অঞ্চলত সাগৰীয় পথ সাময়িকভাৱে বন্ধ কৰাৰো সম্ভাৱনা দেখা দিছে। আন্তঃৰাষ্ট্ৰীয় সামুদ্ৰিক সংস্থাসমূহে পৰিস্থিতি নিৰীক্ষণ কৰি থকাৰ লগতে ভাৰত চৰকাৰে নিজৰ নাগৰিকসকলৰ সুৰক্ষা নিশ্চিত কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব বুলি আশা কৰা হৈছে।

## আৰম্ভ হ'ল ফুটবলৰ মহাৰণ

দলেও নক-আউট পৰ্যায়লৈ যোগ্যতা লাভ কৰাৰ সুযোগ পাব। প্ৰতিযোগিতাখনত মুঠ ১০৪খন খেল অনুষ্ঠিত হ'ব। ইয়াৰে ৭২খন খেল গ্ৰুপ পৰ্যায়ত আৰু বাকী ৩২খন খেল নক-আউট পৰ্যায়ত অনুষ্ঠিত হ'ব। ফাইনেল খেলখন ১৯ জুলাইত আয়োজন কৰা হৈছে। আজি অনুষ্ঠিত হয় উদ্বোধনী খেল, য'ত আয়োজক দেশ মেক্সিকো দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হয়। আৰম্ভণিৰ পূৰ্বেই ফিফা বিশ্বকাপ ২০২৬-এ ইতিমধ্যে কেইবাটাও ইতিহাস ৰচনা কৰিছে। পূৰ্বৰ তুলনাত এইবেলিৰ বিশ্বকাপ বহু দিশতে সুকীয়া হ'ব। প্ৰথমতে, ফিফা বিশ্বকাপৰ ইতিহাসত প্ৰথমবাৰৰ বাবে তিনিখন ৰাষ্ট্ৰই যুটীয়াভাৱে আয়োজকৰ দায়িত্ব পালন কৰিছে। আমেৰিকা, মেক্সিকো আৰু কানাডাই মিলি ১৬খন আয়োজক চহৰত এই মেগা প্ৰতিযোগিতাৰ আয়োজন কৰিছে, যাৰ বাবে এইবাৰৰ বিশ্বকাপ এতিয়ালৈকে অনুষ্ঠিত সৰ্বাধিক বৃহৎ আৰু অভিলাষী বিশ্বকাপ হিচাপে পৰিচিত। দ্বিতীয়তে, দলৰ সংখ্যা ৩২ৰ পৰা ৪৮লৈ বৃদ্ধি কৰাত এই বিশ্বকাপ ফুটবল ইতিহাসৰ সৰ্ববৃহৎ বিশ্বকাপ হিচাপে চিহ্নিত। অধিক দলে অৰ্থ কৰে অধিক খেল, অধিক প্ৰতিদ্বন্দ্বিতা আৰু অধিক নাটকীয় কাহিনী। তাৰ উপৰিও আয়োজক দেশসমূহৰ ভিতৰত মেক্সিকোৱে এক বিশেষ অভিলেখ গঢ়িছে। তৃতীয়বাৰৰ বাবে ফিফা বিশ্বকাপ আয়োজন কৰা প্ৰথমখন দেশ হিচাপে পৰিগণিত হৈছে মেক্সিকো। পূৰ্বে ১৯৭০ আৰু ১৯৮৬ চনত দেশখনে এই প্ৰতিযোগিতাৰ আয়োজন কৰিছিল, যি ফুটবল জগতত দেশখনৰ স্থানক অমলিন কৰি ৰাখিছে। আজি নিশাৰ উদ্বোধনী খেলখনে ফুটবল জগতৰ এটি স্মৃতি পুনৰ সজীৱ কৰি তুলে। যোল্ল বছৰৰ পূৰ্বে ২০১০ চনৰ ১১ জুন তাৰিখে জোহান্সবাৰ্গত মেক্সিকো আৰু দক্ষিণ আফ্ৰিকাই ফিফা বিশ্বকাপৰ শুভাৰম্ভ কৰিছিল। আজি নিশা একেটা তাৰিখতে এই দুয়োখন দেশ পুনৰ মুখামুখি হৈ আন এক বিশ্বকাপত যুঁজ আৰম্ভ কৰে। অৱশেষত, এই বিশ্বকাপ হ'ব পাৰে আধুনিক ফুটবলৰ দুজন মহান তাৰকা লিঅ'নেল মেছি আৰু ক্ৰিষ্টিয়ানো ৰ'নাল্ডোৰ কেৰিয়েৰৰ শেষ বিশ্বকাপ। লুকা মড্ৰিচ আৰু গুইলাৰমো অচ'য়াৰ দৰে কিংবদন্তীৰ সৈতে এই প্ৰজন্মৰ তাৰকাসকলক পুনৰ এবাৰ বিশ্বকাপৰ দৰে সুবৃহৎ মঞ্চত দেখা যাব। যদি এইবাৰেই তেওঁলোকৰ শেষৰটো বিশ্বকাপ, তেন্তে কোনো ফুটবলপ্ৰেমীয়েই এই ঐতিহাসিক মুহূৰ্ত মিছ কৰিবলৈ নিবিচাৰিব বুলি নিশ্চিত।

## সুৰা নিষিদ্ধ মাজুলীত বিনষ্ট ১৫ লাখ টকাৰ

মাজুলী আৰক্ষী আৰু আৱকাৰী বিভাগে জিলাখনৰ বিভিন্ন স্থানত অবৈধ সুৰাৰ বিৰুদ্ধে ব্যাপক অভিযান চলাই বৃহৎ পৰিমাণৰ সুৰা জব্দ কৰিছিল। জব্দকৃত সুৰাসমূহ দৰবাৰ চাপৰিত একত্ৰিত কৰাৰ পিছত শাৰী শাৰীকৈ সজাই থোৱা বটলসমূহৰ ওপৰেৰে জেচিবি আৰু ৰোলাৰ চলাই আজি সম্পূৰ্ণৰূপে ধ্বংস কৰে। মুহূৰ্তৰ ভিতৰতে হাজাৰ হাজাৰ সুৰাৰ বটল গুৰি হৈ পৰে আৰু সমগ্ৰ এলেকাত কাঁচৰ টুকুৰা চিটিকি পৰাৰ লগতে সুৰা বৈ যোৱাৰ দৃশ্য দেখা যায়। উল্লেখযোগ্য যে, অবৈধ সুৰা জব্দৰ ঘটনাসমূহৰ সৈতে জড়িত মুঠ ১৬টা গোচৰ জিলাখনৰ বিভিন্ন থানাত ৰুজু কৰা হৈছিল। এই গোচৰসমূহৰ ভিত্তিত ১৯জন অভিযুক্তক কৰায়ত্ত কৰি আদালতলৈ প্ৰেৰণ কৰিবলৈ সক্ষম হৈছিল মাজুলী আৰক্ষী। পৰৱৰ্তী সময়ত জব্দকৃত সুৰাসমূহ ধ্বংস কৰাৰ অনুমতি বিচাৰি আৰক্ষীয়ে আদালতৰ ওচৰত আবেদন দাখিল কৰে। আদালতৰ নিৰ্দেশ অনুসৰি জিলা আয়ুক্তৰ নেতৃত্বত গঠন কৰা 'সুৰা নিষ্পত্তি সমিতি' (Liquor Disposal Committee)-এ আজি এই সুৰাসমূহ নষ্ট কৰে। কেৱল সুৰাই নহয়, যোৱা ২ জুনত বনগাঁও আৰক্ষী চকীৰ দৈনিক পঞ্জী নং ৩৭ অনুসৰি জব্দ কৰা ৩ কুইণ্টল ৮৩ কিলোগ্ৰাম লালী গুৰুও একে সময়তে ধ্বংস কৰে। ইফালে আৰক্ষী প্ৰশাসনে জানিবলৈ দিয়ে যে, মাজুলীক সুৰামুক্ত কৰাৰ অভিযান অব্যাহত থাকিব। বৰ্তমানো প্ৰায় ৫০০ লিটাৰ জব্দকৃত অবৈধ সুৰা নষ্ট কৰিবলৈ বাকী আছে আৰু অতি শীঘ্ৰেই সেইসমূহো ধ্বংস কৰা হ'ব বুলি আৰক্ষীৰ সূত্ৰই জানিবলৈ দিয়ে। ধৰ্মীয়, সাংস্কৃতিক আৰু বৌদ্ধিক পৰিৱেশৰ বাবে সুপৰিচিত মাজুলীত অবৈধ সুৰাৰ প্ৰচলন ৰোধৰ লক্ষ্যৰে প্ৰশাসনে গ্ৰহণ কৰা এই পদক্ষেপক স্থানীয় সচেতন মহলে আদৰণি জনাইছে। মাজুলী আৰক্ষীয়েও আগন্তুক দিনবোৰত নিচাজাতীয় সামগ্ৰীৰ বিৰুদ্ধে অভিযান অধিক তীব্ৰতৰ কৰাৰ সংকল্প ব্যক্ত কৰিছে।

## '২৭ৰ উচ্চতৰ মাধ্যমিকৰ

পৰীক্ষাৰ সম্ভাব্য সময়সূচী প্ৰকাশ কৰিছে। পৰিষদে জাৰি কৰা অধিসূচনা অনুসৰি, পৰৱৰ্তী উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা ২০২৭ চনৰ ফেব্ৰুৱাৰী-মাৰ্চ মাহত অনুষ্ঠিত হ'ব। এই সময়সূচী অনুসৰি উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষৰ বাবে জুন মাহত প্ৰথম গোট পৰীক্ষা, ছেপ্তেম্বৰ মাহত ছমহীয়া পৰীক্ষা, অক্টোবৰ মাহত দ্বিতীয় গোট পৰীক্ষা আৰু ডিচেম্বৰ মাহত পুনৰীক্ষণমূলক পৰীক্ষা অনুষ্ঠিত হ'ব। একেদৰে উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ বাবে আগষ্ট মাহত প্ৰথম গোট পৰীক্ষা অনুষ্ঠিত হ'ব। প্ৰথম বৰ্ষৰ ছমহীয়া পৰীক্ষা নৱেম্বৰ মাহত অনুষ্ঠিত হোৱাৰ লগতে ২০২৭ চনৰ জানুৱাৰী মাহত দ্বিতীয় গোট পৰীক্ষা অনুষ্ঠিত হ'ব। অধিসূচনাত উল্লেখ থকা অনুসৰি,,ৰ মাৰ্চৰ পূৰ্বে উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ বছৰেকীয়া পৰীক্ষা অনুষ্ঠিত হ'ব। পৰিষদে স্পষ্টকৈ জানিবলৈ দিছে যে উচ্চতৰ মাধ্যমিক প্ৰথম আৰু দ্বিতীয় বৰ্ষৰ সকলো গোট পৰীক্ষা, ছমহীয়া পৰীক্ষা, পুনৰীক্ষণমূলক পৰীক্ষা আৰু বছৰেকীয়া পৰীক্ষা সকলো উচ্চতৰ মাধ্যমিক বিদ্যালয়ে বাধ্যতামূলকভাৱে অনুষ্ঠিত কৰিব লাগিব। এই সময়সূচী অনুসৰি বিদ্যালয়সমূহে শিক্ষাবৰ্ষৰ কাৰ্যকলাপ আগবঢ়াই নিব বুলি আশা কৰা হৈছে। পৰীক্ষাৰ নিৰ্দিষ্ট তাৰিখ আৰু অন্যান্য বিস্তাৰিত তথ্য পৰিষদৰ চৰকাৰী ৱেবছাইটত উপলব্ধ হ'ব বুলি জানিব পৰা গৈছে।

## কেৱল অনলাইনযোগেহে

উন্নীত কৰা কামাখ্যা ধামৰ প'ৰ্টেলৰ জৰিয়তে এই সুবিধা প্ৰদান কৰা হ'ব। কামাখ্যা মন্দিৰ কৰ্তৃপক্ষই এক বিশেষ জাননীযোগে সকলো ভক্তিপ্ৰাণক অৱগত কৰিছে যে বিশেষ দৰ্শনৰ টিকট বুকিঙৰ বাবে উদ্দেশ্যি এই নতুন অনলাইন প'ৰ্টেলটো ১৫ জুন তাৰিখে সন্ধিয়া ৬:০০ বজাৰ পৰা সাধাৰণ জনতাৰ বাবে মুকলি কৰি দিয়া হ'ব। সেয়ে মন্দিৰ কৰ্তৃপক্ষই সকলো ভক্তক বিশেষ দৰ্শনৰ টিকট কেৱল চৰকাৰী অনলাইন প'ৰ্টেলৰ জৰিয়তেই আবেদন বা বুকিং কৰিবলৈ অনুৰোধ জনাইছে। ইয়াৰ অৰ্থ হৈছে যে মন্দিৰ চৌহদত অফলাইন টিকটৰ কাউণ্টাৰ বা ব্যৱস্থা আৰু নাথাকিব। ভক্তসকলে ঘৰতে বহি অনলাইনযোগে টিকট বুকিং কৰি নিৰ্দিষ্ট তাৰিখ আৰু সময়ত দৰ্শনৰ সুবিধা লাভ কৰিব পাৰিব। কামাখ্যা মন্দিৰৰ চৰকাৰী ৱেবছাইট হৈছে: www.mkdonline.in আৰু http: //www.mkdonline.in। এই ৱেবছাইটৰ জৰিয়তে ভক্তসকলে সকলো প্ৰকাৰৰ বিশেষ দৰ্শনৰ টিকট বুকিং কৰিব পাৰিব। সময়সূচী আৰু অন্যান্য বিৱৰণীৰ বাবে ভক্তসকলক ৱেবছাইট পৰিদৰ্শন কৰিবলৈ অনুৰোধ জনোৱা হৈছে।

## বেলতলাত যুৱতীৰ ৰহস্যজনক

ভিতৰত উদ্ধাৰ কৰা হয়। যুৱতীগৰাকী ওদালগুৰি জিলাৰ নতুন নলবাৰী গাঁৱৰ বাসিন্দা আছিল। তেওঁ গুৱাহাটীৰ এটা ব্যক্তিগত প্ৰতিষ্ঠানত কাম কৰি আছিল। মৰণোত্তৰ পৰীক্ষা সম্পূৰ্ণ হোৱাৰ পিছত আৰক্ষীয়ে সুস্মিতা বসুমতাৰীৰ মৃতদেহ পৰিয়ালৰ হাতত চমজাই দিয়ে। কিন্তু এই মৃত্যুক লৈ তেওঁৰ পিতৃয়ে এক ডাঙৰ অভিযোগ উত্থাপন কৰিছে। পিতৃৰ দাবী অনুসৰি, সুস্মিতাই নিজৰ জীৱন শেষ কৰা নাই; বৰঞ্চ তেওঁক পৰিকল্পিতভাৱে হত্যা কৰা হৈছে। এই সন্দৰ্ভত পিতৃগৰাকীয়ে হাতীগাঁও আৰক্ষী থানাত এখন আনুষ্ঠানিক এজাহাৰ দাখিল কৰিছে। পৰিয়ালৰ দাবী মতে, মঙলবাৰে নিশা সুস্মিতাৰ লগত তেওঁৰ প্ৰেমিক আকাশ প্ৰসাদ আছিল। ঘটনাৰ ৰহস্য উন্মোচন কৰিবলৈ আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে আৰু সম্পৰ্কিত লোকসকলক সোধা-পোছা কৰাৰ লগতে প্ৰয়োজনীয় আইনী ব্যৱস্থা গ্ৰহণ কৰিব বুলি জানিব পৰা গৈছে।

## বৰপেটাত পূৰ্বৰ লাটমণ্ডল


ৰাজহ চক্ৰৰ লাটমণ্ডল আছিল। তেওঁৰ বিৰুদ্ধে পূৰ্বৰ ৰাজহ চক্ৰ বিষয়ীয়া পঁপুৰ বৰাৰ সৈতে সম্পৰ্ক গঢ়ি বৰপেটাৰ বিভিন্ন স্থানত মাটি সম্পত্তি কৰাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছিল। এই অভিযোগৰ ভিত্তিতেই মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষে তেওঁৰ ঘৰত তল্লাশী অভিযান চলাইছে। এতিয়ালৈকে অভিযান কেনেদৰে আগবাঢ়িছে তাৰ বিস্তাৰিত তথ্য পোহৰলৈ অহা নাই। কিন্তু জিলাখনৰ ৰাজহ বিভাগত চাঞ্চল্যৰ সৃষ্টি হোৱাৰ লগতে স্থানীয় মহলত ইয়াৰ ব্যাপক চৰ্চা হৈছে। অভিযান সম্পৰ্কে মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষৰ তৰফৰ পৰা অতি সোনকালে আনুষ্ঠানিক বিবৃতি প্ৰকাশ পাব বুলি ধাৰণা কৰা হৈছে।

### গণতন্ত্ৰ বিৰোধী চৰকাৰৰ বিৰুদ্ধে যুঁজ জোৰদাৰ ইণ্ডি মিত্ৰজোঁটৰ লক্ষ্য

# তৃণমূল-কংগ্ৰেছৰ একত্ৰীকৰণ উৰাবাতৰি

### কে চি বেণুগোপালৰ স্পষ্টীকৰণ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১১ জুন ঃ** বিসংবাদ, বিদ্ৰোহ, দলীয় অন্তঃকলহ আৰু দলত্যাগৰ একাধিক আঘাতত এতিয়া জৰ্জৰিত হৈ পৰিছে মমতা বেনাৰ্জীৰ প্ৰায় তিনি দশকীয়া ৰাজনৈতিক সংগঠন তৃণমূল কংগ্ৰেছ। তিনিটা কাৰ্যকাল শাসন-ক্ষমতাত থাকি সম্প্ৰতি উৎখাত হোৱাৰ পিছত ভৰিৰ তলৰ ভুমি হেৰুওৱাৰ অৱস্থা হৈছে মমতা বেনাৰ্জীৰ। এসময়ৰ বিশ্বস্ত ৰাজনৈতিক সহযোগীসকল এজনৰ পিছত এজন বিদ্ৰোহী হৈ সংগ ত্যাগ কৰাত দলটোক সুসংহত কৰিবলৈ পানীত ডুবা মানুহৰ দৰে ককবকি ফুৰা মমতাই এতিয়া নিজৰ পুৰণি ঘৰলৈ উভতি অহাৰ প্ৰস্তুতি চলোৱা বুলি ৰাজনৈতিক মহলত গুজৰে তীব্ৰ চৰ্চা লাভ কৰিছে। অৰ্থাৎ কংগ্ৰেছ আৰু তৃণমূল কংগ্ৰেছ একত্ৰিত হোৱাৰ সম্ভাৱনা সন্দৰ্ভত জল্পনা-কল্পনাই সমীপৱৰ্তী সময়ত সৃষ্টি কৰিছে এক ৰাজনৈতিক প্ৰতিক্ৰিয়া। এই



একত্ৰীকৰণৰ জল্পনাৰ প্ৰতি প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে কংগ্ৰেছে। বৃহস্পতিবাৰে কংগ্ৰেছৰ সাধাৰণ সম্পাদক কে চি বেণুগোপালে এখন সংবাদমেল সম্বোধন কৰি তৃণমূল কংগ্ৰেছ আৰু কংগ্ৰেছৰ মাজত সম্ভাব্য একত্ৰীকৰণ সম্পৰ্কে উৰি থকা উৰাবাতৰিক খাৰিজ কৰি দিয়ে। তেওঁ এনে দাবীক সম্পূৰ্ণ ভিত্তিহীন বুলি অভিহিত কৰে। বেণুগোপালে স্পষ্টভাৱে কয় যে পশ্চিম বংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জী আৰু কংগ্ৰেছ সংসদীয় দলৰ অধ্যক্ষ ছোনিয়া গান্ধীৰ মাজত হোৱা বৈঠককে ধৰি শেহতীয়া সময়ত অনুষ্ঠিত উচ্চ পৰ্যায়ৰ আলোচনাবোৰ কেৱল এক ৰুটিন প্ৰক্ৰিয়াৰ অংশ আছিল। তেওঁ দৃঢ়তাৰে উল্লেখ কৰে যে এই আলোচনাসমূহৰ প্ৰধান লক্ষ্য হৈছে "এই গণতন্ত্ৰবিৰোধী চৰকাৰখনৰ বিৰুদ্ধে যুঁজখন শক্তিশালী কৰিবলৈ এক ঐক্যবদ্ধ মিত্ৰজোঁট গঢ়ি তোলা।" বেণুগোপালে লগতে কয়, "এইবোৰ সম্পূৰ্ণ উৰাবাতৰি। ইতিমধ্যে কালি আমাৰ যোগাযোগ সচিবেও এইবোৰ ভিত্তিহীন বুলি স্পষ্ট কৰিছে। মমতা বেনাৰ্জী আৰু অভিষেক বেনাৰ্জীয়ে ছোনিয়া গান্ধী আৰু ৰাহুল গান্ধীক লগ পালে নিয়মীয়া আলোচনাৰ অংশ হিচাপেহে লগ পাইছিল। সেই আলোচনা ইণ্ডি মিত্ৰজোঁটৰ সম্প্ৰসাৰণৰ বিষয়েই আছিল। কাৰণ সকলোৱে ইণ্ডিয়াক শক্তিশালী কৰিব বিচাৰে। এই গণতন্ত্ৰবিৰোধী চৰকাৰৰ বিৰুদ্ধে যুঁজখন সকলোৱে জোৰদাৰ কৰিব বিচাৰে। আমি সেই দিশত একেলগে আগবাঢ়ি যাম। এইটোৱেই একমাত্ৰ আলোচনাৰ বিষয়বস্তু, আন একো নহয়।" ইফালে অহা ৰাজ্যসভা নিৰ্বাচনৰ প্ৰতি দৃষ্টি পেলাই বেণুগোপালে নিৰ্বাচনী প্ৰক্ৰিয়া, বিশেষভাৱে মধ্যপ্ৰদেশত কংগ্ৰেছ প্ৰাৰ্থী মীনাক্ষি নটৰাজনৰ মনোনয়ন-পত্ৰ প্ৰত্যাখ্যান কৰাৰ ঘটনাৰ তীব্ৰ নিন্দা কৰে। তেওঁ কয় যে এফালে নথিত অমিলৰ বাবে নটৰাজনৰ মনোনয়ন বাতিল কৰা হৈছে আনহাতে একাধিক ত্ৰুটি থকা আন প্ৰাৰ্থীৰ মনোনয়ন গ্ৰহণ কৰা হৈছে। এই কাণ্ডক 'আসন চুৰি'ৰ স্পষ্ট উদাহৰণ বুলি অভিহিত কৰি বেণুগোপালে সোধে, "এই ধৰণৰ গণতন্ত্ৰত আমি কেনেকৈ আগবাঢ়িব পাৰোঁ? আচলতে এইটোৱে আজিৰ ভাৰতীয় গণতন্ত্ৰৰ কৰুণ অৱস্থাটো প্ৰদৰ্শন কৰিছে।"

# জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ত বিনামূলীয়া শৈক্ষিক কৰ্মশালাৰ আয়োজন

**অসম বাৰ্তা, জাঁজী, ১১ জুন ঃ** শিৱসাগৰ জিলাৰ জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ত অহা ২ আৰু ৩ জুলাইত ডিব্ৰুগড় বিশ্ববিদ্যালয় ৰ সতীৰ্থ ৮৬' দ্বাৰা দুদিনীয়া কাৰ্যসূচীৰে এক বিনামূলীয়া শৈক্ষিক কৰ্মশালাৰ আয়োজন কৰা হৈছে। আনহাতে এই প্ৰেৰণা মূলক কৰ্মশালাত নৱম, দশম, একাদশ আৰু দ্বাদশ শ্ৰেণীৰ ছাত্ৰ ছাত্ৰী সকলৰ মাজত পদাৰ্থ বিজ্ঞানৰ লগতে ইংৰাজী, ৰসায়ন বিজ্ঞান, আৰু অংক শাস্ত্ৰ বিষয় বিলাক জনপ্ৰিয় কৰাৰ মানসেৰে সমল ব্যক্তিৰ দ্বাৰাই বিনামূলীয়া শিক্ষা দান কৰা হব। উল্লেখ্য যে স্থানীয় বিদ্যালয়ৰ পৰা বিজ্ঞান বিষয়ত আগ্ৰহ থকা প্ৰত্যেকটো শ্ৰেণীৰ পৰা কমেও ১০/১৫ জন ছাত্ৰ-ছাত্ৰীক উক্ত কাৰ্য্যসূচীত অংশগ্ৰহণ কৰাবৰ বাবে উদ্যোক্তাই আহ্বান জনাইছে। এই কৰ্মশালাত প্ৰথম দিনা সমল ব্যক্তি হিচাপে উপস্থিত থাকিব তিনিচুকীয়া ওমেন কলেজৰ ড° ৰাজীৱ বৰদলৈ, তিনিচুকীয়া ইংলিছ ওমেন কলেজৰ অধ্যাপক উত্তম দুৱৰা। আনহাতে দ্বিতীয় দিনা উপস্থিত থাকিব দেৰগাঁও কমল দুৱৰা কলেজৰ ৰসায়ন বিভাগৰ অধ্যাপক ড°মনোজ হাজৰিকা, আৰু শিৱসাগৰ কলেজৰ গণিত বিভাগৰ অধ্যাপক ফিৰোজা বেগম। লগতে বিয়লি মানপত্ৰ বিতৰণ কৰা হ'ব। সেয়েহে দুয়ো দিনৰ কৰ্ম শালা সফল ৰূপাডয়ন কৰিবলৈ ডিব্ৰুগড় বিশ্ববিদ্যালয় সতীৰ্থ '৮৬ৰ সভাপতি হেৰম্ব বাইলুং, সাধাৰণ সম্পাদক বুবুল চাংকাকতিয়ে সহযোগিতা কামনা কৰিছে। আনহাতে অংশ গ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকৰ তালিকা ২০ জুনৰ ভিতৰত মোবাইল নম্বৰ ৯৪৩৫০১৮৭৯৪ত যোগাযোগ কৰিব পাৰিব।

কাজিৰঙাৰ পৰা অহা গঁড়টোক খেদিবলৈ বনকৰ্মীৰ শূন্যলৈ গুলীবৰ্ষণ

# নামনি মাজুলীত পুনৰ গঁড়ৰ সন্ত্ৰাস; বন বিভাগৰ বাহনত গঁড়ৰ প্ৰচণ্ড আক্ৰমণ

**অসম বাৰ্তা, মাজুলী, উজনী মাজুলী, ১০ জুন ঃ** প্ৰতিবছৰে কাজিৰঙাৰ পৰা খাদ্যৰ সন্ধানতে মাজুলীৰ মূল ভূখণ্ডৰ লগতে চৰ-চাপৰি অঞ্চলত এজাক বন্যহস্তী, গড়, বনৰীয়া মহ আৰু এজাক ঘোঁৰাৰ বাৰিষাৰ সময়ত বিচৰণ কৰা দেখিবলৈ পোৱা যায়। এই বছৰ ফেব্ৰুৱাৰী মাহত হোৱা দীঘলীয়া খৰৰ বতৰতে মাজুলীলৈ প্ৰব্ৰজন হৈছিল বন্যপ্ৰাণী জাক। মাৰ্চ মাহৰ পৰা ধাৰাসাৰে প্ৰৰ্যাপ্ত পৰিমাণে বৰষুণ হোৱাৰ ফলত মাজুলীৰ বিভিন্ন ঠাইত ঘাঁহ বন গজি সেউজীয়া হৈ পৰাৰ উপৰিও নদী কাষৰীয়া অঞ্চলত বিভিন্ন শস্য ঠন ধৰি উঠাত উজনি মাজুলীৰ শালমৰাৰ পৰা নামনিলৈকে চৰ চাপৰি অঞ্চলত খাদ্যৰ সম্ভাৰ লাভ কৰি কাজিৰঙালৈ প্ৰত্যাবৰ্তন কৰা নাই বন্যপ্ৰাণী জাক। তদুপৰি বৰষুণৰ ফলত ব্ৰহ্মপুত্ৰৰ সুঁতি বিলাকত যথেষ্ট পৰিমাণে পানী হোৱাৰ বাবে সহজে সাতুৰি ৰাতিটোৰ ভিতৰতে বহু দূৰলৈ যাবলৈ সুবিধা পাই মাজুলীৰ নৈপৰীয়া অঞ্চলত খোপনি পুতিবলৈ সুবিধা পাইছে। খৰালিতে গড়ৰ জাকটো ছেদেলি ভেদেলি হৈ বিভিন্ন সময়ত বিভিন্ন ঠাইত ৰাইজে দেখিবলৈ পাইছে। শালমৰা অঞ্চলত অলপতে এগৰাকী মহিলাক আক্ৰমণ আহত কৰাৰ পিছত ভকত চাপৰিটো ৰাইজক আতংকিত কৰা গড়জাক নামনি মাজুলীৰ মাজৰ চাপৰি আৰু কুমলীয়া চাপৰিত দীৰ্ঘদিন ধৰি বিচৰণ কৰা ৰাইজে দেখিবলৈ পাইছে। জাকৰ পৰা ফালৰি কাটি অহা গঁড়টোৱে আজি অঞ্চলটোত মানুহৰ লগতে ঘৰচীয়া জীৱ জন্তুলৈ চোঁচা লয়। ফলত গঁড়ৰ আক্ৰমণাত্মক ৰূপক লৈ তীব্ৰ আতংকিত হৈ পৰে নামনি মাজুলীৰ ৰাইজ। খবৰ পাই গড়টো খেদিবলৈ যত্ন কৰাৰ সময়ত বনবিভাগৰ বাহনখনত আক্ৰমণ কৰে। এই বাতৰি লিখাৰ পৰলৈকে বনবিভাগৰ লোকে গুলি বৰ্ষণ কৰি খেদিবলৈ যত্ন কৰি আছে যদিও আশংকাত ভুগিছে স্থানীয় ৰাইজ। মাজুলীৰ বিভিন্ন স্থানত গড়, বন্যহস্তীৰ বিচৰণ অব্যাহত আছে যদিও পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হোৱা নাই বনবিভাগ। ফলত আতংকিত নৈপৰীয়া ৰাইজৰ জীৱন আৰু জীৱিকাৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিছে।

# নলবাৰীত “নীট” পৰীক্ষা পুনৰাই অনুষ্ঠিত কৰা সন্দৰ্ভত জিলা প্ৰশাসনৰ পৰ্যালোচনা সভা

**অসম বাৰ্তা, নলবাৰী, ১০ জুন ঃ** নেশ্যনেল টেষ্টিং এজেন্সিৰ অধীনত পুনৰাই “নীট”পৰীক্ষা অনুষ্ঠিত হ'ব। এই সন্দৰ্ভত আজি নলবাৰীৰ জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰীৰ সভাপতিত্বত জিলা পৰ্যায়ৰ সংশ্লিষ্ট বিষয়াসকলৰ লগত জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰীয়ে আজি সংহত নলবাৰী জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত এখন সভা অনুষ্ঠিত কৰা হয়। নলবাৰী জিলাত মহেন্দ্ৰ নাৰায়ণ চৌধুৰী বালিকা মহাবিদ্যালয়, নলবাৰী কমাৰ্চ কলেজ আৰু নলবাৰী পলিটেকনিক-এই তিনিখন কলেজত “নীট”পৰীক্ষাৰ কেন্দ্ৰ ৰখা হৈছে। ২১জুন, ২০২৬ তাৰিখত অনুষ্ঠিত হ'বলগীয়া “নীট” পৰীক্ষা সুকলমে অনুষ্ঠিত কৰাৰ উদ্দেশ্য আগত ৰাখিয়েই জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰীয়ে জিলাখনৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক, অতিৰিক্ত জিলা আয়ুক্ত (শিক্ষা)অতিৰিক্ত আৰক্ষী অধীক্ষক, উপ-আৰক্ষী অধীক্ষক, কলেজ তিনিখনৰ অধ্যক্ষ, যুটীয়া স্বাস্থ্য সঞ্চালক, জিলা পৰিবহণ বিষয়া তথা এ পি ডি চি এলৰ বিষয়াৰ লগত “নীট” পৰীক্ষা সুকলমে অনুষ্ঠিত কৰাৰ স্বাৰ্থত নেশ্যনেল টেষ্টিং এজেন্সিৰ নিৰ্দেশনাসমূহ পৰ্যালোচনা কৰে। বিশেষকৈ নিৰাপত্তাৰ দিশ, স্বাস্থ্য, বিশুদ্ধ খোৱাপানী, অবিৰত বিদ্যুত সেৱা, সুচল যাতায়ত আদি নিশ্চিত কৰিবলৈ যাৱতীয় নিৰ্দেশনা জাৰি কৰে। তদুপৰি যিহেতু দ্বিতীয়বাৰৰ বাবে “নীট” পৰীক্ষা হ'বলৈ গৈ আছে গতিকে এইবাৰ পৰীক্ষা অনুষ্ঠিত কৰাৰ সকলো দিশত সংশ্লিষ্ট এজেন্সিৰ চোকা নজৰ থাকিব। গতিকে সংশ্লিষ্ট সকলোকে “নীট” পৰীক্ষা অনুষ্ঠিত কৰাৰ পৰিপ্ৰেক্ষিতত অতি শৃংখলাবদ্ধভাৱে সকলো পৰিচালনা কৰিবলৈ জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰীয়ে কঠোৰ নিৰ্দেশনা দিয়ে।

জিলা প্ৰশাসনৰ দ্বাৰা জৰুৰী ব্যৱস্থা গ্ৰহণ

# ডুমডুমা সম-জিলাত আফ্ৰিকান ছোৱাইন ফিভাৰৰ প্ৰাদুৰ্ভাৱ

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ১০ জুন ঃ** তিনিচুকীয়াৰ ডুমডুমা সম-জিলাৰ ৰূপাই চাইডিং ঔগুৰি গাঁৱত আফ্ৰিকান ছোৱাইন ফিভাৰ (ASF) ধৰা পৰাৰ পিছত জিলা প্ৰশাসনে তৎকালীনভাৱে ৰোগ নিয়ন্ত্ৰণৰ বাবে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে। জিলা আয়ুক্ত তথা জিলা দণ্ডাধীশ সুমিত ছাত্তাৱানে আজি এই সন্দৰ্ভত দুৰ্যোগ ব্যৱস্থাপনা আইন, ২০০৫ৰ অধীনত এক আদেশ জাৰি কৰি কেতবোৰ নিষেধাজ্ঞা আৰোপ কৰিছে। এই নিষেধাজ্ঞা অনুসৰি ডুমডুমা সম-জিলাৰ ঔগুৰি গাঁৱক আফ্ৰিকান চোৱাইন ফিভাৰৰ কেন্দ্ৰস্থল হিচাপে বিবেচনা কৰি অঞ্চলটোৰ ১ কিঃমিঃ ব্যাসাৰ্ধ এলেকাক সংক্ৰমিত এলেকা আৰু ১০ কিঃমিঃ ব্যাসাৰ্ধ পৰ্যন্ত এলেকাক নিৰীক্ষণ এলেকা হিচাপে ঘোষণা কৰা হৈছে। ৰাষ্ট্ৰীয় কাৰ্য পৰিকল্পনা অনুসৰি অহা ৯, ১০ আৰু ১১ জুন তাৰিখে সংক্ৰমিত অঞ্চলত গাহৰি কালিং কৰা হ'ব। এই প্ৰক্ৰিয়া পশুপালন আৰু পশু চিকিৎসা বিভাগৰ বিষয়াৰ উপস্থিতিত সম্পন্ন কৰা হ'ব আৰু সম্পূৰ্ণ তথ্য সংৰক্ষণ কৰা হ'ব। এই নিষেধাজ্ঞা ৩০ দিনৰ বাবে প্ৰযোজ্য হব আৰু উক্ত সময়ছোৱাত ডুমডুমা সম-জিলাৰ সকলো গাহৰি মাংসৰ দোকান বন্ধ থাকিব। ডুমডুমাৰ পৰা অন্য জিলা তথা অৰুণাচল প্ৰদেশলৈ গাহৰি মাংস অথবা গাহৰি মাংসৰ সামগ্ৰীৰ প্ৰেৰণ সম্পূৰ্ণ নিষিদ্ধ কৰা হৈছে। আনহাতে দোকান বা বজাৰত গাহৰি মাংসৰ বিক্ৰীও নিষিদ্ধ কৰা হৈছে। উল্লেখযোগ্য যে, এই ৰোগবিধ মানুহৰ দেহলৈ সংক্ৰমিত নহয়, কিন্তু গাহৰিৰ বাবে অতি সংক্ৰামক আৰু মাৰাত্মক। সেয়ে ৰাইজক আতংকিত নহ'বলৈ আৰু এই ৰোগ প্ৰতিৰোধৰ বাবে প্ৰশাসনক সহায়-সহযোগিতা আগবঢ়াবলৈ আহ্বান জনোৱা হৈছে। আনহাতে কোনো ব্যক্তিয়ে এই আদেশ উলংঘা কৰিলে ভাৰতীয় ন্যায় সংহিতাৰ ধাৰা ২২৩ৰ অধীনত আইনী ব্যৱস্থা লোৱা হ'ব। ইয়াৰোপৰি ৰাইজে এই ক্ষেত্ৰত পশুপালন বিভাগৰ হেল্পলাইন নম্বৰ ১৯৬২ আৰু জিলা নিয়ন্ত্ৰণ কক্ষৰ নম্বৰ ০৩৭৪-২৩৩১০০০ ত যোগাযোগ কৰিব পাৰিব বুলি তিনিচুকীয়া জিলাৰ জিলা তথ্য আৰু জনসংযোগ বিষয়াই জনাইছে।

# সৃজনগ্ৰামৰ কাছাৰীপেটীত বান, নৈৰ খহনীয়া পৰিদৰ্শন বিধায়ক নুৰুল ইছলামৰ

**অসম বাৰ্তা, অভয়াপুৰী, ৯ জুন ঃ** সৃজনগ্ৰাম বিধানসভা সমষ্টিৰ নৱ নিৰ্বাচিত বিধায়ক নুৰুল ইছলামে আজি পৰিদৰ্শন কৰে বিভিন্ন অঞ্চলৰ নৈৰ খহনীয়া অঞ্চল। বাৰিষা সমাগত। প্ৰতি বছৰে বান- নৈৰ খহনীয়াই তাণ্ডৱৰ সৃষ্টি কৰে বঙাইগাঁও জিলাৰ নৱ গঠিত সৃজনগ্ৰাম বিধান সভা সমষ্টিত। সমষ্টিটোৰ আই, মানাহ, ব্ৰহ্মপুত্ৰ আৰু চম্পাৱতী নৈয়ে প্ৰতি বছৰে সৃষ্টি কৰি আহিছে বান আৰু খহনীয়াই। সৰ্বসাধাৰণ ৰাইজে ভোগ কৰিবলগীয়া হয় যমৰ যাতনা। যাৰ বাবে সমষ্টিটোৰ বিভিন্ন ঠাইত সম্ভাব্য হব পৰা খহনীয়া অঞ্চল ৰক্ষা কৰাৰ বাবে বিধায়ক নুৰুল ইছলামে জল সম্পদ বিভাগৰ বিষয়া-কৰ্মচাৰীক লগত লৈ আজি পৰিদৰ্শন কৰে সমষ্টিটোৰ বিভিন্ন ঠাই। বিধায়ক নুৰুল ইছলামে সমষ্টিটোৰ টেণ্টনপুৰ, বৰৈচালা, কাছাৰেপেটী, ডুমেৰগুৰী, ভড়ালীপাৰা, ডুবাচুৰী, তিনিকোণীয়া আৰু যোগীঘোপা আদি খহনীয়া অঞ্চল পৰিদৰ্শন কৰি বিভাগীয় কৰ্তৃপক্ষক বিহিত ব্যৱস্থা ল'বলৈ সক্ষম হৈ থাকিবলৈ আহ্বান জনায়। দেশত মূল্য বৃদ্ধি হোৱা সম্পৰ্কে বিধায়ক নুৰুল ইছলামে কয় যে- দেশত এই দৰে মূল্য বৃদ্ধি হৈ থাকিলে অহা বছৰত দেশত অৰ্থনৈতিক জৰুৰী কালীণ অৱস্থাতৰ সৃষ্টি হোৱাৰ আকাংক্ষা। সকলো ক্ষেত্ৰতে আকাশলংঘী মূল্য বৃদ্ধিয়ে ৰাইজক জৰুলা কৰি পেলাইছে। বৰ্তমান দেশৰ শাসনাধিষ্ঠিত চৰকাৰে সা-সামগ্ৰীৰ মূল্য বৃদ্ধি ৰোধ কৰাৰ বিপৰীতে ভোট লোৱাৰ হে চিন্তা বেচি কৰে। এই দৰে আজি বিধায়ক নুৰুল ইছলামে সাংবাদিকৰ আগত মূল্যবৃদ্ধি সম্পৰ্কে মন্তব্য কৰে।

# মাকুম বাইপাছত ছিলিণ্ডাৰৰ পৰা গেছ নিষ্কাশনৰ সন্দেহত এখন ছিলিণ্ডাৰ ভৰ্তি ট্ৰাক জব্দ

**অসম বাৰ্তা, মাকুম, ১০ জুন ঃ** ৰন্ধন গেছৰ বাবে গ্ৰাহকে হাহাকাৰ কৰি থকা সময়তে মাকুম বাইপাছৰ জিৰ' পইণ্টত সংঘটিত এক সন্দেহজনক ঘটনা পোহৰলৈ আহিছে। গেছ নিষ্কাশনৰ বাবে এখন ট্ৰাকৰ পৰা চালকজনে ছিলিণ্ডাৰ নমোৱাৰ প্ৰস্তুতি চলাই থকা অৱস্থাত মাকুম আৰক্ষীৰ তহলদাৰী দলৰ জালত পৰে ট্ৰাকখন। প্ৰাপ্ত তথ্য অনুসৰি আজি পুৱতি নিশা এ এচ ২৩ চি ৭৭৮২ নম্বৰৰ গোপনাৰী বটলিং প্লাণ্টৰ পৰা অহা ট্ৰাকখনত বৃহৎ সংখ্যক ৰন্ধন গেছৰ ছিলিণ্ডাৰ কঢ়িয়াই অনা হৈছিল। আৰক্ষীয়ে গেছ নমোৱাৰ সন্দেহজনক গতিবিধি লক্ষ্য কৰি অভিযান চলাই ট্ৰাক সহ চালক হেণ্ডিমেনক সোধ-পোছৰ বাবে থানালৈ লৈ যায়। ৰন্ধন গেছৰ সংকটৰ মাজতে এনে সন্দেহজনক কাৰ্যকলাপে বহু প্ৰশ্নৰ উদ্ভৱ কৰিছে। ইতিমধ্যে মাকুম আৰক্ষীয়ে ঘটনাৰ তদন্ত আৰম্ভ কৰিছে। ট্ৰাকখনৰ চালক, হেণ্ডিমেনক সোধা-পোছা চলোৱাৰ লগতে ঘটনাটোৰ সৈতে জড়িত আন কোনো ব্যক্তি বা চক্ৰ আছে নেকি, সেই দিশটো তদন্ত অব্যাহত ৰাখিছে।

# দক্ষিণ কামৰূপৰ ৰামপুৰৰ মেজৰ ভাৰ্গৱ কলিতাক শৌৰ্যচক্ৰ সন্মান ৰাষ্ট্ৰপতিৰ

**অসম বাৰ্তা, মিৰ্জা, ১০ জুন ঃ** অসম সন্তান, দক্ষিণ কামৰূপৰ ৰামপুৰৰ বাসিন্দা তথা ভাৰতীয় সেনাত মেজৰ হিচাপে কৰ্মৰত ভাৰ্গৱ কলিতাই জম্মু আৰু কাশ্মীৰত সন্ত্ৰাসবাদৰ বিৰুদ্ধে চলোৱা অভিযানত দুৰ্দান্ত সাহসিকতা প্ৰদৰ্শন কৰা বাবে ভাৰতৰ ৰাষ্ট্ৰপতিৰ সন্মানীয় শৌৰ্য চক্ৰ সন্মানেৰে সন্মানিত কৰা হৈছে। ৰাষ্ট্ৰীয় ৰাইফলছৰ ৫০ বেটেলিয়ানৰ মেজৰ ভাৰ্গৱ কলিতাক ৮ জুনত ৰাষ্ট্ৰপতি ভৱনত আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে তেওঁক এই সন্মান প্ৰদান কৰে। অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিংঙকে ধৰি কেবাজনো কেন্দ্ৰীয় মন্ত্ৰী, তিনিওটা সশস্ত্ৰ বাহিনীৰ মুৰব্বীসহ ভাৰতীয় সেনা, ভাৰতীয় নৌ সেনা আৰু ভাৰতীয় বায়ু সেনাৰ কেবাজনো উচ্চপদস্থ বিষয়া আৰু বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উল্লেখযোগ্য ২০২২ চনৰ অক্টোবৰ মাহত জম্মু কাশ্মীৰত নিযুক্তি লাভ কৰা মেজৰ ভাৰ্গৱ কলিতাৰ নেতৃত্বত ২০২৪ চনৰ ২ ডিচেম্বৰত চলোৱা এক দুঃসাহসিক অভিযানত পাকিস্তানৰ মদতপুষ্ট তিনিজন দুৰ্ধৰ্ষ সন্ত্ৰাসবাদী নেতা নিহত হৈছিল। একেদৰে অভিযানটোত উগ্ৰপন্থীক সহায় কৰা চাৰিজন অভাৰগ্ৰাউণ্ড সদস্যক জীৱন্তে আটক কৰা হৈছিল। মেজৰ ভাৰ্গৱ কলিতাই এই অভিযানত নিজৰ জীৱনকো বিপন্ন কৰি দুৰ্দান্ত সাহসিকতা প্ৰদৰ্শন কৰিছিল। ইয়াৰ ফলতে তেওঁক শৌৰ্য চক্ৰ প্ৰদানৰ কথা চলিত বৰ্ষৰ ২৬ জানুৱাৰীৰ গণতন্ত্ৰ দিৱসৰ দিনা ঘোষণা কৰা হৈছিল। উল্লেখ্য যে মেজৰ ভাৰ্গৱ কলিতাৰ পিতৃ ভাস্কৰ কলিতায়ো দীৰ্ঘদিন ধৰি সেনা বাহিনীত সেৱা আগবঢ়াই ভাৰতীয় সেনাৰ তৃতীয় সৰ্বোচ্চ পদ হিচাপে পৰিচিত মেজৰ জেনেৰেল পদৰ পৰা ২০২২ চনৰ ডিচেম্বৰ মাহত অৱসৰ গ্ৰহণ কৰিছিল। বৰ্তমান তেওঁ প্ৰায় তিনি বছৰ ধৰি অসম লোকসেৱা আয়োগৰ সদস্য পদত কৰ্মৰত হৈ আছে।

# গৌৰৱোজ্জ্বল মহাৰাজত জয়ন্তী; গড়মূৰ শ্ৰীশ্ৰী পীতাম্বৰদেৱ গোস্বামী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ৰাজহুৱা সভা সম্পন্ন

উদ্‌যাপন সমিতি, উপসমিতি গঠন

**অসম বাৰ্তা, মাজুলী, ১০ জুন ঃ** মাজুলী জিলা সদৰ স্থান বিপ্লৱী ধৰ্মগুৰু, সমাজ সংস্কাৰক, স্বাধীনতা সংগ্ৰামী প্ৰয়াত গড়মূৰীয় সত্ৰাধিকাৰ পীতাম্বৰদেৱ গোস্বামীয়ে ১৯৫২ চনত প্ৰতিষ্ঠা কৰা মাজুলীৰ অন্যতম পুৰণি শিক্ষানুষ্ঠান গড়মূৰ শ্ৰীশ্ৰী পীতাম্বৰদেৱ গোস্বামী উচ্চতৰ মাধ্যমিক বিদ্যালয় খনিয়ে ২০২৭ বৰ্ষৰ ২ জানুৱাৰী তাৰিখৰ গৌৰৱোজ্জ্বল ৭৫ বছৰ সম্পূৰ্ণ কৰিব। ঐতিহ্য মণ্ডিত বিদ্যালয় খনিৰ মহাৰাজত জয়ন্তী উদ্‌যাপন কৰাৰ উপলক্ষে আজি বিদ্যালয়খনৰ প্ৰেক্ষাগৃহত দিনৰ ১ বজাৰ পৰা অনুষ্ঠিত হয় এখন ৰাজহুৱা সভা। মাজুলী সমষ্টিৰ বিধায়ক ভুৱন গামৰ সভাপতিত্ব অনুষ্ঠিত হোৱা ৰাজহুৱা সভাখনিৰ উদ্দেশ্য ব্যাখ্যা কৰি অধ্যক্ষ কুমুদ গীস্বামীয়ে অহা জানুৱাৰী মাহত উদ্‌যাপন কৰিব লগীয়া মহাৰজত জয়ন্তীৰ সন্দৰ্ভত বিশদভাৱে উল্লেখ কৰে আৰু জয়ন্তীভাগি আড়ম্বৰপূৰ্ণ ভাবে উদযাপন কৰাৰ ক্ষেত্ৰত ৰাইজৰ বহুমূলীয়া দিহা পৰামৰ্শ গ্ৰহণ আৰু এখন শক্তিশালী উদযাপন সমিতি গঠন কৰাৰ উদ্দেশ্যে আজিৰ ৰাজহুৱা সভা অনুষ্ঠিত কৰা হৈছে বুলি ব্যক্ত কৰে। সভাত সভাপতি তথা মাজুলী সমষ্টিৰ বিধায়ক ভুৱন গামে, বিদ্যালয় পৰিচালনা সমিতিৰ কাৰ্যকৰী সভাপতি জিতেন ডেকা, প্ৰাক্তন প্ৰধান শিক্ষক নীলমণি ভূঞা, নিৰ্ণ শইকীয়া, ৰেণুমালা দত্ত, মিনতি শইকীয়া, সমাজকৰ্মী দীপক গোস্বামী, প্ৰাক্তন ছাত্ৰ ৰঞ্জন শইকীয়া আদিয়ে মহাৰাজত উদযাপন কৰাৰ সন্দৰ্ভত গঠনমূলক বক্তব্য প্ৰদান কৰাৰ পাছত সভাই সৰ্বসন্মতভাৱে এখন শক্তিশালী উদযাপন সমিতি গঠন কৰাৰ পৰামৰ্শ প্ৰদান কৰে। সভাই সৰ্বসন্মতভাৱে বিধায়ক ভুবন গামক সভাপতি, জিতেন ডেকাক কাৰ্যকৰী সভাপতি, ৰঞ্জনশইকীয়া, জগতজ্যোতি সাতোলা, ভাবেন কাকতি, অজিত সভাপণ্ডিত, উপ-সভাপতি, অধ্যক্ষ কুমুদ গোস্বামীক সা-সম্পাদক, যুটীয়া সম্পাদক বিবেক দত্ত, গোবিন বৰা, টংকেশ্বৰ ভৰালী, বিজিত মুদৈ, নৃপেন কামান, বাবুল শৰ্মা, বীৰেন ডেকা, পবিত্ৰ মেধিক সহকাৰী সম্পাদক, ভৱানী নাথ, তিলক বৰুৱা, প্ৰিয়াক্ষী বৰাক কাৰ্যালয় সম্পাদক, মহেন্দ্ৰ কাকতিক কোষাধ্যক্ষ হিচাপে নিৰ্বাচন কৰাৰ লগতে কেইবাখনো উপসমিতি গঠন কৰে। সেই অনুসৰি স্মৃতিগ্ৰন্থ উপ সমিতি বাবে কাজল দতক সভাপতি, ভৱানন্দ হাজৰিকা-হীৰকজ্যোতি বৰাক সম্পাদক, সাংস্কৃতিক উপ-সমিতিৰ সভাপতি -সপোন কাকতি, সম্পাদক-ৰাতুল শইকীয়া। প্ৰচাৰ সমিতিৰ সভাপতি উৎপল কাকতি, উপ সভাপতি জীৱন বৰুৱা, সম্পাদক-চূড়ামণি বৰা, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সমন্বয়ৰক্ষী সমিতিৰ সভাপতি কমল বৰা, সম্পাদক ধ্ৰুৱজ্যোতি পায়েং আৰু ফিজু দত্তক লৈ আজিৰ সভাই প্ৰাৰম্ভিক সমিতি সমূহ গঠন কৰে আৰু পৰৱৰ্তী সময়ত সমিতি সমূহত উপযুক্ত ব্যক্তিক অন্তৰ্ভুক্ত কৰি প্ৰায়ইখন সমিতি পূৰ্ণাঙ্গ ৰূপত গঠন কৰিবলৈ পৰামৰ্শ দিয়ে। বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক বিবেক দত্তই আঁতধাৰা অনুষ্ঠানত শিক্ষক তিলক বৰুৱাৰ পৰিচালনাত বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী সকলে “হে পীতাম্বৰদেৱ” শীৰ্ষক গীতেৰে অনুষ্ঠান শুভাৰম্ভ কৰে।

চেলেংহাটলৈ গৌৰৱ কঢ়িয়ালে সুস্মিতা গগৈ আৰু আফ্ৰিড আলিয়ে

# ৰাষ্ট্ৰীয় ম'ৱাইথাই প্ৰতিযোগিতাত সোণৰ পদক

**অসম বাৰ্তা, চেলেংহাট, ১০ জুন ঃ** উত্তৰাখণ্ডত অনুষ্ঠিত ৰাষ্ট্ৰীয় ম'ৱাই থাইৰ ৱাই ক্ৰ প্ৰতিযোগিতাত সোণৰ পদক অৰ্জন কৰি যোৰহাট জিলাৰ মৰিয়নি সমষ্টিৰ চেলেংহাট অঞ্চললৈ গৌৰৱ কঢ়িয়াই আনিছে সুস্মিতা গগৈ আৰু আফ্ৰিড আলিয়ে। চেলেংহাট ম'ৱাই থাই ক্লাবৰ প্ৰতিভাৱান খেলুৱৈ সুস্মিতা গগৈ আৰু আফ্ৰিড আলিয়ে ৰাষ্ট্ৰীয় পৰ্যায়ৰ এই প্ৰতিযোগিতাত উৎকৃষ্ট প্ৰদৰ্শন আগবঢ়াই সোণৰ পদক লাভ কৰিবলৈ সক্ষম হয়। দুয়োগৰাকী খেলুৱৈয়ে প্ৰশিক্ষক দীপন চাওঁৰাৰ তত্ত্বাৱধানত নিয়মিত অনুশীলন আৰু প্ৰশিক্ষণ গ্ৰহণ কৰি আহিছে। তেওঁলোকৰ এই কৃতিত্বই সমগ্ৰ চেলেংহাট তথা মৰিয়নি অঞ্চলৰ ক্ৰীড়াপ্ৰেমী ৰাইজৰ মাজত আনন্দৰ জোৱাৰ সৃষ্টি কৰিছে। উত্তৰাখণ্ডৰ পৰা বিজয়ী হৈ নিজ গৃহভূমিলৈ উভতি অহাৰ পাছত সুস্মিতা গগৈৰ চেলেং কলিয়াপানীস্থিত বাসগৃহত দুয়োগৰাকী খেলুৱৈক স্থানীয় ৰাইজ, শুভাকাংক্ষী আৰু ক্ৰীড়া সংগঠনৰ বিষয়ববীয়াসকলে উষ্ম আদৰণি জনায়। উপস্থিত ৰাইজে দুয়োগৰাকী খেলুৱৈৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰাৰ লগতে এই সফলতাই অঞ্চলটোৰ আন উদীয়মান খেলুৱৈসকলকো অনুপ্ৰাণিত কৰিব বুলি আশা প্ৰকাশ কৰে। চেলেংহাট ম'ৱাই থাই ক্লাবৰ এই সাফল্যই অসমৰ ক্ৰীড়া জগতলৈ এক নতুন গৌৰৱ কঢ়িয়াই আনিছে।

# গোৱালপাৰা জিলা আয়ুক্ত কাৰ্যালয়ত ডিছা সমিতিৰ গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত

উন্নয়নমূলক আঁচনিৰ অগ্ৰগতিৰ পৰ্যালোচনা

**অসম বাৰ্তা, গোৱালপাৰা সদৰ, ১০ জুন ঃ** গোৱালপাৰা জিলাত ৰূপায়ণ হৈ থকা বিভিন্ন চৰকাৰী আঁচনি আৰু উন্নয়নমূলক কাম-কাজৰ অগ্ৰগতি পৰ্যালোচনাৰ উদ্দেশ্যে মঙলবাৰে জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাগৃহত “জিলা উন্নয়ন সমন্বয় আৰু নিৰীক্ষণ সমিতি” (ডিছা)ৰ এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। ধুবুৰী লোকসভা সমষ্টিৰ সাংসদ তথা ডিছা সমিতিৰ সভাপতি ৰকিবুল হুছেইনৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত গোৱালপাৰা জিলা পৰিষদৰ সভাপতি মহন্ত ৰাভা, জলেশ্বৰ সমষ্টিৰ বিধায়ক আফতাব উদ্দিন মোল্লা, গোৱালপাৰা পশ্চিম (জনজাতি) সমষ্টিৰ বিধায়ক পৱিত্ৰ কুমাৰ ৰাভা, গোৱালপাৰা পূৱ সমষ্টিৰ বিধায়ক আবুল কালাম ৰশিদ আলম, দুধনৈ (জনজাতি) সমষ্টিৰ বিধায়ক টংকেশ্বৰ ৰাভা, গোৱালপাৰা আৰু লক্ষ্মীপুৰ পৌৰসভাৰ সভাপতি ক্ৰমে মহানন্দ পাঠক আৰু ৰাজেশ প্ৰসাদ গুপ্তাৰ লগতে আঞ্চলিক পঞ্চায়তৰ সভাপতিসকলে অংশগ্ৰহণ কৰে। সভাত ডিছা সমিতিৰ সদস্য সচিব তথা জিলা আয়ুক্ত প্ৰদীপ টিমুং, জিলা উন্নয়ন আয়ুক্ত প্ৰণৱ কুমাৰ বৰা, অতিৰিক্ত জিলা আয়ুক্তসকল, বিভিন্ন বিভাগৰ জিলা মুৰব্বী বিষয়া আৰু অভিযন্তাসকল উপস্থিত থাকে। সভাখনত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, জনস্বাস্থ্য কাৰিকৰী, কৃষি, জল সম্পদ, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, লোক নিৰ্মাণ (পথ), লোক নিৰ্মাণ (গৃহ), জলসিঞ্চন, মীন উন্নয়ন আদি বিভাগকে ধৰি মুঠ ২১টা বিভাগে জিলাখনত চলি থকা বিভিন্ন আঁচনি আৰু উন্নয়নমূলক কাম-কাজৰ অগ্ৰগতিৰ খতিয়ান দাঙি ধৰে। বিভিন্ন আঁচনিৰ ৰূপায়ণৰ গতি, জনসাধাৰণলৈ সেৱা প্ৰদানৰ মানদণ্ড আৰু বিভাগীয় কাম-কাজৰ অগ্ৰগতি পৰ্যালোচনা কৰি সাংসদ ৰকিবুল হুছেইনে সংশ্লিষ্ট বিষয়াসকলক অধিক সক্ৰিয়তাৰে কাম কৰি জিলাখনৰ উন্নয়নৰ গতি ত্বৰান্বিত কৰাৰ নিৰ্দেশ দিয়ে। একে সময়তে বিধায়কসকলেও নিজ নিজ সমষ্টিত ৰূপায়ণ হৈ থকা আঁচনি আৰু জনসাধাৰণৰ সমস্যাসমূহ সভাত উত্থাপন কৰে। সভাৰ অন্তত সাংসদ ৰকিবুল হুছেইনে সংবাদমেল সম্বোধন কৰি ডিছা সমিতিৰ উদ্দেশ্য, সভাত আলোচনা হোৱা বিষয়সমূহ আৰু গ্ৰহণ কৰা সিদ্ধান্তসমূহৰ বিষয়ে সাংবাদিকসকলক অৱগত কৰে।

ব্ৰহ্মপুত্ৰত এৰি দিলে হাজাৰ-হাজাৰ পোনা মাছ

# গৰৈমাৰীত সচেতন ৰাইজৰ প্ৰশংসনীয় পদক্ষেপ

**অসম বাৰ্তা, গৰৈমাৰী, ১০ জুন ঃ** মীন সম্পদ বৃদ্ধি কৰাৰ লগতে বিলুপ্তপ্ৰায় থলুৱা মৎস্যকূল ৰক্ষা কৰাৰ উদ্দেশ্যেৰে ছমৰীয়া সমষ্টিৰ অন্তৰ্গত গৰৈমাৰীৰ মাজৰটোপ, আলিকাষ পাৰঘাটৰ ব্ৰহ্মপুত্ৰত আজি অঞ্চলটোৰ একাংশ সচেতন লোকে সজাগতামূলকভাৱে হাজাৰ হাজাৰ পোনা মাছ এৰি দিয়ে। জানিব পৰামতে ব্ৰহ্মপুত্ৰত অসাধু মাছমৰীয়াই মীন আইন ভংগ কৰি জধে-মধে পোনা মাছৰ উপৰি গাভিনী মাছ ধৰি আহিছে। অসাধু লোকে যাতে ব্ৰহ্মপুত্ৰত গাভিনী মাছৰ লগতে পোনা মাছ নধৰে তাৰ পৰিপ্ৰেক্ষিতত সৰ্বসাধাৰণ ৰাইজৰ মাজত সজাগতা অনাৰ বাবে অঞ্চলটোৰ একাংশ সচেতন লোকে আজি মাজৰটোপ, আলিকাষৰ ব্ৰহ্মপুত্ৰৰ বুকুত ৰৌ, মিৰিকা, ভাঙৰা আদি কেইবা হাজাৰ পোনা মাছ এৰি দিয়ে। উক্ত কাৰ্যসূচীত গৰৈমাৰী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া আব্দুল মোমিন, মীন বিভাগৰ মৎস্য মিত্ৰ আব্দুছ ছাত্তাৰ, মাজৰটোপৰ গাঁওপ্ৰধান জংসেৰ আলী, পূৱ ছমৰীয়া ও গৰৈমাৰী শাখা ছাত্ৰ সন্থাৰ উপদেষ্টা আমিনুল হক, সভাপতি জ্ঞানদীপ কলিতা, প্ৰাক্তন সভাপতি ৰফিকুল ইছলাম, সাধাৰণ সম্পাদক জহুৰুল হক, আমছুৰ গৰৈমাৰী আঞ্চলিক সংখ্যালঘু ছাত্ৰ ইউনিয়নৰ সভাপতি ইমৰান হক, সাধাৰণ সম্পাদক ৰুহুল আমিন, বিজেপিৰ যুৱ মৰ্চাৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য আনোৱাৰ হুছেইন, যুৱ-সমাজকৰ্মী আব্দুছ ছালাম আৰু ইউছুপ আলী লগতে ভালে সংখ্যক সচেতন ৰাইজ অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে -যি সময়ত একাংশ লোকে বিষাক্ত দ্ৰব্য বা সৰু জাল ব্যৱহাৰ কৰি মাছ নিধন কাৰ্যত লিপ্ত হৈছে, তেনে সময়ত ৰাইজৰ এই উদ্যোগে এক নতুন দিশৰ সূচনা কৰিছে। সমাজৰ এই কাৰ্যই কেৱল মীন সম্পদেই বৃদ্ধি নকৰে, বৰং নদীৰ ওপৰত নিৰ্ভৰ কৰি জীৱিকা নিৰ্বাহ কৰা থলুৱা মাছমৰীয়া সকলকো ভৱিষ্যতে উপকৃত কৰিব। ৰাইজৰ এই মহান কাৰ্যসূচীক বৰ্তমান সকলোৱে ভূয়সী প্ৰশংসা কৰিছে আৰু ইয়াক এক আদৰ্শ পদক্ষেপ বুলি অভিহিত কৰিছে।

স্বচ্ছতা, গুণগত মান আৰু সময়মতে প্ৰকল্প ৰূপায়ণৰ ওপৰত গুৰুত্ব আৰোপ

# কামৰূপ জিলাৰ উন্নয়ন সমিতিৰ বৈঠকৰ পৰ্যালোচনা অভিভাৱক মন্ত্ৰী অজন্তা নেওগৰ

**অসম বাৰ্তা, মিৰ্জা, ১০ জুন ঃ** আজি অমিনগাঁৱস্থিত সংহত জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত জিলা উন্নয়ন সমিতি (DDC)ৰ পৰ্যালোচনা বৈঠকত সভাপতিত্ব কৰে অসম চৰকাৰৰ মহিলা আৰু শিশু বিকাশ আৰু পৰ্যটন বিভাগৰ মন্ত্ৰী তথা কামৰূপ জিলাৰ নৱনিযুক্ত অভিভাৱক মন্ত্ৰী অজন্তা নেওগে। বৈঠকত মন্ত্ৰী নেওগে জিলাখনত চলি থকা বিভিন্ন উন্নয়নমূলক আঁচনি আৰু প্ৰকল্পসমূহৰ অগ্ৰগতিৰ বুজ লয়। লগতে মন্ত্ৰী গৰাকীয়ে সুশাসন আৰু দ্ৰুত সেৱা নিশ্চিত কৰাৰ লক্ষ্যৰে তেওঁ বিষয়াসকলক সকলো প্ৰস্তাৱ ২৪ ঘণ্টাৰ ভিতৰত নিষ্পত্তি কৰাৰ লগতে কোনো কাম অমীমাংসিত কৰি নাৰাখিবলৈ নিৰ্দেশ দিয়ে। তেওঁ লগতে কয় যে উন্নয়নমূলক কাম-কাজ নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত সম্পূৰ্ণ হোৱাটো নিশ্চিত কৰিব লাগিব বুলি কয়। ইয়াৰ উপৰিও চৰকাৰী আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত স্বচ্ছতা, জবাবদিহিতা আৰু গুণগত মান বজাই ৰখাৰ ওপৰতো বিশেষ গুৰুত্ব আৰোপ কৰাৰ লগতে কোনো পৰিস্থিতিতেই উন্নয়নমূলক কামৰ মানদণ্ডৰ সৈতে আপোচ নকৰিবলৈ তেওঁ বিষয়াসকলক স্পষ্ট নিৰ্দেশনা প্ৰদান কৰে। অভিভাৱক মন্ত্ৰীগৰাকীয়ে উন্নয়নমূলক কাৰ্যকলাপ আৰু সমষ্টিভিত্তিক অগ্ৰগতিৰ তথ্য নিয়মীয়াকৈ সংশ্লিষ্ট বিধায়কৰ সৈতে যোগা-যোগ ৰাখিবলৈও নিৰ্দেশ দিয়ে, যাতে উন্নত সমন্বয় আৰু ফলপ্ৰসূ নিৰীক্ষণ নিশ্চিত হয়। বৈঠকত কমলপুৰ সমষ্টিৰ বিধায়ক দিগন্ত কলিতা, ছমৰীয়া সমষ্টিৰ বিধায়ক ৰেকিবুদ্দিন আহমেদ, হাজো-শুৱালকুছি সমষ্টিৰ বিধায়ক প্ৰকাশ চন্দ্ৰ দাস, কামৰূপৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰ, জ্যেষ্ঠ আৰক্ষী অধীক্ষক সুভাশীষ বৰুৱা, কামৰূপ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া সিদ্ধাৰ্থ গোস্বামী, জিলা উন্নয়ন আয়ুক্ত সুশান্ত কুমাৰ দত্ত, অতিৰিক্ত জিলা আয়ুক্তসকল, সমজিলা আয়ুক্তসকল, সহকাৰী আয়ুক্তসকল তথা বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকল উপস্থিত থাকে।

# অৱসৰপ্ৰাপ্ত শিক্ষক, বিশিষ্ট সমাজকৰ্মী নগেন গগৈৰ পৰলোকপ্ৰাপ্তি

**অসম বাৰ্তা, চেলেংহাট, ১১ জুন ঃ** শিৱসাগৰ জিলাৰ চামগুৰি উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাপক, অৱসৰপ্ৰাপ্ত শিক্ষক, লালিম চাপৰি গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি নগেন গগৈ (৯২)ৰ আজি নিজা বাসগৃহত পৰলোকপ্ৰাপ্তি হয়। বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত ওতঃপ্ৰোত ভাৱে জড়িত থকাৰ সমান্তৰালভাৱে বিশেষকৈ নামতি সমীপৰ চামগুৰি অঞ্চলত শৈক্ষিক উত্তৰণৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা লোৱা অমায়িক ব্যক্তিজনৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰে। ইফালে, নগেন গগৈৰ নশ্বৰ দেহ চামগুৰি উচ্চ মাধ্যমিক বিদ্যালয়লৈ লৈ যোৱা হয়। বিদ্যালয়খনৰ প্ৰাঙ্গণত বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ লগতে অগণন গুণমুগ্ধই শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। আনহাতে, নগেন গগৈৰ মৃত্যুত চামগুৰি উচ্চ মাধ্যমিক বিদ্যালয়, চামগুৰি শংকৰদেৱ জ্যোতি বিদ্যাপীঠ, চামগুৰি যুৱ সমাজ, চামগুৰি জাতীয় বিদ্যালয়, চামগুৰি বৃহত্তৰ ৰক্তদান গ্ৰুপ, চামগুৰি প্ৰাৰ্থমিক বিদ্যালয়, চামগুৰি আগৰ ব্যৱসায়ী সন্থা, নিলাক্ষী মেপৰিয়েল একাডমী, ৰাইজৰ দলৰ শিৱসাগৰ জিলা সমিতি, নামতি প্ৰেছ ক্লাব, নামতি জ্যেষ্ঠ নাগৰিক সন্মিলন, সদৌ অসম গ্ৰাম্য ব্যৱসায়ী সন্থা, নামতি চাৰি আলি সন্মিলিত মুছলিম যুৱ সমাজৰ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰিছে। তেওঁ মৃত্যুৰ সময়ত পত্নী, চাৰিগৰাকী জী-জোঁৱাই, নাতি-নাতিনীৰ সৈতে বহু আত্মীয় স্বৰ্জনক ইহ-সংসাৰত এৰি থৈ গৈছে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ | বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com | ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ | ◂◂ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▸▸

◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta

● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন